
# জনগণ

মাহেকীয়া বাৰ্তালোচনী
প্ৰথম বছৰ ঃ প্ৰথম সংখ্যা ঃ জুলাই, ২০০৬
মূল্য ঃ ১০ টকা

সংগ্ৰামী আদিবাসীৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ
ভেৰোণীয়া বাহিনীয়ে
দণ্ডকাৰণ্যত চলাইছে 'ছালৱা
জুডুম'ৰ নামত নৰমেধ

কৃষক বিপ্লৱৰ
প্ৰেক্ষাপটত বিপ্লৱী
বিষ্ণু ৰাভা



নেপালত ৰাজনৈতিক পট পৰিৱৰ্তন

OKDISCD

প্ৰিয় লেখক/পাঠক,

'জনগণ' জনগণৰ পক্ষত থাকি দুখ-যাতনা, হাঁহি-কান্দোনৰ লগৰী হোৱাৰ এক সৰল প্ৰয়াস কৰিছো। পূৰ্বতেও এনে প্ৰয়াসৰ কেবাবাৰো প্ৰকাশ হয়তো অনিয়মীয়া বা বন্ধ কৰিবলগা হৈছে। তাৰ বাবে আমাৰ কণমানো দুখ নাই। কাৰণ একমাত্ৰ জনগণৰ পক্ষত থাকি কৰা সকলো প্ৰকাশ তথা কামৰ বাবে দুখ পোৱা অথবা নিৰাশ হোৱাৰ প্ৰশ্ন নুঠে।

হে প্ৰিয় পাঠক, লেখক আৰু জনগণ, হয়তো বাৰে বাৰে থমকিছো, তথাপি আপোনাসবলৈ একেই নিবেদন--

লিখক, পঢ়ক, পঢ়ুৱাওক আৰু সাধ্যানুসাৰে আমালৈ আৰ্থিক অনুদান আগবঢ়াওক। 'জনগণ'ক বন্ধুৰ দৰে সংগ দিয়ক, লালন-পালন কৰক, 'জনগণ' আপোনালোকৰেই—

বিনম্ৰভাৱে

প্ৰকাশক

# জনগণ

মাহেকীয়া বাৰ্তালোচনী
*প্ৰথম বছৰ ঃ প্ৰথম সংখ্যা ঃ জুলাই, ২০০৬*
*মূল্য ঃ ১০ টকা*

এই সংখ্যাত


- নেপালত ৰাজনৈতিক পট পৰিবৰ্তন ঃ ৰঞ্জন বাউল /৩
- কৃষক বিপ্লৱৰ প্ৰেক্ষাপটত বিপ্লৱী বিষ্ণু ৰাভা ঃ জীৱন /৫
- অসমৰ বানপানী ঃ কাৰণ আৰু ... প্ৰতিকাৰ ঃ ইছমাইলহোছেইন (জ্যেষ্ঠ) /৮
- আদিবাসী মহিলা ঃ স্থিতি আৰু সংগ্ৰাম ঃ বৰ্ণালী /১২
- সংগ্ৰামী আদিবাসীৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ ভেৰোণীয়া বাহিনীয়ে দণ্ডকাৰণ্যত চলাইছে 'ছালৱা জুডুম'ৰ নামত নৰমেধ ঃ গিৰীন্দ্ৰ শইকীয়া /১৩
- সাম্ৰাজ্যবাদৰ কজ্জাত ইৰাণ ঃ ভাৰতৰ নিৰ্লজ্জ আত্মসমৰ্পণ ঃ অনুবাদ ঃ প্ৰাঞ্জল প্ৰতীম শৰ্মা /১৬
- বিষাক্ত কোক্ উদ্যোগে মৃত্যু মাতিছে অসমীয়াৰ প্ৰদূষণৰ বিৰুদ্ধে ঐক্যবদ্ধ গণআন্দোলনত জনগণ ঃ কল্যাণ /২২
- বৰদুৱাৰত চাহ বাগানৰ মালিকে চলাইছে ৰায়ত উচ্ছেদাভিযান ঃ প্ৰতিৰোধমুখী হৈ উঠিছে দুখীয়া কৃষক দীপজ্যোতি /২৫
- কবিতা ঃ অনিল বড়ো, মিনি দাস, গোপাল কলিতা প্ৰণৱ, দেৱজিৎ, নিজৰা ডেকা, দীপ কলিতা, পুলক দাস /২৭-৩০
- চৰকাৰী স্বাস্থ্যসেৱাৰ চূড়ান্ত ভণ্ডামি গ্ৰামাঞ্চলত মেলেৰিয়াৰ তাণ্ডৱ ঃ নীতিকাশ মহন্ত /৩১
- বহুজাতিকৰ পন্য 'ভাৰত কণ্ঠ' ঃ দেৱজিতৰ দৰে শিল্পীয়ে কাৰ স্বাৰ্থ পূৰণ কৰে? ঃ দীনেশ দাস /৩৩


সম্পাদক/প্ৰকাশক ঃ দীনেশ দাস
কাৰ্যবাহী সম্পাদক ঃ গিৰীন্দ্ৰ শইকীয়া
যোগাযোগৰ ঠিকনা ঃ
ৰেইনবো অফছেট প্ৰেছ
ভি আই পি, গুৱাহাটী-১৫
ই-মেইল ঃ girin_saikia@yahoo.com

সম্পাদকীয়

## জনতাৰ সংকটকালৰ চিন্তা

পুনৰ এখন বাৰ্তালোচনী জন্মৰ কথাটোক হয়তো বহুজনে আওকাণ কৰিব অথবা ক'ব -'আৰু এখন আলোচনীৰনো কি প্ৰয়োজন আছে।' বজাৰত ইমানবোৰ কাকত-আলোচনীৰ পয়োভৰৰ পিছতো কিনো বিশেষ কথা আছে যাৰ বাবে আকৌ এখন বাৰ্তালোচনী প্ৰকাশ কৰিব লাগে। তেনে দৃষ্টিকোণৰ পৰা চালে কথাযাৰৰ সত্যতা নাই বুলিও ক'ব নোৱাৰি। এটা কথা ঠিক যে গৰিষ্ঠসংখ্যক ৰাইজৰ সমস্যাবোৰ ক্ৰমাৎ বৃদ্ধি হোৱাৰ লগে লগে এই সমস্যাবোৰৰ পৰা পৰিত্ৰান পাবলৈ ৰাইজ সমানে তৎপৰ হ'ব বিচাৰে। কিন্তু ৰাইজ পুনৰ বিফল হয়। উদাহৰণস্বৰূপে শেহতীয়াকৈ সম্পন্ন হোৱা বিধানসভাৰ নিৰ্বাচনটোলৈ লক্ষ্য কৰিব পাৰি। দ্বাদশ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি অসমত থকা বাতৰি কাকতবোৰ প্ৰায়ে দুটা ভাগত বিভক্ত হোৱা দেখা গ'ল। অৰ্থাৎ প্ৰচলিত ৰাষ্ট্ৰ ব্যৱস্থাত নিৰ্বাচনক বিশেষ গুৰুত্ব প্ৰদান কৰি কাকতবোৰে মোটামুটিভাৱে দুটা শিবিৰত বিভাজিত হৈ ৰাইজক নিৰ্বাচনৰ দুই-তিনিমাহ আগৰে পৰা এনেদৰে বুজোৱাৰ চেষ্টা কৰে—

(১) শাসনাধিষ্ঠ দলটোৱে দুৰ্নীতিৰ ক্ষেত্ৰত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ভ্ৰষ্টাচাৰী ৰূপ গ্ৰহণ কৰিছে। সমস্যাবোৰ সমাধান কৰাত ব্যৰ্থ... গতিকে এইবাৰ এই

OKDISCD

দলটোক শাসনভাৰ দিব নালাগে আৰু মুখ্যবিৰোধী দলটোক শাসনলৈ আনিব লাগে। এই বিৰোধী দলটোৰ নেতা-কৰ্মীয়ে বিশেষকৈ প্ৰতিদ্বন্দ্বিতা কৰাসকলে অমুক কৰিম তমুক কৰিম বুলি মৰা ওফাইদাংবোৰকে সাৰোগত কৰি দলটোক একপ্ৰকাৰ জয়ী কৰাৰ ঠিকা লোৱাৰ দৰে যি কোনো প্ৰকাৰে হোৱাই-নোহোৱাই কিছু তথ্য (দলটোৰ উপযোগীকৈ) সন্নিবিষ্ট কৰি বা-বাতৰি প্ৰচাৰ কৰে।

(২) শাসকীয় দলটোৱে দুই-এজনৰ ওপৰত চৰকাৰৰ বিফলতাৰ সমস্ত দোষ জাপি দি বেয়া (কাকত শিবিৰৰ মতে) মন্ত্ৰী-এম এল এ দুই-এজনক আঁতৰাই অন্য কেইজনমান নতুন ডেকা তথা নিকা ব্যক্তিক টিকট দিলেই দলটোৱে পুনৰাই ক্ষমতালৈ আহিব পাৰিব...ইত্যাদি ধৰণৰ ধাৰণা একোটা প্ৰতিষ্ঠা কৰিব খোজে আৰু বিৰোধী দলবোৰক আগতে অমুক কৰা নাছিল, এইবাৰ জানো কৰা সম্ভৱ— বিৰোধী দলবোৰ হেন-তেন আদি প্ৰচাৰ কৰি গালি-গালাজ আৰম্ভ কৰে। এইবিলাকৰ অন্তৰালত ন্যস্তস্বাৰ্থ জড়িত মহলৰ নিজ অভিসন্ধি লুকাই থাকে।

এনেধৰণেৰেই অধিকাংশ কাকত -আলোচনীয়ে বৰ্তমান ভূমিকা লৈ আহিছে। যদি বিগত তিনি-চাৰিটা মাহ নিৰ্বাচনৰ আগৰ কাকতসমূহ মেলি চোৱা যায় তেন্তে দেখা যাব তেতিয়াৰ ভূমিকাতো আজিৰ তুলনাত একো তফাৎ নাছিল। নিৰ্বাচনপূৰ্ব সময়ছোৱাত অধিকাংশ কাকতৰ স্ব-বিৰোধিতাও জল জল পট্ পট্‌কৈ ওলাই পৰে। 'শাদিয়াৰ পৰা ধুবুৰীলৈ আঞ্চলিকতাবাদৰ জোৱাৰ' দেখা সাংবাদিকে আঞ্চলিক ৰাজনীতিকক বাতৰি কাকতৰ পাততে হ'লেও ডুবাবলৈ ৰাতিটোৰ ভিতৰতে নিজক প্ৰস্তুত কৰি তুলিব পাৰে। এনেধৰণৰ ঘটনাৰ অন্তৰালত দৰ-দামৰ কথা জড়িত হৈ থাকে বুলি শুনিছো। সেয়ে ভয়াবহ নিবনুৱা সমস্যা, কৃষকৰ মাটিৰ সমস্যা, বছৰি বছৰি ক্ৰমশঃ ভয়াৱহ হৈ অহা বান-গৰাখহনীয়াৰ সমস্যা, যুগ যুগ ধৰি বসবাস কৰা থলুৱা নাগৰিকসকলৰ সাধাৰণ মাটিৰ পট্টাখন পৰ্যন্ত নোপোৱাৰ সমস্যা তল পৰি যায়। বিপৰীতে একাংশ চাহ পুঁজিপতি, জমিদাৰ বৃহৎ পৰিমাণৰ ভূমি তথা অন্যান্য সম্পদৰ মালিক হয়। একেদৰে খাদ্য, শিক্ষা আৰু স্বাস্থ্যসেৱা খণ্ডয়ো যে আজি সাধাৰণ জনগণৰ হিত সাধন কৰা নাই সেয়া ওলাই পৰিছে। জনস্বাস্থ্যৰ নামত যে একাংশ বনিয়া-বুৰ্জোৱাই লুণ্ঠন চলাবলৈ সক্ষম হৈছে তাৰ কাৰণনো কি? ৰাইজৰ সমস্যাবোৰ সমাধান নোহোৱাৰ অন্তৰালত কি কাৰণ লুকাই আছে? এইবোৰ মূল কথালৈ স্বাৰ্থজড়িত মহল যাব নোখোজে। প্ৰচলিত ৰাষ্ট্ৰব্যৱস্থাই সমস্যাবোৰ সমাধান কৰিব নোৱাৰি স্তূপীকৃত আকাৰত দ'মাই থোৱাৰ ব্যৱস্থা কৰিছে। এই মূল বিষয়বোৰ কাকতবোৰত প্ৰায়ে দেখা নাযায়। অৰ্থাৎ নিৰপেক্ষতাৰ নামত, দেশসেৱাৰ নামত ব্যৱসায়িক স্বাৰ্থ অক্ষুণ্ণ ৰাখি মৌনতা পালন কৰে। ফলস্বৰূপেই জনগণৰ সমস্যাবোৰে আজি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে আৰু ইয়াৰ বিৰুদ্ধে জনগণৰ প্ৰতিৰোধী শক্তিয়ে ঐক্যবদ্ধভাৱে প্ৰতিবাদ তথা প্ৰতিৰোধ গঢ়ি তুলিব নোৱৰাৰ পৰিণতিত সমস্যাবোৰে পৰ্বতসম আকাৰ গ্ৰহণ কৰি আহিছে। এনে পৰিস্থিতিত আমি ভাবো এই মুহূৰ্তত জনগণে মূৰ তুলিব লাগে। ৰাইজে নিজে নিজৰ ভাগ্য গঢ়াৰ ইতিহাসৰ উদাহৰণ বিশ্বৰ চৌদিশে অলেখ আছে। শোষিত-নিস্পেষিত জনগণ তথা খাটিখোৱা মানুহৰ স্বাৰ্থ আৰু শাসকৰ স্বাৰ্থৰ মাজৰ শ্ৰেণী বিভাজন সুস্পষ্ট হৈ যোৱাৰ পিছত আজি জনগণৰ পক্ষ লোৱা বাতৰি কাকত নাইবা আলোচনী মাথোঁ এখন কিয় হেজাৰে হেজাৰে প্ৰকাশ পাব লাগিছিল— প্ৰকাশ পাব লাগে। বৰ্তমান সাম্ৰাজ্যবাদী আগ্ৰাসনৰ ন-ন কৌশলৰ বিপৰীতে জনগণ যেন একেই স্তৰতে আছে। অৰ্থাৎ দেশী-বিদেশী লুণ্ঠনকাৰীহঁতৰ শোষণ-লুণ্ঠনত একমাত্ৰ কমিছনৰ আশাত আমাৰ দেশৰ শোষক-শাসক শ্ৰেণীয়ে খাটিখোৱা জনগণক বিভিন্ন কায়দাৰে লুটি আছে। অন্ন, বস্ত্ৰ, শিক্ষা, চিকিৎসা আৰু বাসস্থানৰ দৰে সমস্যাবোৰৰ সমাধান অথবা নিজৰ নিৰাপত্তাৰ বাবে ৰাইজ ওলাব খোজে, গণতান্ত্ৰিক অধিকাৰ তথা প্ৰাপ্য আঁজুৰি আনিব খোজে— এনে মুহূৰ্ততো সমাজৰ বুদ্ধিজীৱী, জ্ঞানী-গুণী লেখক চিন্তাশীল ব্যক্তিসকলে জনগণক সঠিক পথেৰে আগবঢ়াই আনিব বিচৰা নাই। অৰ্থাৎ এনে বৌদ্ধিক মৌনতাই গৰিষ্ঠসংখ্যক ৰাইজক পিছলৈ টানি ধৰিব খোজা নাইনে? এনেধৰণৰ জ্ঞানী-মানী বুদ্ধিজীৱীসকলক নিশ্চয় স্থিতাৱস্থাবাদী চৰকাৰেই ভাল পাব। কাৰণ মান্ধাতা যুগৰ সামন্তীয়তথা বৰ্তমানৰ সাম্ৰাজ্যবাদী শোষণ-শাসন বৰ্তাই ৰাখি জনগণক শাসকশ্ৰেণীয়ে চিৰদিন অবদমিত কৰি ৰাখিব বিচাৰে আৰু শাসনৰ ৰাজগাদীক বাপেকৰ পিছত পুতেকে যুগ যুগ ধৰি শোষণৰ থলি হিচাপে ব্যৱহাৰ কৰিব বিচাৰে। জনগণৰ সংকটকালত কোনো পণ্ডিত-লেখকে মৌনতা অৱলম্বন কৰা মানেও শোষক-শাসকক লাভবান্বিত কৰা। তেতিয়াও ৰাইজ পিছপৰি নৰ'বনে?

লুণ্ঠণকাৰী বেপাৰী, ভণ্ড শাসক শ্ৰেণীৰ মুখাৰ অন্তৰালৰ আচল মুখবোৰ ৰাইজক চিনাকি কৰাই দিবলৈ, ৰাইজৰ ফলীয়া প্ৰগতিশীল লেখক, বুদ্ধিজীৱী, সাংবাদিক, চিন্তাবিদসকলক প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে ঐক্যবদ্ধ কৰাটোৱেই হ'ব এই আলোচনীখনৰ মূল উদ্দেশ্য। 'জনগণ' সঁচা অৰ্থত হ'ব জনগণৰ মুখপত্ৰ। ■





# নেপালত ৰাজনৈতিক পট পৰিৱৰ্তন

## নিয়ন্ত্ৰকৰ ভূমিকাত মাওবাদী

**ৰঞ্জন বাউল**

**বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিয়ে মাওইষ্টসকলক নিৰ্বাচনমুখী পথগ্ৰহণৰ বাবে বাধ্য কৰাইছে। মাওইষ্টসকলৰ প্ৰথম দাবী আছিল ৰাজতন্ত্ৰৰ উৎখাত। যি প্ৰক্ৰিয়াৰে নহওক কিয় মাওইষ্টসকলৰ প্ৰথম দাবীটো ফলৱতী হোৱা বুলিয়েই ক'ব লাগিব।**

বৰ্তমান মুহূৰ্তত আন্তৰ্জাতিক ৰাজনৈতিক পৰিস্থিতিত আটাইতকৈ চৰ্চিত বিষয়টোৱেই হৈছে নেপাল। দেশখনৰ ইতিহাস বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে ভৌগোলিক দিশৰ পৰা হিমালয়ৰ পাদদেশ এই গিৰিপথ (Pass) অঞ্চল দীৰ্ঘকালজুৰি ৰাজতন্ত্ৰৰ কৱলত থাকিলেও ইয়াৰ আভ্যন্তৰত পৰিবৰ্তনকামী চিন্তাৰ উত্তৰণ ঘটিছিল অতি ক্ষিপ্ৰ গতিত। নেপালত ৰাজতন্ত্ৰৰ উৎখাত কৰাৰ বাবে সাধাৰণ মানুহৰ কেইবাটাও সন্মিলিত বিক্ষোভে তাৰ অনুৰণন ঘটাইছে বাৰে বাৰে। এফালে বিস্তিৰ্ণ পৰ্বতীয়া অঞ্চল, আনফালে নামনিত বৃহৎ উপ-মহাদেশ ভাৰত ভূমি। এফালে দক্ষিণ-পূব এছিয়াৰ ষ্ট্ৰেটেজিক অঞ্চল হিচাপে সাম্ৰাজ্যবাদী শিবিৰে নেপালত সামৰিক ঘাটি স্থাপনৰ পৃষ্ঠপোষকতা কৰে, আনফালে নেপালৰ ৰাজতন্ত্ৰক সমৰ সজ্জাৰে সাহায্য প্ৰদান কৰি দেশীয় ক্ষুধাৰ্ত মানুহক হত্যাৰ কুছকাৱাজ আৰম্ভ কৰে। এনে পৰিস্থিতিতে বাৰে বাৰে অস্থিৰ হৈছে হিমালয়ান সাম্ৰাজ্য নেপালৰ ৰাজনীতি। বাৰে বাৰে দেশখনৰ ৰাজনৈতিক পটভূমি সলনি হৈছে। এফালে সংশোধনবাদী সংসদীয় ক্ষমতাৰ মোহত মোহাগ্ৰস্ত বাওঁপন্থী ৰাজনৈতিক দলবোৰে নিৰ্বাচনী পন্থাৰে ক্ষমতা দখলৰ বাবে কুছকাৱাজ আৰম্ভ কৰে, আনফালে ৰাজতন্ত্ৰৰ প্ৰহৰী হিচাপে থকা মাৰ্কিন তথা এছীয় সাম্ৰাজ্যবাদী শিবিৰৰ অনুগত দক্ষিণপন্থী ৰাজনৈতিক দলবোৰে ৰাজতন্ত্ৰৰ চত্ৰছায়াত থাকি এয়াই একৈশ শতিকাৰ গণতন্ত্ৰ বুলি আস্ফালন কৰে। এনে পৰিস্থিতিতে বিক্ষুব্ধ মানুহৰ বিচ্ছিন্ন অংশবিশেষৰ মাজত শোষণ-নিস্কেষণৰ বিৰুদ্ধে নৱৈ দশকৰ আৰম্ভণিতে আহি পৰিছিল মাও চে তুঙৰ মতাদৰ্শৰে, অৰ্থাৎ মাওবাদেৰে এক শক্তিশালী গণযুদ্ধৰ কুছকাৱাজ। দীৰ্ঘদিন ধৰি আধুনিক সংশোধনবাদীসকলৰ সৈতে ইয়াৰ বিতৰ্ক তীব্ৰ গতিত চলিছিল। কিন্তু ১৯৯৬ চনত ৰাজতন্ত্ৰই প্ৰদান কৰা সংবিধানৰ বিৰুদ্ধে বিদ্বেষ প্ৰকাশ কৰি প্ৰথমবাৰৰ বাবে জনগণৰ মাজলৈ ওলাই গৈছিল এটি নতুন ৰাজনৈতিক দল— চি পি এন (মাওইষ্ট)। অৰ্থাৎ কমিউনিষ্ট পাৰ্টি অব্ নেপাল (মাওইষ্ট)। বিপ্লৱী ৰাজনৈতিক মতাদৰ্শৰে পৰিচালিত এই দলৰ গেৰিলাবাহিনীয়ে সমগ্ৰ দেশজুৰি প্ৰচলিত সংবিধানখন উৎখাত কৰাৰ বাবে আৰম্ভ কৰে জনযুদ্ধ। দক্ষিণ-পূব এছিয়াৰ দৰিদ্ৰতা আক্ৰান্ত দেশখনত পূৰ্বৰে পৰা উৰ্বৰ হৈ আছিল প্ৰতিবাদৰ ক্ষেত্ৰ। ৰাজতন্ত্ৰৰ কব্জাত দীৰ্ঘদিন ধৰি চলি আহিছে কৃষকৰ ভূমিৰ ওপৰত বণিয়া গোষ্ঠীৰ অবাধ বে-দখল। আনফালে খাটিখোৱা মানুহৰ ওপৰত যুগ যুগ ধৰি চলি থকা অৱদমন তথা নিস্পেষণৰ বাবে চি পি এন (মাওইষ্ট) হৈ পৰে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ ত্ৰাণকৰ্তাস্বৰূপ। ৰজাৰ বাহিনীয়ে চলাই অহা অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিশোধ লোৱাৰ সুযোগ জনসাধাৰণে প্ৰত্যক্ষভাৱে লাভ কৰে। ইয়াৰ ফলশ্ৰুতিত নেপাল হৈ পৰে যুদ্ধভূমি। দেশখনৰ ৭৬ খন জিলাৰ ক'তো এনেকুৱা এটুকুৱা ঠাই নাছিল য'ত মাওইষ্টসকলে গণভিত্তি লাভ নকৰা... আছিল। দেশখনত এনে এখন জিলা নাছিল য'ত গ্ৰামাঞ্চলৰ ৰাইজে... কেডাৰসকলৰ সহযোগত ৰাজতন্ত্ৰৰ অতন্দ্ৰ প্ৰহৰী হিচাপে থ... আৰক্ষী চাউনীত আক্ৰমণ নকৰাকৈ আছিল। অৰ্থা... মাওইষ্টসকলে লাভ কৰিছিল এক নজিৰবিহীন গণ...

দেশখনৰ ৭৬ জিলাৰ গ্ৰামাঞ্চলক মাওইষ্টসকলে মুক্তঞ্চল হিচাপে গঢ়ি তুলি এখন সমান্তৰাল চৰকাৰ গঢ়িবলৈ সক্ষম হৈছিল। বিদ্ৰোহী সশস্ত্ৰ ৰাজনৈতিক দলটোৰ এই উত্থানে আন্তৰ্জাতিক মহলক জোঁকাৰি যায়। যি সময়ত বিশ্বখনত আমেৰিকাই নিজৰ চৰ্দাৰী কায়েম কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে, যি সময়ত সাম্ৰাজ্যবাদী শিবিৰে তৃতীয় বিশ্বৰ অন্তৰমহলত চৌদিশৰ পৰা আঘাত হানিছে সেই সময়ত নেপালত এক নতুন ৰেঙণি দেখা গৈছে কেনেদৰে? এই প্ৰশ্নবোৰক লৈয়ে সাম্ৰাজ্যবাদী শিবিৰ বিমোৰত পৰে। আমেৰিকাই প্ৰত্যক্ষভাৱে দেশখনক মাওইষ্টসকলৰ বিৰুদ্ধে অভিযান কঠোৰ কৰিবলৈ ধন-জন, অস্ত্ৰ-শস্ত্ৰ তথা যুদ্ধবিমান দি সহায় কৰিবলৈ আগবাঢ়ি আহে। মাৰ্কিন দাসত্ব মানি লোৱা প্ৰতিবেশী ৰাষ্ট্ৰ ভাৰতেও দেশখনক কৌশলেৰে মাওইষ্টসকলৰ বিৰুদ্ধে সহায়-সাহায্য কৰাৰ বাবে আগবাঢ়ি যায়। কিন্তু মাওইষ্টৰ জংগী নেতা চেয়াৰমেন প্ৰচণ্ড ওৰফে পুষ্পকমল ডাহাল আৰু বাবুৰাম ভট্টৰায়ৰ পৰিচালনাত বিদ্ৰোহী দলটোৱে সকলো ষড়যন্ত্ৰ উৎখাত কৰিবলৈ সক্ষম হয়। আনকি দেশখনৰ পৰা ৰাজতন্ত্ৰৰ খুঁটিটো চিৰদিনৰ বাবে উভালি পেলাবলৈ দেশখনৰ সংসদীয় ৰাজনৈতিক দলবোৰক মাওইষ্টসকলে ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবলৈ বাধ্য কৰায়। মাওইষ্টসকলৰ তৎপৰতাতেই দেশখনৰ সাতটা ৰাজনৈতিক দলে জোঁটবন্ধন কৰি এক শক্তিশালী গণ অভ্যুত্থানৰ জৰিয়তে ৰজা জ্ঞানেন্দ্ৰক পশ্চাৎপসাৰণ কৰিবলৈ বাধ্য কৰোৱাৰ পিচত দেশখনত এখন অন্তৰৱৰ্তীকালীন চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। ৰাজতন্ত্ৰক উৎখাত কৰি নেপালত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে মাওইষ্টসকলে এতিয়ালৈকে যি কৌশল প্ৰয়োগ কৰি আহিছে সেয়া আন্তৰ্জাতিক মহলত চৰ্চিত বিষয় হৈ পৰিছে। শেহতীয়াকৈ মাওইষ্টসকলে সহাৰি জনাইছে যে দেশখনৰ আগন্তুক সাধাৰণ নিৰ্বাচনত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিব। অৰ্থাৎ এই নিৰ্বাচন হ'ব লক্ষণীয়, যদিও বিপ্লৱী ইতিহাসত নিৰ্বাচনেই অন্তিম পথ নহয়। মাওইষ্টসকলৰ বাবে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি দেশখনৰ শাসনভাৰ নিজৰ কব্জালৈ নিয়াৰ এক পথ মুকলি ...ছে। ১৯৯৬ চনৰ পৰা জনসাধাৰণে বিদ্ৰোহী দলটোক যিধৰণে ...ছে সেয়া যদি প্ৰকৃতাৰ্থত মাওইষ্টৰ আদৰ্শৰ প্ৰতি ... তেন্তে এইবাৰ নিৰ্বাচনত নেপালৰ ... এক সম্ভাৱনা উজ্জ্বল হৈ ...

... অৱশ্যে বিভিন্ন মহলে ...স্থ্য পৰিলক্ষিত হৈছে। ...গুই এই সুযোগতে ...ছে। কিন্তু বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিয়ে মাওইষ্টসকলক নিৰ্বাচনমুখী পথগ্ৰহণৰ বাবে বাধ্য কৰাইছে। মাওইষ্টসকলৰ প্ৰথম দাবী আছিল ৰাজতন্ত্ৰৰ উৎখাত। যি প্ৰক্ৰিয়াৰে নহওক কিয় মাওইষ্টসকলৰ প্ৰথম দাবীটো ফলৱতী হোৱা বুলিয়েই ক'ব লাগিব। এতিয়া আহিল গণতান্ত্ৰিক সংবিধানখন প্ৰণয়নৰ সুযোগ। ইয়াক মাওইষ্টসকলে গ্ৰহণ নকৰিলে বা এই প্ৰক্ৰিয়াৰ পৰা আঁতৰি থাকিলে পৰৱৰ্তী সময়ত সেয়া ঐতিহাসিক ভুল হিচাপে পৰিগণিত হোৱাৰ যথেষ্ট থল আছে। পূৰ্বৰ সংগ্ৰামৰ ইতিহাসবোৰ বিশ্লেষণ কৰিলে এই ভুলবোৰ ওলাই পৰে। পেৰুৰ ঘটনাই তাৰ জ্বলন্ত উদাহৰণ। দেশখনত ছাইনিং পাথে ড° গঞ্জালেছৰ নেতৃত্বত বিপ্লৱৰ কেইবাটাও পৰ্যায় অতিক্ৰম কৰিও পিছত ৰাষ্ট্ৰবাহিনীৰ হাতত পৰাভূত হ'বলগা হৈছে সঠিক সময়ত বাস্তৱ কৌশল গ্ৰহণ কৰিব নোৱাৰাৰ বাবেই। নেপাল অৱশ্যে এইক্ষেত্ৰত এতিয়াও উৰ্ধ্বত আছে। এফালে সশস্ত্ৰ সংগ্ৰামৰ জৰিয়তে মাওইষ্টসকলে তাত গণভিত্তি সৱল কৰাৰ লগতে সংসদীয় ৰাজনীতিৰ মূল দুৰ্গতো কৌশলেৰে আঘাত হানিবলৈ সক্ষম হৈছে। গতিকে এনে পৰিস্থিতিত মাওইষ্টসকলে ১৯৯৬ চনৰ পৰা যি সংগ্ৰাম চলাই আহিছে, জনযুদ্ধৰ জৰিয়তে যিমান ৰক্ত ক্ষৰণ কৰিবলগীয়া হৈছে দেশখনৰ সংগ্ৰামৰ ইতিহাসত যাতে সেয়া গৌণ হৈ নাযায় তাৰ বাবে আজিৰ বাস্তৱ পৰিস্থিতিত নিৰ্বাচনমুখী ৰাজনীতিকো দলটোৱে কৌশল হিচাপে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এই নিৰ্বাচনে মাওইষ্টসকলক অন্য এক পৰীক্ষাত অৱতীৰ্ণ কৰাব। দেশখনৰ জনসাধাৰণে যদি দলটোক সঁচাকৈয়ে আঁকোৱালি লৈছে তেন্তে নিৰ্বাচন মাওইষ্টসকলৰ পক্ষে যোৱাটো নিশ্চিত আৰু যদি সেয়া নহয় তেন্তে মাওইষ্টসকলে তেওঁলোকৰ সংগ্ৰামখনক পুনৰ বিশ্লেষণ কৰাৰ সুযোগ পাব। মুঠতে নেপালৰ দৰে ক্ষুদ্ৰ দেশখনত মাওইষ্টসকলে যি কৰিছে সেয়া আজিৰ বিশ্ব ৰাজনীতিত গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হ'ব লাগিলে নিৰ্বাচনকো কৌশল হিচাপে ল'ব লাগিব। নিৰ্বাচনত যদি মাওইষ্টসকলে একক সংখ্যাগৰিষ্ঠতা লাভ কৰে তেন্তে নেপালত গণতান্ত্ৰিক চিত্ৰ অন্যধৰণৰ হ'ব। সাম্ৰাজ্যবাদী দুৰ্গৰ চকুত ধূলি দি মাওইষ্টসকলে তেওঁলোকৰ বিপ্লৱী কাৰ্যসূচী অধিক ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰাৰ সুযোগ লাভ কৰিব। সেই বাবে বৰ্তমান মুহূৰ্তত তথা নেপালৰ ভৌগোলিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত চি পি এন (মাওইষ্ট)ৰ বাবে এক নতুন সম্ভাৱনা আহি পৰিছে, এক নতুন সুযোগ সৃষ্টি হৈছে। বিদ্ৰোহী নেতা প্ৰচণ্ডই এই সুযোগ কামত লগাবলৈ কেনেধৰণৰ কৌশল গ্ৰহণ কৰে সেয়া হ'ব ভৱিষ্যৎ দিনৰ লক্ষণীয় বিষয়। ■

# জনগণ

মাহেকীয়া বাৰ্তালোচনী

*প্ৰথম বছৰ ঃ প্ৰথম সংখ্যা ঃ জুলাই, ২০০৬*

*মূল্য ঃ ১০ টকা*

## এই সংখ্যাত


- নেপালত ৰাজনৈতিক পট পৰিৱৰ্তন ঃ ৰঞ্জন বাউল /৩
- কৃষক বিপ্লৱৰ প্ৰেক্ষাপটত বিপ্লৱী বিষ্ণু ৰাভা ঃ জীৱন /৫
- অসমৰ বানপানী ঃ কাৰণ আৰু সম্ভাব্য প্ৰতিকাৰ ঃ ইছমাইলহোছেইন (জ্যেষ্ঠ) /৮
- আদিবাসী মহিলা ঃ স্থিতি আৰু সংগ্ৰাম ঃ বৰ্ণালী /১২
- সংগ্ৰামী আদিবাসীৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ ভেৰোণীয়া বাহিনীয়ে দণ্ডকাৰণ্যত চলাইছে 'ছালৱা জুডুম'ৰ নামত নৰমেধ ঃ গিৰীন্দ্ৰ শইকীয়া /১৩
- সাম্ৰাজ্যবাদৰ কব্জাত ইৰাণঃভাৰতৰ নিৰ্লজ্জ আত্মসমৰ্পণ ঃ অনুবাদ ঃ প্ৰাঞ্জল প্ৰতীম শৰ্মা /১৬
- বিষাক্ত কোক্ উদ্যোগে মৃত্যু মাতিছে অসমীয়াৰ প্ৰদূষণৰ বিৰুদ্ধে ঐক্যবদ্ধ গণআন্দোলনত জনগণ ঃ কল্যাণ /২২
- বৰদুৱাৰত চাহ বাগানৰ মালিকে চলাইছে ৰায়ত উচ্ছেদাভিযান ঃ প্ৰতিৰোধমুখী হৈ উঠিছে দুখীয়া কৃষক দীপজ্যোতি /২৫
- কবিতা ঃ অনিল বড়ো, মিনি দাস, গোপাল কলিতা প্ৰণৱ, দেৱজিৎ, নিজৰা ডেকা, দীপ কলিতা, পুলক দাস /২৭-৩০
- চৰকাৰী স্বাস্থ্যসেৱাৰ চূড়ান্ত ভণ্ডামি গ্ৰামাঞ্চলত মেলেৰিয়াৰ তাণ্ডৱ ঃ নীতিকাশ মহন্ত /৩১
- বহুজাতিকৰ পন্য 'ভাৰত কণ্ঠ' ঃ দেৱজিতৰ দৰে শিল্পীয়ে কাৰ স্বাৰ্থ পূৰণ কৰে? ঃ দীনেশ দাস /৩৩


সম্পাদক/প্ৰকাশক ঃ দীনেশ দাস
কাৰ্যবাহী সম্পাদক ঃ গিৰীন্দ্ৰ শইকীয়া
যোগাযোগৰ ঠিকনা ঃ
ৰেইনবো অফছেট প্ৰেছ
ভি আই পি, গুৱাহাটী-১৫
ই-মেইল ঃ girin_saikia@yahoo.com

সম্পাদকীয়

## জনতাৰ সংকটকালৰ চিন্তা

পুনৰ এখন বাৰ্তালোচনী জন্মৰ কথাটোক হয়তো বহুজনে আওকাণ কৰিব অথবা ক'ব -'আৰু এখন আলোচনীৰনো কি প্ৰয়োজন আছে।' বজাৰত ইমানবোৰ কাকত-আলোচনীৰ পয়োভৰৰ পিছতো কিনো বিশেষ কথা আছে যাৰ বাবে আকৌ এখন বাৰ্তালোচনী প্ৰকাশ কৰিব লাগে! তেনে দৃষ্টিকোণৰ পৰা চালে কথাষাৰৰ সত্যতা নাই বুলিও ক'ব নোৱাৰি। এটা কথা ঠিক যে গৰিষ্ঠসংখ্যক ৰাইজৰ সমস্যাবোৰ ক্ৰমাৎ বৃদ্ধি হোৱাৰ লগে লগে এই সমস্যাবোৰৰ পৰা পৰিত্ৰান পাবলৈ ৰাইজ সমানে তৎপৰ হ'ব বিচাৰে। কিন্তু ৰাইজ পুনৰ বিফল হয়। উদাহৰণস্বৰূপে শেহতীয়াকৈ সম্পন্ন হোৱা বিধানসভাৰ নিৰ্বাচনটোলৈ লক্ষ্য কৰিব পাৰি। দ্বাদশ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি অসমত থকা বাতৰি কাকতবোৰ প্ৰায়ে দুটা ভাগত বিভক্ত হোৱা দেখা গ'ল। অৰ্থাৎ প্ৰচলিত ৰাষ্ট্ৰ ব্যৱস্থাত নিৰ্বাচনক বিশেষ গুৰুত্ব প্ৰদান কৰি কাকতবোৰে মোটামুটিভাৱে দুটা শিবিৰত বিভাজিত হৈ ৰাইজক নিৰ্বাচনৰ দুই-তিনিমাহ আগৰে পৰা এনেদৰে বুজোৱাৰ চেষ্টা কৰে—

(১) শাসনাধিষ্ঠ দলটোৱে দুৰ্নীতিৰ ক্ষেত্ৰত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ভ্ৰষ্টাচাৰী ৰূপ গ্ৰহণ কৰিছে। সমস্যাবোৰ সমাধান কৰাত ব্যৰ্থ... গতিকে এইবাৰ এই

দলটোক শাসনভাৰ দিব নালাগে আৰু মুখ্যবিৰোধী দলটোক শাসনলৈ আনিব লাগে। এই বিৰোধী দলটোৰ নেতা-কৰ্মীয়ে বিশেষকৈ প্ৰতিদ্বন্দ্বিতা কৰাসকলে অমুক কৰিম তমুক কৰিম বুলি মৰা ওফাইদাংবোৰকে সাৰোগত কৰি দলটোক একপ্ৰকাৰ জয়ী কৰাৰ ঠিকা লোৱাৰ দৰে যি কোনো প্ৰকাৰে হোৱাই-নোহোৱাই কিছু তথ্য (দলটোৰ উপযোগীকৈ) সন্নিবিষ্ট কৰি বা-বাতৰি প্ৰচাৰ কৰে।

(২) শাসকীয় দলটোৱে দুই-এজনৰ ওপৰত চৰকাৰৰ বিফলতাৰ সমস্ত দোষ জাপি দি বেয়া (কাকত শিবিৰৰ মতে) মন্ত্ৰী-এম এল এ দুই-এজনক আঁতৰাই অন্য কেইজনমান নতুন ডেকা তথা নিকা ব্যক্তিক টিকট দিলেই দলটোৱে পুনৰাই ক্ষমতালৈ আহিব পৰিব...ইত্যাদি ধৰণৰ ধাৰণা একোটা প্ৰতিষ্ঠা কৰিব খোজে আৰু বিৰোধী দলবোৰক আগতে অমুক কৰা নাছিল, এইবাৰ জানো কৰা সম্ভৱ— বিৰোধী দলবোৰ হেন-তেন আদি প্ৰচাৰ কৰি গালি-গালাজ আৰম্ভ কৰে। এইবিলাকৰ অন্তৰালত ন্যস্তস্বাৰ্থ জড়িত মহলৰ নিজ অভিসন্ধি লুকাই থাকে।

এনেধৰণেৰেই অধিকাংশ কাকত -আলোচনীয়ে বৰ্তমান ভূমিকা লৈ আহিছে। যদি বিগত তিনি-চাৰিটা মাহ নিৰ্বাচনৰ আগৰ কাকতসমূহ মেলি চোৱা যায় তেন্তে দেখা যাব তেতিয়াৰ ভূমিকাতো আজিৰ তুলনাত একো তফাৎ নাছিল। নিৰ্বাচনপূৰ্ব সময়ছোৱাত অধিকাংশ কাকতৰ স্ব-বিৰোধিতাও জল জল পট্ পট্‌কৈ ওলাই পৰে। 'শাদিয়াৰ পৰা ধুবুৰীলৈ আঞ্চলিকতাবাদৰ জোৱাৰ' দেখা সাংবাদিকে আঞ্চলিক ৰাজনীতিকক বাতৰি কাকতৰ পাততে হ'লেও ডুবাবলৈ ৰাতিটোৰ ভিতৰতে নিজক প্ৰস্তুত কৰি তুলিব পাৰে। এনেধৰণৰ ঘটনাৰ অন্তৰালত দৰ-দামৰ কথা জড়িত হৈ থাকে বুলি শুনিছো। সেয়ে ভয়াবহ নিবনুৱা সমস্যা, কৃষকৰ মাটিৰ সমস্যা, বছৰি বছৰি ক্ৰমশঃ ভয়াৱহ হৈ অহা বান-গৰাখহনীয়াৰ সমস্যা, যুগ যুগ ধৰি বসবাস কৰা থলুৱা নাগৰিকসকলৰ সাধাৰণ মাটিৰ পট্টাখন পৰ্যন্ত নোপোৱাৰ সমস্যা তল পৰি যায়। বিপৰীতে একাংশ চাহ পুঁজিপতি, জমিদাৰ বৃহৎ পৰিমাণৰ ভূমি তথা অন্যান্য সম্পদৰ মালিক হয়। একেদৰে খাদ্য, শিক্ষা আৰু স্বাস্থ্যসেৱা খণ্ডয়ো যে আজি সাধাৰণ জনগণৰ হিত সাধন কৰা নাই সেয়া ওলাই পৰিছে। জনস্বাস্থ্যৰ নামত যে একাংশ বনিয়া-বুৰ্জোৱাই লুণ্ঠন চলাবলৈ সক্ষম হৈছে তাৰ কাৰণনো কি? ৰাইজৰ সমস্যাবোৰ সমাধান নোহোৱাৰ অন্তৰালত কি কাৰণ লুকাই আছে? এইবোৰ মূল কথালৈ স্বাৰ্থজড়িত মহল যাব নোখোজে। প্ৰচলিত ৰাষ্ট্ৰব্যৱস্থাই সমস্যাবোৰ সমাধান কৰিব নোৱাৰি স্তূপীকৃত আকাৰত দ'মাই থোৱাৰ ব্যৱস্থা কৰিছে। এই মূল বিষয়বোৰ কাকতবোৰত প্ৰায়ে দেখা নাযায়। অৰ্থাৎ নিৰপেক্ষতাৰ নামত, দেশসেৱাৰ নামত ব্যৱসায়িক স্বাৰ্থ অক্ষুণ্ণ ৰাখি মৌনতা পালন কৰে। ফলস্বৰূপেই জনগণৰ সমস্যাবোৰে আজি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে আৰু ইয়াৰ বিৰুদ্ধে জনগণৰ প্ৰতিৰোধী শক্তিয়ে ঐক্যবদ্ধভাৱে প্ৰতিবাদ তথা প্ৰতিৰোধ গঢ়ি তুলিব নোৱৰাৰ পৰিণতিত সমস্যাবোৰে পৰ্বতসম আকাৰ গ্ৰহণ কৰি আহিছে। এনে পৰিস্থিতিত আমি ভাবো এই মুহূৰ্তত জনগণে মূৰ তুলিব লাগে। ৰাইজে নিজে নিজৰ ভাগ্য গঢ়াৰ ইতিহাসৰ উদাহৰণ বিশ্বৰ চৌদিশে অলেখ আছে। শোষিত-নিস্পেষিত জনগণ তথা খাটিখোৱা মানুহৰ স্বাৰ্থ আৰু শাসকৰ স্বাৰ্থৰ মাজৰ শ্ৰেণী বিভাজন সুস্পষ্ট হৈ যোৱাৰ পিছত আজি জনগণৰ পক্ষ লোৱা বাতৰি কাকত নাইবা আলোচনী মাথোঁ এখন কিয় হেজাৰে হেজাৰে প্ৰকাশ পাব লাগিছিল— প্ৰকাশ পাব লাগে। বৰ্তমান সাম্ৰাজ্যবাদী আগ্ৰাসনৰ ন-ন কৌশলৰ বিপৰীতে জনগণ যেন একেই স্তৰতে আছে। অৰ্থাৎ দেশী-বিদেশী লুণ্ঠনকাৰীহঁতৰ শোষণ-লুণ্ঠনত একমাত্ৰ কমিছনৰ আশাত আমাৰ দেশৰ শোষক-শাসক শ্ৰেণীয়ে খাটিখোৱা জনগণক বিভিন্ন কায়দাৰে লুটি আছে। অন্ন, বস্ত্ৰ, শিক্ষা, চিকিৎসা আৰু বাসস্থানৰ দৰে সমস্যাবোৰৰ সমাধান অথবা নিজৰ নিৰাপত্তাৰ বাবে ৰাইজ ওলাব খোজে, গণতান্ত্ৰিক অধিকাৰ তথা প্ৰাপ্য আঁজুৰি আনিব খোজে— এনে মুহূৰ্ততো সমাজৰ বুদ্ধিজীৱী, জ্ঞানী-গুণী লেখক চিন্তাশীল ব্যক্তিসকলে জনগণক সঠিক পথেৰে আগবঢ়াই আনিব বিচৰা নাই। অৰ্থাৎ এনে বৌদ্ধিক মৌনতাই গৰিষ্ঠসংখ্যক ৰাইজক পিছলৈ টানি ধৰিব খোজা নাইনে? এনেধৰণৰ জ্ঞানী-মানী বুদ্ধিজীৱীসকলক নিশ্চয় স্থিতাৱস্থাবাদী চৰকাৰেই ভাল পাব। কাৰণ মান্ধাতা যুগৰ সামন্তীয়তথা বৰ্তমানৰ সাম্ৰাজ্যবাদী শোষণ-শাসন বৰ্তাই ৰাখি জনগণক শাসকশ্ৰেণীয়ে চিৰদিন অবদমিত কৰি ৰাখিব বিচাৰে আৰু শাসনৰ ৰাজগাদীক বাপেকৰ পিছত পুতেকে যুগ যুগ ধৰি শোষণৰ থলি হিচাপে ব্যৱহাৰ কৰিব বিচাৰে। জনগণৰ সংকটকালত কোনো পণ্ডিত-লেখকে মৌনতা অৱলম্বন কৰা মানেও শোষক-শাসকক লাভবান্বিত কৰা। তেতিয়াও ৰাইজ পিছপৰি নৰ'বনে?

লুণ্ঠণকাৰী বেপাৰী, ভণ্ড শাসক শ্ৰেণীৰ মুখাৰ অন্তৰালৰ আচল মুখবোৰ ৰাইজক চিনাকি কৰাই দিবলৈ, ৰাইজৰ ফলীয়া প্ৰগতিশীল লেখক, বুদ্ধিজীৱী, সাংবাদিক, চিন্তাবিদসকলক প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে ঐক্যবদ্ধ কৰাটোৱেই হ'ব এই আলোচনীখনৰ মূল উদ্যেশ্য। 'জনগণ' সঁচা অৰ্থত হ'ব জনগণৰ মুখপত্ৰ। ■



বিভিন্ন সম্পদ বাজেয়াপ্ত কৰা আদি কামবোৰ ৰাইজৰ মাজত ব্যাপক হৈ পৰিছিল। বিভিন্ন ঠাইত ঐক্যবদ্ধ কৃষক জনতাই তেওঁলোকৰ সাহস আৰু ত্যাগৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। কিন্তু ৰাষ্ট্ৰ বাহিনীৰ দমনৰ সন্মুখত এই আন্দোলন টিকি নাথাকিল। ৰণনীতিৰ ক্ষেত্ৰত থকা ভুলৰ মূল্য ভৰিবলগা হয় আৰ চি পি আয়ে। সুযোগ লাভ কৰে শাসক গোষ্ঠীয়ে। প্ৰশ্নটো হৈছে ইমান সম্ভাৱনাময় আন্দোলন এটাক সহজতে শাসকগোষ্ঠীয়ে কেনেদৰে ধ্বংস কৰিব পাৰিলে? মূল কথাটোৱে হৈছে বিপ্লৱক পৰিচালনা কৰে তত্ত্বই। সেই তত্ত্ব যদি নিৰ্ভুল নহয় আৰু ৰণ-কৌশলৰ যদি সঠিক প্ৰয়োগ নঘটে তেন্তে বিপ্লৱে সঠিক গতি লাভ কৰিব নোৱাৰে। আৰ চি পি আইৰ ক্ষেত্ৰত সেই কথাবোৰ স্পষ্ট হৈ পৰিছিল। বিপ্লৱৰ ক্ষেত্ৰখনত ৰাষ্ট্ৰ ক্ষমতা দখলৰ ৰণনীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত আৰ চি পি আই ব্যৰ্থ হৈছিল। মাত্ৰ কেইজনমান জমিদাৰ-মহাজনৰ ধন-সম্পদ বাজেয়াপ্ত কৰা জংগী অৰ্থনীতিবাদী আন্দোলনৰ জৰিয়তে ৰাষ্ট্ৰ ক্ষমতা দখল কৰিব যে নোৱাৰি সেয়া আৰ চি পি আইৰ আন্দোলনে স্পষ্ট কৰি দিছিল।

সাম্ৰাজ্যবাদী আৰু দালাল দেশীয় বুৰ্জোৱা তথা ভূ-স্বামী জমিদাৰসকলৰ ৰক্ষণাবেক্ষণতে আছে এইখন দেশৰ শাসকগোষ্ঠী, অৰ্থাৎ ৰাষ্ট্ৰযন্ত্ৰ। এই শাসকগোষ্ঠী কাৰ প্ৰতিনিধি তাক চিহ্নিত কৰি সেই সম্পৰ্কত সঠিক ৰণকৌশল গ্ৰহণ কৰিব নোৱাৰিলে কোনো আন্দোলনৰে আয়ুস দীঘলীয়া নহয়। আৰ চি পি আইৰ আন্দোলন থান-বান হোৱাৰ কাঁৰণো একেটাই। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আৰ চি পি আই তথা বিষ্ণু ৰাভাৰ কৃষক সংগ্ৰামখন গুৰুত্বহীন আছিল। এই সংগ্ৰামখন ব্যৰ্থ হ'লেও ইয়াৰ ৰেঙণি অসমৰ উৰ্বৰ সংগ্ৰামী ক্ষেত্ৰখনত আজিও জ্যোতিষ্মান হৈ আছে। অৰ্থাৎ আজি অসমত বান-গৰাখহনীয়া প্ৰতিৰোধেই হওক বা মাটিৰ পট্টা দাবীৰ কৃষক-শ্ৰমিকৰ সংগ্ৰামেই হওক তাত নিহীত হৈ আছে বিষ্ণু ৰাভা আৰু আৰ চি পি আইৰ পৰা পোৱা প্ৰেৰণা। বিষ্ণু ৰাভা সেই বাবেই প্ৰাসংগিক। সেই বাবে আজিও কৃষক সংগ্ৰামৰ কথা ওলালেই আহি পৰে আৰ চি পি আইৰ কথা। বিষ্ণু ৰাভাৰ জীৱন আদৰ্শ আজি প্ৰয়োজনীয় হৈ পৰিছে ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীবোৰৰ মাজত সমন্বয় ৰক্ষাৰ ক্ষেত্ৰতো। ৰাজ্যজুৰি গোষ্ঠী দাংগা, সমন্বয়হীনতাৰ বিষবোৰ আঁতৰ কৰিবলৈ ৰাভাই দেখুৱাই যোৱা আদৰ্শৰ বাট বিচাৰি ল'ব লাগিব। সাত শতৰুক লাই নিদি অসমীয়াই জাতীয় সমন্বয়ৰ প্ৰশ্নত বিষ্ণু ৰাভাই গ্ৰহণ কৰা পথ আকৌ গ্ৰহণ কৰিব লাগিব। অপ-সংস্কৃতিয়ে বিশ্বায়নৰ কান্ধত উঠি গণসংস্কৃতিৰ মাংস-মজ্জাত যি আঘাত হানিব ধৰিছে তাক প্ৰতিৰোধ কৰিবলৈ ৰাজ্যখনৰ সকলো জনগোষ্ঠীৰ ভাষা-সংস্কৃতিয়ে সমমৰ্যাদা লাভ কৰিব লাগিব। ৰাভাৰ সমন্বয়ৰ বাৰ্তা যদি অসমীয়া জনজীৱনত প্ৰতিফলিত নহয় তেন্তে বিষ্ণু ৰাভাক যি গণশিল্পীৰ মৰ্যাদা দিয়া হৈ আছে, সেয়া হ'ব অন্তঃসাৰশূন্য। আনফালে কৃষক সংগ্ৰামৰ উৰ্বৰ ক্ষেত্ৰখনত বীজ সিঁচিও বিষ্ণু ৰাভাই যি কাম কৰিব নোৱাৰিলে আজিৰ প্ৰজন্মই তাক কৰি দেখুৱাব লাগিব। শ্ৰমিক-কৃষক ৰাইজৰ মাজত বিপ্লৱী আদৰ্শ বিয়পাই এলেকাভিত্তিত কৃষকৰ আত্মনিয়ন্ত্ৰণ গঢ়ি তুলিবলৈ সমগ্ৰ দেশৰ কৃষক জনতাৰ মাজত দীৰ্ঘস্থায়ী জনযুদ্ধক বিপ্লৱৰ প্ৰথম পাঠ হিচাপে আৰম্ভ কৰিব নোৱাৰিলে আজিৰ শ্ৰমিক-কৃষকৰ সংগ্ৰামবোৰো সফল হোৱাৰ কোনো সম্ভাৱনা নাই। এইখিনিতে থাকিব লাগিব তাহানিৰ আৰ চি পি আই আৰু বৰ্তমানৰ সংগ্ৰামী শিবিৰবোৰৰ পাৰ্থক্যটো।

বিষ্ণু ৰাভাই যি পথ আঁকোৱালি লৈছিল তাত বিপ্লৱী লাইন থকা সত্বেও প্ৰয়োগৰ ভুলৰ বাবে সেয়া বিফল হৈছিল। কিন্তু এই সংগ্ৰামৰ পথ পুনৰ অসমত কৃষক ৰাইজৰ মুক্তি সংগ্ৰামৰ পথ হিচাপে গ্ৰহণ কৰাৰ সুযোগ যথেষ্ট আছে যদিহে তাত আৰ চি পি আইৰ পৰৱৰ্তী সময়ৰ সংশোধনী লাইন সংপৃক্ত হৈ নপৰে । বৰ্তমান সময়ত সাম্ৰাজ্যবাদী শিবিৰে বিপ্লৱী পথৰ পৰা শ্ৰমিক-কৃষক শ্ৰেণীক পথচ্যুত কৰিবলৈ আধুনিক সংশোধনবাদীসকলকে বিপ্লৱীৰ আঁৱৰণ পিন্ধাই সম্মুখলৈ তুলি আনিছে। সেয়া অকল আমাৰ দেশৰ ছবি নহয়। তৃতীয় বিশ্বৰ অৰ্ধ-ঔপনীবেশিক আৰু অৰ্ধ-সামন্ততান্ত্ৰিক দেশবোৰত সাম্ৰাজ্যবাদী শিবিৰে এই কৌশল গ্ৰহণ কৰি আহিছে। বহু দেশত বিপ্লৱী শক্তিৰ বিৰুদ্ধে কুৎসা-ৰটনা কৰা কামত আধুনিক সংশোধনবাদী শিবিৰক এইধৰণে ব্যৱহাৰ কৰি সাম্ৰাজ্যবাদী দুৰ্গই নিজৰ প্ৰভুত্ব কায়েম ৰাখিছে। ভাৰতৰ দৰে দেশবোৰত এয়া কোনো নতুন কথা নহয়। কিন্তু বিপ্লৱৰ নিৰ্ভেজাল পথত থাকি বিষ্ণু ৰাভাৰ আদৰ্শৰ বিশ্লেষণ সঠিক ৰূপত কৰিবলৈ গ'লে শ্ৰমিক-কৃষকৰ মুক্তিৰ কথাই প্ৰথমে ক'ব লাগিব। দেশত কৃষকৰাজ বিচৰা ৰাভাৰ জীৱন দৰ্শনে দেখুৱাই দিব নোৱাৰিলে যদিও দীৰ্ঘস্থায়ী জনযুদ্ধৰ প্ৰসংগটোৱেই তাৰ অন্তৰালত নিহিত হৈ আছিল বুলি ক'ব লাগিব। অৰ্থাৎ বিষ্ণু ৰাভা আজিও পাথেয় হ'ব পাৰে তেওঁলোকৰ বাবে, যিসকলে গাঁৱে গাঁৱে প্ৰকৃতাৰ্থত কৃষকৰাজ প্ৰতিষ্ঠা কৰাৰ পক্ষত, কৃষকৰ এলেকাভিত্তিক ক্ষমতা দখলৰ পক্ষত মাও চে তুঙৰ আদৰ্শক আমৃত্যু গ্ৰহণ কৰিছে। অন্যথা বিষ্ণু ৰাভাক গণসংগ্ৰামৰ কাণ্ডাৰী বুলি ভাবি থকাৰ কোনো যুক্তি নাথাকিব। ■

বিশেষ নিবন্ধ



# অসমৰ বানপানী

## কাৰণ আৰু সম্ভাব্য প্ৰতিকাৰ

ইছমইল হোছেইন (জ্যেষ্ঠ)

প্ৰায় প্ৰতিবছৰে বানপানী গৰাখহনীয়াৰ কবলত পৰি জুৰুলা হোৱা ভাৰতৰ অঙ্গৰাজ্যসমূহৰ ভিতৰত অসমৰ স্থান শীৰ্ষত। অসম সঘনাই বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰাৰ ভালেমান কাৰণ আছে। সাম্প্ৰতিক কালত বিস্তৃত ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু বৈজ্ঞানিক বিশ্লেষণৰ যোগেদি অসমৰ বানপানীৰ যিবোৰ কাৰণ নিৰ্ধাৰণ কৰা হৈছে, সেইবোৰৰ ভিতৰত (১) ভূ-প্ৰাকৃতিক গঠন (২) উচ্চ বৃষ্টিপাত (৩) ঢাল বা নতিৰ (slope) প্ৰকৃতি (৪) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে কঢ়িয়াই অনা গেদ (৫) বনাঞ্চল ধ বংস (৬) ভূমিকম্প আৰু (৭) মথাউৰিৰ প্ৰভাবেই প্ৰধান।

(১) ভূ-প্ৰাকৃতিক গঠন ঃ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূ-প্ৰাকৃতিক গঠনৰ বিশেষ বৈশিষ্ট্য আছে। অসমৰ পূবে নামনি হিমালয়ৰ পাৰ্বত্য অঞ্চল, দক্ষিণে মিকিৰ পাহাৰ, খাচীয়া জয়ন্তীয়া আৰু গাৰোপাহাৰৰ সমান্ত ৰালকৈ উত্তৰে ভূটান পৰ্বতমালা। ইয়াৰ মধ্যৱৰ্তী কোমল মাটিৰ সমতল ভূমিয়ে ব্ৰহ্মপুত্ৰ উপত্যকা। জহকালি বংগোপ সাগৰৰ পৰা বৈ অহা মৌচুমী বায়ু এই পৰ্বতলানিত বাধাপ্ৰাপ্ত হোৱাৰ ফলত এই অঞ্চল পৃথিৱীৰ আটাইতকৈ বেছি বৃষ্টিপাত হোৱা অঞ্চলত পৰিণত হৈছে। প্ৰচুৰ বৃষ্টিপাতৰ ফলত উল্লেখিত পৰ্বতলানিৰ পৰা বৈ অহা জলস্ৰোতে ব্ৰহ্মপুত্ৰৰ নানা উপনৈৰ সৃষ্টি কৰিছে। উপনৈসমূহৰ জলধাৰাই এই উপত্যকাৰ বিশাল নদী ব্ৰহ্মপুত্ৰক অধিক প্ৰবল কৰি পৃথিৱীৰ বিংশতিতম্ প্ৰধান নদীত পৰিণত কৰিছে।

কৈলাশ পৰ্বতমালাৰ দক্ষিণ ফালৰ ছেমায়ুংডং হিমপ্ৰবাহৰ পৰা টামচুক খাম্বাৰ নামেৰে উদ্ভূত বিশাল জলধাৰাটিয়ে অসমত ব্ৰহ্মপুত্ৰ নাম লৈ সোমাইছে। অকল অসম অংশতে ব্ৰহ্মপুত্ৰৰ প্ৰধান উপনৈৰ ৬৪ খন আছে সোঁপাৰত আৰু ৪১ খন আছে বাওঁপাৰত। সোঁপাৰৰ সোৱণশিৰি, জীয়াভৰলী, মানাহ, ...কোষ আৰু বাওঁপাৰৰ দিবং, লোহিত, বুঢ়ীদিহিং, ধনশিৰি, আৰু কপিলি প্ৰত্যেকৰে একোখনকৈ বৃহৎ অপবাহতন্ত্ৰ আছে। অসমত পৰা ১০৫ খন প্ৰথম বৰ্গৰ উপনৈৰ উপৰিও ১২৬ খন দ্বিতীয় বৰ্গৰ, ৫২ খন তৃতীয় বৰ্গৰ, ২০ খন চতুৰ্থ বৰ্গৰ আৰু অসংখ্য সৰু সৰু শীৰ্ষ প্ৰবাহ নলাই জুৰি আছে।

(২) উচ্চ বৃষ্টিপাত ঃ ব্ৰহ্মপুত্ৰৰ অৱবাহিকা অঞ্চলত বছৰি গড়ে ১৫০৮ মি. মিটাৰৰ পৰা ৪০৬০ মিলিমিটাৰলৈ বৰষুণ হয়। বেছিভাগ বৰষুণ হয় গ্ৰীষ্মকালত। একে সময়তে হিমালয়ৰ নামনি অংশত বৰফ গলিবলৈ ধৰে। ইয়াৰ ফলত প্ৰতিবৰ্গ কিলোমিটাৰ ঠাইৰ পৰা ছেকেণ্ডত গড়ে প্ৰায় ৩.৩ ঘনমিটাৰ পানী বিভিন্ন উপনৈৰে ব্ৰহ্মপুত্ৰৰ বুকুলৈ নামি আহে। পৃথিৱীৰ আন কোনো ঠাইতে ইমান কম সময়ত এই পৰিমাণ পানী নামি অহাৰ দৃষ্টান্ত পাবলৈ নাই। ইয়াৰে বেছিভাগ পানী বিভিন্ন উপনৈৰে ব্ৰহ্মপুত্ৰৰ বুকুলৈ নামি আহে। ব্ৰহ্মপুত্ৰৰ মুঠ জলপ্ৰবাহৰ ৮২ ভাগ বাৰিষা (মে'-ছেপ্তেম্বৰ) আৰু ১৮ ভাগ খৰালি কালত প্ৰবাহিত হয়।

(৩) ঢাল বা নতিৰ প্ৰকৃতি ঃ ব্ৰহ্মপুত্ৰৰ তলিভাগৰ ঢাল (slope) বা নতিৰ গঠনেও বানপানী সৃষ্টিত অৰিহণা যোগাইছে। উৎসমুখত ব্ৰহ্মপুত্ৰ নদী সমুদ্ৰ পৃষ্ঠৰ পৰা ৫১৫০ মিটাৰ উচ্চতাত অৱস্থান কৰিছে। পাৰ্বত্য অঞ্চলত প্ৰতি কিলোমিটাৰত ইয়াৰ ঢাল গড়ে ১০ মিটাৰৰো অধিক। সেয়ে,



বিশ্লেষণ



# কৃষক বিপ্লৱৰ প্ৰেক্ষাপটত বিপ্লৱী বিষ্ণু ৰাভা

জীৱন

দৰঙৰ পথৰুঘাট, নগাঁৱৰ ফুলগুৰি, কামৰূপৰ ৰঙিয়া, সৰ্থেবাৰী....। এই ঠাইবোৰে অসমত গভীৰভাবে বিশ্লেষণ নোহোৱা কিছুমান অলিখিত ইতিহাসৰ স্বাক্ষৰ বহন কৰি আছে। এই ইতিহাসক সৰোগত কৰিবলৈ গ'লে কৃষক সংগ্ৰামৰ সোণসেৰীয়া অধ্যায়ৰ শিহৰণকাৰী ঘটনাবোৰ পাতপাতকৈ মনৰ মাজলৈ আহি পৰে। ঔপনিবেশিক ব্ৰিটিছ শক্তিৰ বিৰুদ্ধে অসমৰ কৃষক ৰাইজে আৰম্ভ কৰা কালজয়ী সংগ্ৰামবোৰ ইতিহাস ভেদি আজিৰ সময়লৈ আহি পৰে। আজিৰ বাস্তৱতাত সেই সংগ্ৰামবোৰ দাপোনত প্ৰতিফলিত হ'বলৈ ধৰে। ঔপনিবেশিক ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে, ঔপনিবেশিক দমনৰাজৰ বিৰুদ্ধে অসমৰ কৃষকৰাইজে বিভিন্ন জিলাত বিচ্ছিন্নভাবে যিবোৰ সংগ্ৰাম সংগঠিত কৰিছিল সেই সংগ্ৰামবোৰৰ উৰ্বৰতাৰ ফচল হিচাপে ৰাজ্যখনত পৰৱৰ্তী সময়ত কেইবাটাও বৃহৎ বিক্ষোভ তথা বিদ্ৰোহ সংগঠিত হৈছিল। সমগ্ৰ দেশৰ ইতিহাসত অসমৰ কৃষক বিদ্ৰোহ আছিল নজিৰবীহিন ঘটনা। ঔপনিবেশিক দমনৰাজৰ বিৰুদ্ধে এনেদৰে কৃষক ৰাইজে প্ৰতিবাদ কৰিবলৈ অহাটো সেইসময়ত সাধাৰণ কথা নাছিল। মূল কাৰণটো আছিল ঔপনিবেশিক বিট্ৰিছ শক্তিৰ লুণ্ঠন তথা দমনৰাজৰ প্ৰথম আঘাতটো আহি পৰিছিল শ্ৰমিক-কৃষকসকলৰ ওপৰত। দেশৰ মধ্যবিত্তসকলৰ বহুসংখ্যকে ঔপনিবেশিক শাসনত সা-সুবিধা ভোগ কৰিছিল। সেইবাবে আন্দোলনবোৰ প্ৰথম অৱস্থাতে সাধাৰণ ৰাইজৰ মাজত ব্যাপিত হৈছিল। অসমতো মধ্যবিত্ত সমাজে আৰম্ভণিতে ব্ৰিটিছৰ অনুগ্ৰহত আৰামী জীৱন কটোৱাৰ সপোন দেখিছিল। কিন্তু শ্ৰমিক-কৃষক তথা সমাজৰ পিষ্ট খাটিখোৱা শ্ৰেণীটোৱে ব্ৰিটিছৰ দমনৰাজত অতিষ্ঠ হৈ পৰিছিল। তাৰ পৰিণতিতে ৰণ-দুন্দুভি বাজি উঠিছিল সাধাৰণ মানুহৰ মাজত। উনৈশ শতিকাৰ ষষ্ঠ দশকটোৰ পৰা অসমৰ বিভিন্ন জিলাত ব্ৰিটিছৰ মাটিৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদত কৃষক ৰাইজে ৰাইজমেল সংগঠিত কৰিছিল। এই ৰাইজমেলবোৰ আছিল দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত সাধাৰণ মানুহক উপনিবেশৰ বিৰুদ্ধে জংগী কৰি তোলাৰ প্ৰথম পাঠ। কিন্তু ইতিহাসৰ সেই গুৰুত্বপূৰ্ণ ঘটনাবোৰক পৰৱৰ্তীসময়ত ইতিহাস প্ৰণেতাসকলে গুৰুত্বপ্ৰদানৰ পৰা বিৰত থকা দেখা যায়। পৰৱৰ্তী সময়ত জালিয়ানৱালাবাগৰ নৰমেধ যজ্ঞক যি গুৰুত্বসহকাৰে পৰ্যালোচনা কৰা হয় সেই একেই গুৰুত্ব কিন্তু পথৰুঘাটৰ কৃষক ৰণ বা নগাঁৱৰ ফুলগুৰিৰ ধেৱাৰ ওপৰত আৰোপ কৰা নহ'ল। চৌৰিচৌৰা, চাম্পাৰণ আদি সকলো বিদ্ৰোহতে সাধাৰণ মানুহৰ ত্যাগ তথা বলিদানক অস্বীকাৰ কৰাৰ উপায় নাই। কিন্তু পথৰুঘাট আৰু ফুলগুৰি কিয় বিদ্ৰোহৰ অনিৰ্বান শিখা হৈও ইতিহাসৰ পাতত নিষ্প্ৰভ হৈ থাকিল সেয়া আশ্চৰ্যৰ বিষয়। বৰঞ্চ এই বিদ্ৰোহবোৰে পৰৱৰ্তী সময়ত আৰ চি পি আইৰ কৃষক সংগ্ৰাম বা টেলেংগানা-টেভেগাৰ কৃষক সংগ্ৰামলৈ ৰেঙণি কঢ়িয়াই নিছিল। এই কৃষক সংগ্ৰামৰ ক্ষেত্ৰখনতে বিচাৰ কৰিবলগীয়া হয় বিষ্ণু ৰাভাৰ দৰে সংগ্ৰামীসকলক। সংগ্ৰামৰ বীজ অংকুৰিত কৰা সেই সৈনিক শিল্পীগৰাকীৰ প্ৰাসংগিকতাক আজিৰ মুহূৰ্তত ৰজাঘৰ তথা দালাল, পেটী বুৰ্জোৱা আৰু বিশ্বায়নৰ মন্ত্ৰ পাঠ কৰি থকা দুষ্কৃতিৰ পথ প্ৰদৰ্শকসকলে অন্যৰূপত প্ৰতিফলিত কৰিব বিচাৰে যদিও মেহনতী মানুহৰ সংগ্ৰামী মজ্জাত তেওঁৰ আদৰ্শ সঠিক ৰূপত বৰ্তি আছে। আদৰ্শগত সেই নিৰ্ভেজাল ক্ষেত্ৰখনত মহীৰূহৰ দৰে খামোছ

মাৰি থকা ৰাভাক শাসক শ্ৰেণী আৰু তথাকথিত গণসংস্কৃতিৰ আখৰাত মত্ত থকাসকলে অন্যৰূপত বিচাৰ কৰিব বিচাৰিলেও সেয়া সম্ভৱ নহয়। কাৰণ বিপ্লৱৰ কাঁইটীয়া পথৰ পৰা বিষ্ণু ৰাভাক কেতিয়াও বিচ্ছিন্ন কৰিব নোৱাৰি। সেই কাঁইটীয়া পথতে বিষ্ণু ৰাভা ত্যাগৰ বন্তি হৈ জিলিকি আছে আৰু তাৰ ৰেঙণিতে মূৰ তুলি উঠিছে আজিও অসমৰ শোষিত-নিষ্পেষিত জনগণৰ বিভিন্ন সংগ্ৰাম।

আন্তৰ্জাতিক ঘটনা প্ৰবাহ, দেশীয় ৰাজনৈতিক অস্থিৰতা, সাম্ৰাজ্যবাদী বিশ্বায়ন তথা জাতীয় সংঘাট আদি সমস্যাবোৰৰ মাজত আজিৰ সাংস্কৃতিক বা ৰাজনৈতিক বিক্ষোভ আন্দোলনবোৰৰ এক নিবিড় সম্পৰ্ক আছে। অৰ্থাৎ এই সমস্ত কাৰকবোৰৰ প্ৰভাব বিক্ষোভ তথা সংগ্ৰামবোৰৰ মাজত অৱধাৰিতভাৱে আহি পৰে। অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰখনত আহি পৰা সকলো ধৰণৰ লুণ্ঠন তথা নিষ্পেষণৰ বিৰুদ্ধে সাধাৰণ মানুহৰ ক্ষোভ যিমানেই সংগঠিত ৰূপত প্ৰকাশ পাবলৈ ধৰিছে সিমানেই উদাৰীকৰণ তথা ব্যক্তিগতকৰণ নতুন ৰূপত আগ্ৰাসী হৈ পৰিছে। এই বাস্তৱ পৰিস্থিতিতে বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে বিষ্ণু ৰাভা আৰু আৰ চি পি আইৰ কৃষক বিদ্ৰোহক। দেশজুৰি চি পি আইৰ নেতৃত্বত সংগ্ৰামৰ ফিৰিঙতি ব্যাপিত হৈছিল যদিও স্বাধীনতা সংগ্ৰামৰ অন্তিম সময়ছোৱাত অসমত মূল কৃষক সংগ্ৰামৰ ভেটি মজবুট কৰিছিল আৰ চি পি আয়েহে। বিষ্ণু ৰাভা আছিল এই দলৰ পৰাই উচ্চাৰিত এক বিপ্লৱী নাম। আৰ চি পি আইলৈ অহাৰ পূৰ্বে বিষ্ণুৰাভাৰ জীৱনো আছিল বিশৃংখলপূৰ্ণ এক বহেমীয়ান চৰিত্ৰৰ। আৰ চি পি আইৰ সংস্পৰ্শলৈ অহাৰ পিছতহে মাৰ্ক্সবাদ-লেনিনবাদৰ সৈতে ৰাভাৰ চিনাকি হৈছিল। শ্ৰেণী সংগ্ৰাম কি, শ্ৰেণীসংগ্ৰামৰ প্ৰয়োজনীয়তা কিয়, আৰ চি পি আইত যোগদান নকৰা হ'লে বিষ্ণু ৰাভাই হয়তো কোনোদিনে উপলব্ধি কৰিব নোৱাৰিলেহেঁতেন। সামন্তীয় ধ্যান-ধাৰণা আৰু বুৰ্জোৱা গণ্ডীক অতিক্ৰম কৰি ৰাভাই আৰ চি পি আইৰ নেতা হিচাপে ক'ব পাৰিছিল, 'মাৰ্ক্সবাদ-লেনিনবাদে মোৰ চঞ্চল, অস্থিৰ জীৱনলৈ আনি দিছে সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা। সঁচাকৈয়ে গণবিপ্লৱৰ জীৱনদৰ্শনক পদাঘাত কৰি কোনো প্ৰকৃত শিল্পী জীয়াই থাকিব নোৱাৰে।' — ৰাভাৰ এই বক্তব্যৰ পৰাই উদ্ভাষিত হৈ পৰিছে যে গণশিল্পীৰ দায়িত্ব বিপ্লৱৰ ক্ষেত্ৰখনত সংপৃক্ত হৈ থাকে। গণজীৱনৰ মুক্তিৰ বাবে যি শিল্পীয়ে ত্যাগ স্বীকাৰ কৰা নাই তেওঁ কেতিয়াও জনতাৰ শিল্পী হ'ব নোৱাৰে। ৰাভাৰ কৰ্ম আৰু জীৱন আদৰ্শই যি সামঞ্জস্য ৰক্ষা কৰিছিল তাৰ বাবে ৰাভা হৈ থাকিল আজিও জনতাৰ শিল্পী, বিপ্লৱৰ কাণ্ডাৰী। অকল ৰাভাই নহয়, আৰ চি পি আইৰ কৃষক বিপ্লৱো হৈ থাকিল এক সোণালী অধ্যায়। কিন্তু এটা কথা ঠিক যে আৰ চি পি আইৰ নেতৃত্বত সংগঠিত কৃষক সংগ্ৰামে বাস্তৱ তথা বিপ্লৱী-কৰ্মসূচী গ্ৰহণৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা বাবে ইয়াক দীৰ্ঘস্থায়ী ৰূপ দিয়াত বিফল হয়। সেই সময়ৰ দেশীয় পটভূমিত সংগ্ৰামখন আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যথেষ্ট সুযোগ আছিল। প্ৰত্যাহ্বান আছিল যদিও সেয়া আজিৰ দৰে ভয়ংকৰ তথা কঠিন নাছিল। তৎসত্বেও সেই সংগ্ৰাম ব্যৰ্থ হোৱাৰ অন্তৰালতে নিহিত হৈ আছে বাস্তৱতাক উপলব্ধি কৰাৰ বিপৰীতে আৱেগসৰ্বস্ব কিছু কৰ্মসূচী গ্ৰহণ। যাহক, আৰ চি পি আয়ে কিন্তু অসমত কৃষক সংগ্ৰামৰ ঐতিহাসিক ক্ষেত্ৰখন আকৌ এবাৰ চহাইছিল। সেইবাবে দেশৰ বিপ্লৱী ইতিহাসত এই কৃষক সংগ্ৰামৰ ঘটনা এক সোণালী অধ্যায়। ১৯৪৭ চনৰ ১৫ আগষ্টত দেশে ঔপনিবেশিক শিবিৰৰ হাতৰ পৰা হস্তান্তৰিত হোৱা ক্ষমতালাভক স্বাধীনতা দিৱস ৰূপে পালন কৰাত অসমত আৰ চি পি আয়ে ক'লা পতাকা উৰুৱাই প্ৰতিবাদ সাব্যস্ত কৰা ঘটনা আছিল কৃষক সংগ্ৰামৰ লগতে পৰিৱৰ্তনকামী শিবিৰৰ বাবে এক ইতিবাচক দিশ। বিষ্ণু ৰাভা তথা তেওঁৰ সতীৰ্থসকলে এই তথাকথিত স্বাধীনতাৰ বিৰোধিতা কৰাৰ লগতে এই স্বাধীনতাক ভুৱা আখ্যা দি সমাজতান্ত্ৰিক বিপ্লৱৰ বাবে ৰাইজক আহ্বান জনাইছিল। এই বিপ্লৱৰ পথ আছিল সশস্ত্ৰ। অসম বনুৱা কৃষক পঞ্চায়ত, নাৰী মুক্তি সংঘ, বিপ্লৱী ছাত্ৰ সংঘ আদি আৰ চি পি আইৰ বিভিন্ন গণ সংগঠনে ৰাজ্যজুৰি আন্দোলন ব্যাপক কৰি তুলিছিল। আন্দোলনৰ উত্তেজনা আছিল ১৯৪৮ চনৰ পৰা ১৯৫১ চনলৈ। চৰকাৰে এই আন্দোলনক বে-আইনী ঘোষণা কৰি কুখ্যাত কুমাও ৰেজিমেণ্টৰ দ্বাৰা আৰম্ভ কৰে পুলিচী দমনৰাজ। কমৰেড খগেন বৰবৰুৱা, বুদ্ধ বৰুৱা, বাণেশ্বৰ শইকীয়া, অম্বু বৰা, মোহনলাল মুখাৰ্জী, নিহাৰ মুখাৰ্জী, গোপাল দাস, মোহন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, প্ৰাণেশ্বৰ দাস, পৰমেশ্বৰ দাস, যোগেশ দাস প্ৰভৃতি বিপ্লৱী কৃষক নেতাসকলে আত্মগোপন কৰিব লগা হয়। বহু বিপ্লৱীয়ে গ্ৰেপ্তাৰ বৰণ কৰাৰ উপৰি বহুজনে সেনা-আৰক্ষীৰ নিৰ্যাতন সহ্য কৰিব লগা হয়। কামৰূপৰ পলাশবাৰী, বেলতলা, বকো, লখৰা, বঙৰা তথা বৰপেটা-নলবাৰীৰ বিভিন্ন অঞ্চলকে ধৰি সমগ্ৰ ৰাজ্যখনৰে বিভিন্ন গ্ৰামাঞ্চলত এই আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। আৰম্ভ হয় আৰ চি পি আইৰ কেডাৰসকলৰ নেতৃত্বত গাঁৱে গাঁৱে পঞ্চায়তৰাজ, গণআদালতত বিচাৰ কৰি জমিদাৰ-মহাজনৰ ভঁৰাল ভঙা, বিভিন্ন সম্পদ বাজেয়াপ্ত কৰা আদি কামবোৰ ৰাইজৰ মাজত ব্যাপক হৈ পৰিছিল। বিভিন্ন ঠাইত ঐক্যবদ্ধ কৃষক জনতাই তেওঁলোকৰ সাহস আৰু ত্যাগৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। কিন্তু ৰাষ্ট্ৰ বাহিনীৰ দমনৰ সন্মুখত এই আন্দোলন টিকি নাথাকিল। ৰণনীতিৰ ক্ষেত্ৰত থকা ভুলৰ মূল্য ভৰিবলগা হয় আৰ চি পি আয়ে। সুযোগ লাভ কৰে শাসক গোষ্ঠীয়ে। প্ৰশ্নটো হৈছে ইমান সম্ভাৱনাময় আন্দোলন এটাক সহজতে শাসকগোষ্ঠীয়ে কেনেদৰে ধ্বংস কৰিব পাৰিলে? মূল কথাটোৱে হৈছে বিপ্লৱক পৰিচালনা কৰে তত্ত্বই। সেই তত্ত্ব যদি নিৰ্ভুল নহয় আৰু ৰণ-কৌশলৰ যদি সঠিক প্ৰয়োগ নঘটে তেন্তে বিপ্লৱে সঠিক গতি লাভ কৰিব নোৱাৰে। আৰ চি পি আইৰ ক্ষেত্ৰত সেই কথাবোৰ স্পষ্ট হৈ পৰিছিল। বিপ্লৱৰ ক্ষেত্ৰখনত ৰাষ্ট্ৰ ক্ষমতা দখলৰ ৰণনীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত আৰ চি পি আই ব্যৰ্থ হৈছিল। মাত্ৰ কেইজনমান জমিদাৰ-মহাজনৰ ধন-সম্পদ বাজেয়াপ্ত কৰা জংগী অৰ্থনীতিবাদী আন্দোলনৰ জৰিয়তে ৰাষ্ট্ৰ ক্ষমতা দখল কৰিব যে নোৱাৰি সেয়া আৰ চি পি আইৰ আন্দোলনে স্পষ্ট কৰি দিছিল।

সাম্ৰাজ্যবাদী আৰু দালাল দেশীয় বুৰ্জোৱা তথা ভূ-স্বামী জমিদাৰসকলৰ ৰক্ষণাবেক্ষণতে আছে এইখন দেশৰ শাসকগোষ্ঠী, অৰ্থাৎ ৰাষ্ট্ৰযন্ত্ৰ। এই শাসকগোষ্ঠী কাৰ প্ৰতিনিধি তাক চিহ্নিত কৰি সেই সম্পৰ্কত সঠিক ৰণকৌশল গ্ৰহণ কৰিব নোৱাৰিলে কোনো আন্দোলনৰে আয়ুস দীঘলীয়া নহয়। আৰ চি পি আইৰ আন্দোলন থান-বান হোৱাৰ কাৰণো একেটাই। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আৰ চি পি আই তথা বিষ্ণু ৰাভাৰ কৃষক সংগ্ৰামখন গুৰুত্বহীন আছিল। এই সংগ্ৰামখন ব্যৰ্থ হ'লেও ইয়াৰ ৰেঙণি অসমৰ উৰ্বৰ সংগ্ৰামী ক্ষেত্ৰখনত আজিও জ্যোতিষ্মান হৈ আছে। অৰ্থাৎ আজি অসমত বান-গৰাখহনীয়া প্ৰতিৰোধেই হওক বা মাটিৰ পট্টা দাবীৰ কৃষক-শ্ৰমিকৰ সংগ্ৰামেই হওক তাত নিহীত হৈ আছে বিষ্ণু ৰাভা আৰু আৰ চি পি আইৰ পৰা পোৱা প্ৰেৰণা। বিষ্ণু ৰাভা সেই বাবেই প্ৰাসংগিক। সেই বাবে আজিও কৃষক সংগ্ৰামৰ কথা ওলালেই আহি পৰে আৰ চি পি আইৰ কথা। বিষ্ণু ৰাভাৰ জীৱন আদৰ্শ আজি প্ৰয়োজনীয় হৈ পৰিছে ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীবোৰৰ মাজত সমন্বয় ৰক্ষাৰ ক্ষেত্ৰতো। ৰাজ্যজুৰি গোষ্ঠী দাংগা, সমন্বয়হীনতাৰ বিষবোৰ আঁতৰ কৰিবলৈ ৰাভাই দেখুৱাই যোৱা আদৰ্শৰ বাট বিচাৰি ল'ব লাগিব। সাত শতৰুক লাই নিদি অসমীয়াই জাতীয় সমন্বয়ৰ প্ৰশ্নত বিষ্ণু ৰাভাই গ্ৰহণ কৰা পথ আকৌ গ্ৰহণ কৰিব লাগিব। অপ-সংস্কৃতিয়ে বিশ্বায়নৰ কান্ধত উঠি গণসংস্কৃতিৰ মাংস-মজ্জাত যি আঘাত হানিব ধৰিছে তাক প্ৰতিৰোধ কৰিবলৈ ৰাজ্যখনৰ সকলো জনগোষ্ঠীৰ ভাষা-সংস্কৃতিয়ে সমমৰ্যাদা লাভ কৰিব লাগিব। ৰাভাৰ সমন্বয়ৰ বাৰ্তা যদি অসমীয়া জনজীৱনত প্ৰতিফলিত নহয় তেন্তে বিষ্ণু ৰাভাক যি গণশিল্পীৰ মৰ্যাদা দিয়া হৈ আছে, সেয়া হ'ব অন্তঃসাৰশূন্য। আনফালে কৃষক সংগ্ৰামৰ উৰ্বৰ ক্ষেত্ৰখনত বীজ সিঁচিও বিষ্ণু ৰাভাই যি কাম কৰিব নোৱাৰিলে আজিৰ প্ৰজন্মই তাক কৰি দেখুৱাব লাগিব। শ্ৰমিক-কৃষক ৰাইজৰ মাজত বিপ্লৱী আদৰ্শ বিয়পাই এলেকাভিত্তিত কৃষকৰ আত্মনিয়ন্ত্ৰণ গঢ়ি তুলিবলৈ সমগ্ৰ দেশৰ কৃষক জনতাৰ মাজত দীৰ্ঘস্থায়ী জনযুদ্ধক বিপ্লৱৰ প্ৰথম পাঠ হিচাপে আৰম্ভ কৰিব নোৱাৰিলে আজিৰ শ্ৰমিক-কৃষকৰ সংগ্ৰামবোৰো সফল হোৱাৰ কোনো সম্ভাৱনা নাই। এইখিনিতে থাকিব লাগিব তাহানিৰ আৰ চি পি আই আৰু বৰ্তমানৰ সংগ্ৰামী শিবিৰবোৰৰ পাৰ্থক্যটো।

বিষ্ণু ৰাভাই যি পথ আঁকোৱালি লৈছিল তাত বিপ্লৱী লাইন থকা সত্বেও প্ৰয়োগৰ ভুলৰ বাবে সেয়া বিফল হৈছিল। কিন্তু এই সংগ্ৰামৰ পথ পুনৰ অসমত কৃষক ৰাইজৰ মুক্তি সংগ্ৰামৰ পথ হিচাপে গ্ৰহণ কৰাৰ সুযোগ যথেষ্ট আছে যদিহে তাত আৰ চি পি আইৰ পৰৱৰ্তী সময়ৰ সংশোধনী লাইন সংপৃক্ত হৈ নপৰে । বৰ্তমান সময়ত সাম্ৰাজ্যবাদী শিবিৰে বিপ্লৱী পথৰ পৰা শ্ৰমিক-কৃষক শ্ৰেণীক পথচ্যুত কৰিবলৈ আধুনিক সংশোধনবাদীসকলকে বিপ্লৱীৰ আঁৱৰণ পিন্ধাই সন্মুখলৈ তুলি আনিছে। সেয়া অকল আমাৰ দেশৰ ছবি নহয়। তৃতীয় বিশ্বৰ অৰ্ধ-ঔপনীবেশিক আৰু অৰ্ধ-সামন্ততান্ত্ৰিক দেশবোৰত সাম্ৰাজ্যবাদী শিবিৰে এই কৌশল গ্ৰহণ কৰি আহিছে। বহু দেশত বিপ্লৱী শক্তিৰ বিৰুদ্ধে কুৎসা-ৰটনা কৰা কামত আধুনিক সংশোধনবাদী শিবিৰক এইধৰণে ব্যৱহাৰ কৰি সাম্ৰাজ্যবাদী দুৰ্গই নিজৰ প্ৰভুত্ব কায়েম ৰাখিছে। ভাৰতৰ দৰে দেশবোৰত এয়া কোনো নতুন কথা নহয়। কিন্তু বিপ্লৱৰ নিৰ্ভেজাল পথত থাকি বিষ্ণু ৰাভাৰ আদৰ্শৰ বিশ্লেষণ সঠিক ৰূপত কৰিবলৈ গ'লে শ্ৰমিক-কৃষকৰ মুক্তিৰ কথাই প্ৰথমে ক'ব লাগিব। দেশত কৃষকৰাজ বিচৰা ৰাভাৰ জীৱন দৰ্শনে দেখুৱাই দিব নোৱাৰিলে যদিও দীৰ্ঘস্থায়ী জনযুদ্ধৰ প্ৰসংগটোৱেই তাৰ অন্তৰালত নিহিত হৈ আছিল বুলি ক'ব লাগিব। অৰ্থাৎ বিষ্ণু ৰাভা আজিও পাথেয় হ'ব পাৰে তেওঁলোকৰ বাবে, যিসকলে গাঁৱে গাঁৱে প্ৰকৃতাৰ্থত কৃষকৰাজ প্ৰতিষ্ঠা কৰাৰ পক্ষত, কৃষকৰ এলেকাভিত্তিক ক্ষমতা দখলৰ পক্ষত মাও চে তুঙৰ আদৰ্শক আমৃত্যু গ্ৰহণ কৰিছে। অন্যথা বিষ্ণু ৰাভাক গণসংগ্ৰামৰ কাণ্ডাৰী বুলি ভাবি থকাৰ কোনো যুক্তি নাথাকিব। ■

OKDISCD

বিশেষ নিবন্ধ



# অসমৰ বানপানী

## কাৰণ আৰু সম্ভাব্য প্ৰতিকাৰ

ইছমইল হোছেইন (জ্যেষ্ঠ)

প্ৰায় প্ৰতিবছৰে বানপানী গৰাখহনীয়াৰ কবলত পৰি জুৰুলা হোৱা ভাৰতৰ অঙ্গৰাজ্যসমূহৰ ভিতৰত অসমৰ স্থান শীৰ্ষত। অসম সঘনাই বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰাৰ ভালেমান কাৰণ আছে। সাম্প্ৰতিক কালত বিস্তৃত ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু বৈজ্ঞানিক বিশ্লেষণৰ যোগেদি অসমৰ বানপানীৰ যিবোৰ কাৰণ নিৰ্ধাৰণ কৰা হৈছে, সেইবোৰৰ ভিতৰত (১) ভূ-প্ৰাকৃতিক গঠন (২) উচ্চ বৃষ্টিপাত (৩) ঢাল বা নতিৰ (slope) প্ৰকৃতি (৪) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে কঢ়িয়াই অনা গেদ (৫) বনাঞ্চল ধ বংস (৬) ভূমিকম্প আৰু (৭) মথাউৰিৰ প্ৰভাৱেই প্ৰধান।

(১) ভূ-প্ৰাকৃতিক গঠন ঃ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূ-প্ৰাকৃতিক গঠনৰ বিশেষ বৈশিষ্ট্য আছে। অসমৰ পূবে নামনি হিমালয়ৰ পাৰ্বত্য অঞ্চল, দক্ষিণে মিকিৰ পাহাৰ, খাচীয়া জয়ন্তীয়া আৰু গাৰোপাহাৰৰ সমান্ত ৰালকৈ উত্তৰে ভূটান পৰ্বতমালা। ইয়াৰ মধ্যৱৰ্তী কোমল মাটিৰ সমতল ভূমিয়ে ব্ৰহ্মপুত্ৰ উপত্যকা। জহকালি বংগোপ সাগৰৰ পৰা বৈ অহা মৌচুমী বায়ু এই পৰ্বতলানিত বাধাপ্ৰাপ্ত হোৱাৰ ফলত এই অঞ্চল পৃথিৱীৰ আটাইতকৈ বেছি বৃষ্টিপাত হোৱা অঞ্চলত পৰিণত হৈছে। প্ৰচুৰ বৃষ্টিপাতৰ ফলত উল্লেখিত পৰ্বতলানিৰ পৰা বৈ অহা জলস্ৰোতে ব্ৰহ্মপুত্ৰৰ নানা উপনৈৰ সৃষ্টি কৰিছে। উপনৈসমূহৰ জলধাৰাই এই উপত্যকাৰ বিশাল নদী ব্ৰহ্মপুত্ৰক অধিক প্ৰবল কৰি পৃথিৱীৰ বিংশতিতম্ প্ৰধান নদীত পৰিণত কৰিছে।

কৈলাশ পৰ্বতমালাৰ দক্ষিণ ফালৰ ছেমায়ুংডং হিমপ্ৰবাহৰ পৰা টামচুক খাম্বাৰ নামেৰে উদ্ভূত বিশাল জলধাৰাটিয়ে অসমত ব্ৰহ্মপুত্ৰ নাম লৈ সোমাইছে। অকল অসম অংশতে ব্ৰহ্মপুত্ৰৰ প্ৰধান উপনৈৰ ৬৪ খন আছে সোঁপাৰত আৰু ৪১ খন আছে বাওঁপাৰত। সোঁপাৰৰ সোৱণশিৰি, জীয়াভৰলী, মানাহ, ...কোষ আৰু বাওঁপাৰৰ দিবং, লোহিত, বুঢ়ীদিহিং, ধনশিৰি আৰু কপিলি প্ৰত্যেকৰে একোখনকৈ বৃহৎ অপবাহতন্ত্ৰ আছে। অসমত পৰা ১০৫ খন প্ৰথম বৰ্গৰ উপনৈৰ উপৰিও ১২৬ খন দ্বিতীয় বৰ্গৰ, ৫২ খন তৃতীয় বৰ্গৰ, ২০ খন চতুৰ্থ বৰ্গৰ আৰু অসংখ্য সৰু সৰু শীৰ্ষ প্ৰবাহ নলাই জুৰি আছে।[১]

(২) উচ্চ বৃষ্টিপাত ঃ ব্ৰহ্মপুত্ৰৰ অৱবাহিকা অঞ্চলত বছৰি গড়ে ১৫০৮ মি. মিটাৰৰ পৰা ৪০৬০ মিলিমিটাৰলৈ বৰষুণ হয়। বেছিভাগ বৰষুণ হয় গ্ৰীষ্মকালত। একে সময়তে হিমালয়ৰ নামনি অংশত বৰফ গলিবলৈ ধৰে। ইয়াৰ ফলত প্ৰতিবৰ্গ কিলোমিটাৰ ঠাইৰ পৰা ছেকেণ্ডত গড়ে প্ৰায় ৩.৩ ঘনমিটাৰ পানী বিভিন্ন উপনৈৰে ব্ৰহ্মপুত্ৰৰ বুকুলৈ নামি আহে। পৃথিৱীৰ আন কোনো ঠাইতে ইমান কম সময়ত এই পৰিমাণ পানী নামি অহাৰ দৃষ্টান্ত পাবলৈ নাই। ইয়াৰে বেছিভাগ পানী বিভিন্ন উপনৈৰে ব্ৰহ্মপুত্ৰৰ বুকুলৈ নামি আহে। ব্ৰহ্মপুত্ৰৰ মুঠ জলপ্ৰবাহৰ ৮২ ভাগ বাৰিষা (মে'-ছেপ্তেম্বৰ) আৰু ১৮ ভাগ খৰালি কালত প্ৰবাহিত হয়।

(৩) ঢাল বা নতিৰ প্ৰকৃতি ঃ ব্ৰহ্মপুত্ৰৰ তলিভাগৰ ঢাল (slope) বা নতিৰ গঠনেও বানপানী সৃষ্টিত অৰিহণা যোগাইছে। উৎসমুখত ব্ৰহ্মপুত্ৰ নদী সমুদ্ৰ পৃষ্ঠৰ পৰা ৫১৫০ মিটাৰ উচ্চতাত অৱস্থান কৰিছে। পাৰ্বত্য অঞ্চলত প্ৰতি কিলোমিটাৰত ইয়াৰ ঢাল গড়ে ১০ মিটাৰৰো অধিক। সেয়ে, পাৰ্বত্য অঞ্চলত এই নদী অতি খৰস্ৰোতা। অসমৰ ভৈয়ামৰ কোমল মাটিত পৰাৰ লগে লগে নৈখন বহল আৰু গুম্ফিত হৈ পৰিছে। সমতল অংশত স্ৰোতৰ বেগ কম। কাৰণ, এই অংশত মোহনামুখলৈ ঢাল ক্ৰমে কমি আহিছে। ডিব্ৰুগড়ত সাগৰপৃষ্ঠৰ পৰা ব্ৰহ্মপুত্ৰলৈ ১০৫ মিটাৰ, গুৱাহাটীৰ ওচৰত ৫২ মিটাৰ আৰু ধুবুৰীৰ ওচৰত ৪৩ মিটাৰ উচ্চতাত আছে। পাছিঘাটৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ বেদিকাৰ ঢাল প্ৰতি কিলোমিটাৰত গড়ে ১৪ চেন্টিমিটাৰ।[২] নদীৰ ঢাল বা নতি কম হ'লে জলস্ৰোতৰ গতিবেগো কম হয়। ইয়াৰ ফলত নদীয়ে কঢ়িয়াই অনা গেদ বা পলস জমা হৈ ক্ৰমে নদীৰ তলিভাগ বাম হৈ চৰ-চাপৰি গঠিত হয়। নদীৰ তলী বাম হ'লে নদীৰ বহনযোগ্যতা কমি গৈ পানী গুম্ফিত হৈ পৰে আৰু দুয়ো পাৰ ওপচাই পেলায়। ইয়াৰ ফলত বানপানী আৰু খহনীয়াৰ প্ৰকোপ বাঢ়ে।

(৪) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গেদ ঃ গেদ পৰিবহনৰ ক্ষেত্ৰত চীনৰ হোৱাংহো নদীৰ স্থান পৃথিৱীত প্ৰথম আৰু ব্ৰহ্মপুত্ৰৰ স্থান দ্বিতীয়। এটা সমীকৰণৰ পৰা জনা যায় যে, ব্ৰহ্মপুত্ৰৰ প্ৰতি এক বৰ্গকিলোমিটাৰ পানীত গেদৰ পৰিমাণ পাছিঘাটত ১৪১৫ টন, পাণ্ডুত ১৩১৩ টন আৰু ধুবুৰীত ১২০০ টন।[৩] এইদৰে ভাটিৰফালে ক্ৰমে পলসৰ পৰিমাণ কমি গৈ থাকে। অৰ্থাৎ বাটে-বাটে পানীৰ সোঁতে নদীৰ তলিভাগত পলস জমা কৰে। উপনৈসমূহেও যথেষ্ট পলস কঢ়িয়াই আনি ব্ৰহ্মপুত্ৰত পেলায়। এটা সমীকৰণ অনুসৰি সোৱণশিৰি নদীৰ প্ৰতি বৰ্গকিলোমিটাৰ পানীত গড়ে ২৫০০ আৰু জীয়াভৰলীত ৪৭০০ টনকৈ পলস আহে। নামনি অসমৰ পুঠিমাৰী, বৰলীয়া, পাগলাদিয়া, বেঁকী, মানাহ, গংগাধৰ, সোণকোষ আদি উপনৈসমূহেও প্ৰচুৰ পলস কঢ়িয়ায়। এই পলসৰ এক বুজন অংশ উক্ত উপনৈসমূহৰ মোহনামুখৰ বিপৰীতে ব্ৰহ্মপুত্ৰৰ বুকুত জমা হৈ ইয়াৰ তলিভাগ বাম হোৱাত সহায় কৰে নাইবা চৰ-চাপৰিৰ সৃষ্টি কৰে। ক্ৰমাগতভাৱে পলস জমা হৈ নদীৰ তলি বাম হোৱাৰ লগে লগে বাৰিষা নদীৰ পানী ওফন্দি দুয়োপাৰ ওপচাই প্ৰবল বানপানী আৰু গৰাখহনীয়াৰ সৃষ্টি কৰে।

> খেতি-বাতি, ৰাস্তা, দলং, গছ-গছনি, মথাউৰি, শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আৰু গৃহ-পালিত জীৱ-জন্তুৰ ক্ষয়ক্ষতিৰ প্ৰকৃত খতিয়ান ল'লে বানপানী আৰু গৰাখহনীয়াৰ বছৰি ক্ষয়ক্ষতিৰ পৰিমাণ বহু হেজাৰ কোটি টকা হ'বগৈ।

(৫) বনাঞ্চল ধবংস ঃ গছ-গছনিৰ নানা উপকাৰী ভূমিকাৰ এটা হৈছে ভূমিক্ষয়ৰোধ। উদ্যোগীকৰণ, জনবসতি বিস্তাৰ আৰু মানুহৰ অপৰিণামদৰ্শী কাৰ্যকলাপৰ ফলত বনাঞ্চল ক্ৰমে সংকুচিত হৈ পৰিছে। সেউজ আৱৰণ ধবংসৰ লগে লগে উত্তাপ বৃদ্ধি হৈ হিমালয়ৰ পাদদেশত বৰফৰ গলনক্ৰিয়া বৃদ্ধি পাইছে। গছ-গছনি কমি অহাৰ লগে লগে পাহাৰীয়া অংশৰ পৰা বাধাহীনভাৱে বালি, শিল আৰু আৱৰ্জনা নদীৰ বুকুলৈ নামি আহি বানপানীৰ সৃষ্টিত অৰিহণা যোগাইছে।

(৬) ভূমিকম্প ঃ বিগত এশ বছৰৰ কিছু বেছি সময়ৰ ভিতৰত ১৮৯৭ আৰু ১৯৫০ চনৰ ভূমিকম্প দুটাই পৰৱৰ্তী সময়ত অসমত বানপানী আৰু গৰাখহনীয়া সৃষ্টিত ইন্ধন যোগাইছে।

১৮৯৭ চনৰ ১২ জুনৰ আবেলি পাঁচমান বজাত নামনি অসমত প্ৰবল ভূমিকম্প হয়। এই ভূমিকম্পৰ উপকেন্দ্ৰ আছিল মেঘালয় মালভূমি। এক মিনিটতকৈও কম সময়জুৰি হোৱা এই ভূমিকম্পই অবিভক্ত কামৰূপ, গোৱালপাৰা আৰু গাৰোপাহাৰৰ ভূতাত্বিক গাঁথনিৰ অভূতপূৰ্ব পৰিবৰ্তন সাধন কৰে। এই অঞ্চলসমূহত ঠায়ে ঠায়ে ব্ৰহ্মপুত্ৰৰ তলি বাম হৈ পৰে, চাউলখোৱা, ভেলেংগী, কালদিয়া আদি নদীৰ অপবাহতন্ত্ৰত ব্যাপক সালসলনি হয়। বৰপেটা মহকুমা আৰু গোৱালপাৰাৰ ভালেমান ঠাই ওখ-চাপৰ হৈ বিল, জলাশয়, আদিৰ সৃষ্টি কৰি পৰৱৰ্তী সময়ত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ প্লাৱনভূমিত পৰিণত হয়। ১৮৯৭ চনৰ ভূমিকম্পৰ প্ৰভাৱ উজনি অসমত কম আছিল।[৪] উজনি অসমত ১৯৫০ চনৰ বৰ ভূইকঁপৰ প্ৰভাৱ বেছি আছিল। এই ভূমিকম্পৰ কেন্দ্ৰস্থল আছিল অৰুণাচল প্ৰদেশৰ সীমা। ১৯৫০ চনৰ ভূমিকম্পৰ ফলত সোৱণশিৰি, দিবং আৰু লোহিতৰ উজনি অংশত ভূমিস্খলনৰ ফলত যথেষ্ট পৰিবৰ্তন হয়। ডিব্ৰুগড়ৰ ওচৰত ব্ৰহ্মপুত্ৰৰ তলি প্ৰায় ৩.৪ মিটাৰ ওপৰলৈ উঠি আহে। শদিয়াৰ বিস্তীৰ্ণ অঞ্চল ছিন্ন-বিচ্ছিন্ন হৈ পৰে। উক্ত ভূমিকম্পৰ পৰৱৰ্তী কালত ডিব্ৰুগড় অঞ্চলত ব্ৰহ্মপুত্ৰৰ পানী ওফন্দি উঠি দুপাৰত ঠেকা খাই বানপানী আৰু গৰাখহনীয়াৰ প্ৰকোপ বৃদ্ধি পোৱা দেখা গৈছে, ইয়াত নদীখনো যথেষ্ট বহল হৈ পৰিছে।

(৭) মথাউৰিৰ প্ৰভাৱ ঃ অসমত অপৰিকল্পিতভাৱে নিৰ্মাণ কৰা মথাউৰিবোৰ বানপানী আৰু গৰাখহনীয়া বৃদ্ধি কৰাত সহায়ক হোৱা বুলি কিছুমান বিশেষজ্ঞই মতামত দিছে। অসমত নদীসমূহৰ দুয়োপাৰে সজা মথাউৰিৰ দৈৰ্ঘ্য প্ৰায় ৪,৪৫০ কিলোমিটাৰ। নদীৰ দুয়োপাৰে মথাউৰি নিৰ্মাণৰ ফলত বাৰিষা পানী বিস্তৃত হ'ব নোৱাৰি নদীৰ পাৰ্শ্বখননত ক্ৰিয়াশীল হয়। মথাউৰিত বাধাপ্ৰাপ্ত হৈ নদীৰ পলস জলস্ৰোতৰ সৈতে ওলাই গৈ খেতি পথাৰত পৰিব নোৱাৰে, বৰং নদীৰ বুকুত জমা হৈ তলি বাম হোৱাতহে সহায় কৰে। ফলত গৰাখহনীয়াৰ প্ৰকোপ বৃদ্ধি পাই নদী বহল হ'বলৈ

ধৰে। গৰাখহনীয়াই কোনো অঞ্চলৰ মথাউৰি খহাই নিলে সংশ্লিষ্ট বিভাগে বেছিভাগ ক্ষেত্ৰতে স্থায়ী প্ৰতিৰোধ ব্যৱস্থা নকৰি গৰাখহনীয়াত জাহ যোৱা অংশৰ পিছফালে অপৰিকল্পিতভাবে নতুন মথাউৰি নিৰ্মাণ কৰা দেখা যায়। অসমৰ বিভিন্ন ঠাইত এনে অসংখ্য মথাউৰি আৰু ব্যাক বান্ধ(back bundh)নিৰ্মাণৰ ফলত লাখ লাখ বিঘা খেতিৰ মাটি নষ্ট হৈ খেতি য়ক সৰ্বস্বান্ত হৈ আছে। বসতি তথা আবাদযোগ্য ভূমিৰ পৰিমাণ কমি যোৱাত জনসংখ্যাৰ ঘনত্ব বাঢ়িছে, কৃষকৰ সংকটো বৃদ্ধি পাইছে। ১৯৪৭ চনত গঠিত মজদুৰ আয়োগে নতুন মথাউৰিৰ নিৰ্মাণ বন্ধ কৰি পুৰণিবোৰো ভাঙি দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল।[৫]

২০০৩ চনৰ ১৫ ডিচেম্বৰত অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ঘোষণা কৰা মতে সাম্প্ৰতিক কালত ব্ৰহ্মাপুত্ৰৰ গৰাখহনীয়াই প্ৰায় চাৰি লাখ হেক্ টৰ ভূমি ধবংস কৰিছে। তেতিয়ালৈকে বিভিন্ন জিলাত গৰাখহনীয়াত জাহ যোৱা ভূমিৰ পৰিমাণ আছিল এনে ধৰণৰ -

| | |
|---|---|
| ৰহমৰীয়া (ডিব্ৰুগড়) | ২২৮ হেক্টৰ |
| নিমাতী (যোৰহাট) | ৩২৮ হেক্টৰ |
| মাজুলি (যোৰহাট) | ৪২০০০ হেক্টৰ |
| কাৰেং চাপৰি | |
| আৰনেই চাপৰি, | |
| মাতমৰা, বালিঘাট, (ধেমাজি) | ১০০০০ হেক্টৰ |
| মৈৰাবাৰী, ভূৰাগাঁও | |
| লাহৰীঘাট(মৰিগাঁও) | ১৫০০০ হেক্টৰ |
| পলাশবাৰী, গুমি (কামৰূপ) | ১০০০০ হেক্টৰ |
| মুকালমুৱা (নলবাৰী) | ৮০০০০ হেক্টৰ |
| বহৰি, বাঘবৰ (বৰপেটা) | ৮০০০ হেক্টৰ |
| চূনাৰি, হাজিৰহাট | ৪০০০০ হেক্টৰ |
| (গোৱালপাৰা, ধুবুৰী) | |
| পাটামাৰী (ধুবুৰী) | ২৫০০ হেক্টৰ* |

উল্লেখিত অঞ্চলবোৰত গৰাখহনীয়াৰ কবলত পৰি ৫ লাখৰো অধিক পৰিয়াল ভূমিহীন, গৃহহীন হৈ পৰিছে। এনেধৰণে নিঠৰুৱা হৈ পৰা গৰাখহনীয়া পীড়িত লোকৰ অধিকাংশই বিকল্প বাসস্থান আৰু জীৱিকাৰ উপায় নাপাই অসমৰ বিভিন্ন নগৰ-চহৰত ঠেলা-ৰিক্ সাচালক আৰু অস্থায়ী সস্তীয়া বনুৱা হিচাপে অতি অনিশ্চিত আৰু বৰ্ণনাতীত কষ্টকৰ জীৱন-যাপন কৰি আছে।

এতিয়া প্ৰশ্ন হৈছে, অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যা সমাধানৰ উপায় কি? ১৯৮০ চনৰ পূৰ্বে ই এণ্ড ডি (Embankment & Drainage) বিভাগৰ যোগেদি অকল মথাউৰি আৰু খাল খান্দি বান প্ৰতিৰোধৰ ব্যৱস্থা কৰিছিল। মথাউৰিৰ কুফলৰ বিষয়ে পূৰ্বে আলোচনা কৰা হৈছে। ১৯৮০ চনত ব্ৰহ্মাপুত্ৰ উপত্যকাত বানপানী, গৰাখহনীয়া প্ৰতিৰোধ, জল নিৰ্গমন, বিদ্যুৎ উৎপাদন ইত্যাদি বহুমুখী উদ্দেশ্য আগত ৰাখি 'ব্ৰহ্মা পুত্ৰ ব'ৰ্ড আইন'ৰ ভিত্তিত ব্ৰহ্মাপুত্ৰ ব'ৰ্ড গঠন কৰা হৈছিল। ইয়াৰ আন এটা উদ্দেশ্য আছিল ব্ৰহ্মাপুত্ৰ, ইয়াৰ উপনৈসমূহ আৰু ৰাজ্যখনৰ প্ৰধান নদীসমূহত বান্ধ নিৰ্মাণ কৰা। সেইমতে উক্ত ব'ৰ্ডে ব্ৰহ্মাপুত্ৰ ভিত্তিক ৩২,০০০ কোটি টকা ব্যয়সাপেক্ষে মাষ্টাৰ প্লেন দাখিল কৰিছে। কেন্দ্ৰীয় চৰকাৰে উক্ত আঁচনিসমূহ ক্ষীপ্ৰভাবে কাৰ্যকৰী কৰাৰ আগ্ৰহ দেখুওৱা পৰিলক্ষিত হোৱা নাই।

ক্ষয়ক্ষতি ঃ অসমৰ মুঠ গাঁৱৰ সংখ্যা ২১,৯৯৫ খন। ইয়াৰে পাৰ্বত্য অঞ্চলৰ গাঁও ২,৪১১ খন আৰু ব্ৰহ্মাপুত্ৰ আৰু বৰাক উপত্যকাৰ ১৯,৫৮৪ খন। অসম চৰকাৰৰ ৰাজহ বিভাগৰ তথ্য অনুসৰি ১৯৮২ চনৰ পৰা ২০০১ চনলৈ বানপানীৰ কবলত পৰি ক্ষতিগ্ৰস্ত হোৱা গাঁৱৰ সংখ্যা এনে ধৰণৰ ঃ

| চন | বানপানীত ক্ষতিগ্ৰস্ত গাঁৱৰ সংখ্যা |
|---|---|
| ১৯৮২ | ৩৬০০ |
| ১৯৮৩ | ৪৪০৩ |
| ১৯৮৪ | ৪৬৯৯ |
| ১৯৮৫ | ৩৬০৬ |
| ১৯৮৬ | ২১৮১ |
| ১৯৮৭ | ৭২৯০ |
| ১৯৮৮ | ৮৭৭০ |
| ১৯৮৯ | ৩৮৩৪ |
| ১৯৯০ | ৩২৭৯ |
| ১৯৯১ | ৬৭৬৩ |
| ১৯৯২ | ১২৩৪ |
| ১৯৯৩ | ৭৮৯৩ |
| ১৯৯৪ | ——— |
| ১৯৯৫ | ৬৯৪৩ |
| ১৯৯৬ | ৫৭৭০ |
| ১৯৯৭ | ৬৭৪২ |
| ১৯৯৮ | ৭৭৪০ |
| ১৯৯৯ | ১৫০৩ |
| ২০০০ | ৩৭৪৭ |
| ২০০১ | ১২৭৭* |

খেতি-বাতি, ৰাস্তা, দলং, গছ-গছনি, মথাউৰি, শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আৰু গৃহ-পালিত জীৱ-জন্তুৰ ক্ষয়ক্ষতিৰ প্ৰকৃত খতিয়ান ল'লে বানপানী আৰু গৰাখহনীয়াৰ বছৰি ক্ষয়ক্ষতিৰ পৰিমাণ বহু হেজাৰ কোটি টকা হ'বগৈ। চৰকাৰী বান-সাহায্য আৰু অপৰ্যাপ্ত মেৰামতিৰে এনে ভয়ংকৰ ক্ষতি কেতিয়াও পূৰণ হোৱাটো সম্ভৱ নহয়। বানপানীৰ কবলত পৰি নিঠৰুৱা হোৱা সহায়-সম্বলহীন কৃষকে পৰৱৰ্তী সময়ত এই ক্ষতি পুৰণ কৰি কঁকাল পোণাব নোৱাৰে।

বানপানীয়ে সৃষ্টি কৰা আন দুটি কুফল তথা অপুৰণীয় ক্ষতি হৈছে গৰাখহনীয়া আৰু কৃষিযোগ্য মাটি বালিয়ে পুতি পেলোৱাটো। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগে ১৯৫৪ চনৰ পৰা ১৯৬৯ চনলৈ সংগ্ৰহ কৰা তথ্যৰ ভিত্তিত জনা যায় যে, প্ৰতিবছৰে গড়ে ২৫৩ খন গাঁও আৰু ৮০৮৩ হেক্টৰ ভূমি গৰাখহনীয়াৰ কবলত পৰে।[৬] সাম্প্ৰতিক কালত নামনি অসমত গৰাখহনীয়াৰ প্ৰকোপ বাঢ়িছে। বৰং মধ্যভাৰতৰ পানীৰ নাটনিৰ জোৰা মাৰিবলৈ আঠাৰল্প লাখ কোটি টকীয়া অভিলাষী আঁচনি ঘোষণা কৰি ইয়াৰ যোগেদি ব্ৰহ্মপুত্ৰ নদীক গংগাৰ সৈতে সংযোগ কৰিব বিচাৰিছে আৰু ২০০৮ চনৰ ভিতৰত এই আঁচনিৰ প্ৰাৰম্ভিক কাম-কাজ সমাধা কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে। এনে ব্যয়বহুল আঁচনিয়ে অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যা কিমান দূৰ সমাধা কৰিব, অসমত সুদূৰ ভৱিষ্যতত জলসম্পদৰ নাটনি হ'ব নেকি, এইবোৰ বিষয়ত এতিয়াও কোনো অধ্যয়ন চলোৱা হোৱা নাই। শেহতীয়াকৈ অসমৰ জনমতৰ হেঁচাত ৰাজ্যখনৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে গণ্য কৰাৰ দীৰ্ঘদিনীয়া দাবী আংশিকভাবে পূৰণ কৰিবলৈ পূৰ্বোত্তৰৰ ৰাজ্যকেইখনক সাঙুৰি কেন্দ্ৰীয় চৰকাৰে ব'ৰ্ড এটা গঠনৰ প্ৰস্তুতি চলাইছে আৰু ইয়াৰ যোগেদি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বানপানী-গৰাখহনীয়া সমস্যাৰ সমাধান কৰিব বিচাৰিছে। এই কামটো এতিয়াও পাৰম্ভিক পৰ্যায়তে আছে।

ইয়াৰ বিপৰীতে আমি পূৰ্বে উল্লেখ কৰি অহা ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ আঁচনিসমূহ অধিক স্পষ্ট আৰু ফলপ্ৰসু হ'ব বুলি ভুবাৰ থল আছে। ব্ৰহ্মপুত্ৰ ব'ৰ্ডে নিৰ্মাণ কৰিব খোজা দিবং আৰু সোৱণশিৰি নদীৰ শীৰ্ষস্থানত বান্ধ নিৰ্মাণ কৰিলে বানপানী ৰোধ হোৱাৰ লগতে জলপ্ৰবাহৰ গতিও বহু পৰিমাণে কমি গৈ গৰাখহনীয়া সমস্যা সমাধানত সহায়ক হ'ব। বিশেষজ্ঞসকলৰ অধ্যয়নৰ পৰা উমান পোৱা গৈছে যে দিবং, দিহং আৰু লোহিত প্ৰতিবছৰে ব্ৰহ্মপুত্ৰলৈ প্ৰায় ৫০ শতাংশ আৰু সোৱণশিৰিয়ে অকলে প্ৰায় ১০ শতাংশ পানীৰ যোগান ধৰে।

ব্ৰহ্মপুত্ৰ ব'ৰ্ডে নিৰ্মাণ কৰিব খোজা দিবং আৰু সোৱণশিৰিৰ প্ৰস্তাৱিত জলাধাৰৰ জলধাৰণৰ ক্ষমতা হ'ব ক্ৰমে প্ৰায় ৩৫,৫০০ আৰু ১০,৬০০০ ঘন মিটাৰ। দিহং বান্ধে পাণ্ডুৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ প্লাৱন-জলপৃষ্ঠ প্ৰায় ০.৬০ মিটাৰ আৰু সোৱণশিৰি বান্ধে অতিৰিক্ত ০.১৫ ৰ পৰা ০.৪০ মিটাৰৰ হ্ৰাস কৰিব। ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ এটি সমীক্ষা মতে ৰাজ্যখনৰ ২২ খন উপনৈৰ শীৰ্ষস্থানত এনে বান্ধ নিৰ্মাণ কৰিব পাৰিলে ৰাজ্যৰ সকলো বিদ্যুৎ চাহিদা পূৰণ হোৱাৰ উপৰিও ভৱিষ্যতে স্থাপন হ'ব লগা বৃহৎ উদ্যোগৰ বাবে বিদ্যুৎ যোগান ধৰিব পৰা যাব।[৭] বানপানী সমস্যাও স্থায়ীভাবে সমাধান কৰিব পৰা যাব। অৱশ্যে এনে বৃহৎ উদ্যোগ হাতত লোৱাৰ আৰম্ভণিতে ইয়াৰ ফলত হ'বপৰা পৰিবেশ-প্ৰদূষণ, বান্ধ ছিগি হ'ব পৰা ভয়ংকৰ দুৰ্যোগ সম্পৰ্কে আৰু বিস্তাৰিত অধ্যয়ন আৰু ওচৰ-পাজৰৰ জনজীৱনৰ সম্ভাব্য ক্ষয়ক্ষতি পূৰণৰ ব্যৱস্থা আগতীয়াকৈ কৰিব লাগিব।

আন এচাম পৰিবেশ বিজ্ঞানী, ভূ গোলবিদ আৰু ভূ-তাত্বিকৰ মতে বানপানী আৰু গৰাখহনীয়া ৰোধৰ প্ৰচেষ্টা চলাই যোৱাৰ লগতে বানপানীৰ সৈতে সহযোগিতা কৰি জীয়াই থকাৰ প্ৰচেষ্টাও ল'ব লাগিব। ইয়াৰ বাবে পৰিবেশ সজাগতা, গছ-গছনি ধবংস কাৰ্য ৰোধ, বান-উপযোগী ঘৰ-দুৱাৰ নিৰ্মাণ, আগতীয়া বান সংকেত আৰু বান-পীড়িতৰ সমস্যা মোকাবিলা কৰাৰ প্ৰস্তুতিৰ লগতে কৃষি পদ্ধতিও সলাব লাগিব। প্ৰয়াত মুখ্যমন্ত্ৰী শৰৎ সিংহই এনে মত পোষণ কৰিছিল। এই সন্দৰ্ভত বিশিষ্ট ভূগোল বিজ্ঞানী ডঃ অৱনী কুমাৰ ভাগৱতীৰ মতামত বিশেষভাবে প্ৰণিধানযোগ্য। তেখেতৰ মতে বানপানী সমস্যাৰ 'সৰ্বাত্মক সমাধান কৰিব নোৱাৰিলেও জনমত সাপেক্ষে থলুৱা পৰ্যায়ত অন্ততঃ কোনোখন সৰু নদীত বান্ধ দি জলসিঞ্চনৰ ব্যৱস্থা কৰা, ক'ৰবাত নৈৰ গতি পোণাই দিয়া, মথাউৰিত শ্লুইচগেটৰ ব্যৱস্থা কৰি জলপ্ৰবাহ নিয়ন্ত্ৰণৰ লগতে পানীযোগানৰ ব্যৱস্থা কৰা, উপনৈবোৰৰ উচ্চ-গতি অঞ্চলত বননি ধ্বংস বন্ধ কৰি সুবিধা মতে বৃক্ষৰোপনৰ যোগেদি ভূমি সংৰক্ষণ কৰা, বিল খালবোৰৰ উন্নয়ণ কৰি সিবোৰৰ পানীধাৰণ ক্ষমতা বঢ়োৱা আদি আয়ত্বৰ ভিতৰত থকা কামবোৰ কৰিও বানপানীৰ সমস্যা কিছু পৰিমাণে লাঘৱ কৰিব পাৰি।[৮] ■


### তথ্যপঞ্জী আৰু সহায়ক গ্ৰন্থ

১) ডঃ মহম্মদ তাহেৰ। ব্ৰহ্মাপুত্ৰ, এটি ভৌগোলিক পৰিচিতি ঃ বিজ্ঞান জেউতি ঃ জুন-জুলাই, ১৯৯৭

২) পূৰ্বোক্ত প্ৰবন্ধ। ৩) পূৰ্বোক্ত প্ৰবন্ধ।

৪) ছামচুদ্দিন আহমেদ ঃ ব্ৰহ্মাপুত্ৰৰ চৰ-চাপৰি, ভূমিদৃশ্যৰ পৰিবৰ্তন আৰু জনজীৱনত ইয়াৰ প্ৰভাৱ ঃ চৰ-চাপৰিৰ জীৱন-চৰ্যা ঃ নতুন সাহিত্য পৰিষদ ঃ গুৱাহাটী ২০০০। ৫) পূৰ্বোক্ত প্ৰবন্ধ। ৬) পূৰ্বোক্ত প্ৰবন্ধ। ৭) পূৰ্বোক্ত প্ৰবন্ধ। ৮) ডঃ অৱনীকুমাৰ ভাগৱতী ঃ ব্ৰহ্মাপুত্ৰ উপত্যকাৰ বান সমস্যা ঃ স্মৰণিকা ঃ অসম ৰাজ্যিক জমিয়ত উলেমাৰ গণ সন্মিলন, গুৱাহাটী ২০০৫।

ইছমাইল হোছেইন (জ্যেষ্ঠ) ঃ অসমৰ বানপানী, গৰাখহনীয়া আৰু বিপৰ্যস্ত কৃষি অথনীতি ঃ স্মৰনিকা ঃ অঃ ৰাঃ জ ঃ ২০০৫।


*(বিশিষ্ট লেখক সমালোচক তথা বুদ্ধিজীৱী ইছমাইল হোছেইন (জেষ্ঠ) ডাঙৰীয়াই বান আৰু গৰাখহনীয়া সমস্যাৰ ওপৰত আলোকপাত কৰি এই প্ৰৱন্ধটো যুগুতাই দিয়া বাবে তেখেতক আমি ধন্যবাদ জ্ঞাপন কৰিছো। সমস্যাটোৰ সমাধান সম্পৰ্কত হোচেইন ডাঙৰীয়াৰ সৈতে আমি একমত নহয় যদিও তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰৱন্ধটো ইয়াত হুবহু প্ৰকাশ কৰা হ'ল। — সম্পাদক)*

OKDISCS

*ৰাঁচীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ চমু ৰিপ'ৰ্ট*

# আদিবাসী মহিলা ঃ স্থিতি আৰু সংগ্ৰাম

**বৰ্ণালী**

**স**মগ্ৰ ভাৰতৰ আদিবাসী লোকসকল পূৰ্বৰে পৰা শোষিত আৰু পীড়িত। বৰ্তমান ৰাষ্ট্ৰব্যৱস্থাত দেশীয় বুৰ্জোৱা তথা পুঁজিপতিসকলৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ আগ্ৰাসনে আদিবাসী সমাজক ভয়ংকৰ ৰূপত ক্ষত-বিক্ষত কৰিছে। নিজ অৰণ্য ভূমিতে আদিবাসী লোকসকল হ'ব লগা হৈছে বিভিন্ন নিৰ্যাতনৰ বলি। আদিবাসী সমাজৰ মহিলাসকলৰ সমস্যা আৰু অধিক জটিলতৰ। উদাৰীকৰণে আনি দিয়া অবাধ ব্যক্তিকৰণ আৰু আনফালে সাম্ৰাজ্যবাদী বিশ্বায়নে সৃষ্টি কৰা আধিপত্যবাদী ব্যৱস্থাই শেহতীয়াকৈ আদিবাসীসকলৰ অৰণ্যভূমিক অক্টোপাচৰ দৰে চেপি-খুন্দি নিঃশেষ কৰিব ধৰিছে। ইয়াৰ উপৰি ৰাষ্ট্ৰৰ অৰ্ধ-ঔপনিবেশিক তথা অৰ্ধ-সামন্ততান্ত্ৰিক চৰিত্ৰয়ো নব্য ৰূপত আদিবাসীসকলৰ বিৰুদ্ধে দমনৰাজ আৰম্ভ কৰি দিছে। এনে পৰিস্থিতিত দেশৰ আদিবাসীসকলৰ সমস্যাৰ বিশ্লেষণ কৰাৰ লগতে তেওঁলোকৰ সুৰক্ষাৰ বিষয়টো নতুনকৈ ভাবিবলৈ, এই সন্দৰ্ভত নতুন সিদ্ধান্তত অহাৰ উদ্দেশ্য আগত ৰাখি ঝাৰখণ্ডৰ 'সংঘৰ্ষৰত আদিবাসী মহিলা সুৰক্ষা মঞ্চ' (সংগ্ৰামী আদিবাসী মহিলা সুৰক্ষা মঞ্চ) নামৰ সংগঠনটোৰ উদ্যোগত ঝাৰখণ্ডৰ ৰাজধানী চহৰ ৰাঁচীত ১৭ আৰু ১৮ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে এখনি ৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল। আলোচনা চক্ৰৰ মূল বিষয়টো আছিল " আদিবাসী মহিলায়েঁ ঃ স্থিতি আউৰ সংঘৰ্ষ"(আদিবাসী মহিলা ঃ স্থিতি আৰু সংগ্ৰাম)। ৰাঁচীৰ গুজৰাটী পেটেল ভৱনত অনুষ্ঠিত এই আলোচনাখনিত দেশৰ বিভিন্ন ৰাজ্যৰ কেবাটাও প্ৰতিবাদী নাৰী সংগঠনৰ তিনিশতাধিক প্ৰতিনিধিয়ে গৈ অংশ গ্ৰহণ কৰিছিল। কেৰালা, পশ্চিম বংগ, মধ্য প্ৰদেশ, উৰিষ্যা, ছত্তিশগড়, বিহাৰ আদি ৰাজ্যৰ লগতে অসমৰ পৰাও দুটা প্ৰতিনিধি দলে গৈ এই আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে।

অসমত খাটি খোৱা মানুহৰ প্ৰতিবাদী আন্দোলনৰ অন্যতম ক্ষেত্ৰ দৈয়াং-তেঙানিৰ তিনিগৰাকী মহিলা, গোৱালপাৰাৰ দুগৰাকী, কামৰূপৰ ৰাণী অঞ্চলৰ দুগৰাকী আৰু নলবাৰীৰ তিনিগৰকী মহিলাই বিভিন্ন সংগঠনৰ পৰা গৈ মূল প্ৰতিনিধি দলটোত অসমক প্ৰতিনিধিত্ব কৰিছিল। আনফালে উজনি অসমৰ কাক পথাৰ, তিনিচুকীয়া আদি অঞ্চলৰ পৰা প্ৰায় ত্ৰিশজনীয়া সাংস্কৃতিক প্ৰতিনিধি দল এটায়ো এই আলোচনা চক্ৰখনিত অংশ গ্ৰহণ কৰিছিল। ঝাৰখণ্ড, ছত্তিশগড়, উৰিষ্যা, বিহাৰ আদি ৰাজ্যত আদিবাসী নাৰীসকলৰ ওপৰত যি দমন-উৎপীড়ন যুগ যুগ ধৰি দেশৰ চৰকাৰ আৰু পুঁজিপতি গোষ্ঠীয়ে চলাই আহিছে এই আলোচনা চক্ৰত তাক বিশ্লেষণ কৰি আদিবাসী ৰাইজে ঐক্যবদ্ধ সংগ্ৰামৰ পোষকতা কৰে। বিশেষকৈ আদিবাসী সমাজৰ অৰণ্য ভূমিত টাটা, বিৰলা, জিন্দাল আদি বৃহৎ পুঁজিপতি গোষ্ঠীবোৰক চৰকাৰে অবাধ বেদখল কৰাৰ সুযোগ দিয়াৰ ফলত আদিবাসী জনসাধাৰণ তীব্ৰ সংকটৰ মুখামুখি হোৱাৰ পৰিপ্ৰেক্ষিতত এক তীব্ৰ আন্দেলন গঢ়ি তোলাৰ সংকল্প হিচাপে এই আলোচনা চক্ৰখনি আয়োজন কৰা হৈছিল। এই আলোচনাত উপস্থিত আছিল ডঃ উমা চক্ৰৱৰ্তী, সোমা সেন, ৰাধা ডিচুজা, জয়া মিত্ৰ, আৰতী কুজুৰ প্ৰমুখ্যে নাৰী আন্দোলনৰ নেত্ৰী তথা সাহিত্যিক, বুদ্ধিজীৱীসকল। প্ৰথম দিনাৰ কাৰ্যসূচীত ঝাৰখণ্ড, দিল্লী, মধ্য প্ৰদেশ, উৰিষ্যা আদি ৰাজ্যৰ প্ৰতিনিধিসকলে সংশ্লিষ্ট ৰাজ্যসমূহৰ আদিবাসী নাৰীসমাজে মুখামুখিহোৱা বিভিন্ন সমস্যা আৰু ইয়াৰ বিৰুদ্ধে নাৰী সংগঠনবোৰে গ্ৰহণ কৰা প্ৰতিৰোধী আন্দোলনৰ ওপৰত আলোকপাত কৰি আলোচনা পত্ৰ পাঠ কৰা হয়। নিশাৰ ভাগত বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিসকলৰ মাজৰ পৰা বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰা হয়। ১৮ মাৰ্চৰ পুৱা একে বিষয়ৰ ওপৰত আন ৰাজ্যসমূহৰ লগতে অসমৰ পৰা যোৱা প্ৰতিনিধিসকলৰ মাজৰ পৰাও আলোচনা পত্ৰ পাঠ কৰা হয়। আলোচনা পত্ৰ পাঠ কৰি প্ৰতিনিধি দলটোৰ সদস্যা জিলিমণিয়ে অসমৰ সামগ্ৰিক নাৰী সমস্যাৰ ওপৰত এক বিস্তৃত বিশ্লেষণ আগবঢ়ায়। ঐতিহাসিক দৃষ্টিকোণেৰে অসমীয়া নাৰীৰ সামাজিক অৱস্থান তথা বিভিন্ন সংগ্ৰামত অসমীয়া নাৰীৰ অৱদানৰ কথা আলোচনা কৰা হয়। বিগত দুটা দশকৰ ভিতৰত সেনা বাহিনী তথা অৰ্ধ সামৰিক আৰু পুলিচ প্ৰশাসনে অসমীয়া নাৰীক কেনে ধৰণৰ উৎপীড়ন চলাই আহিছে সেয়া আলোচনা পত্ৰত প্ৰকাশ পায়। আনফালে উজনি অসমৰ কাকপথাৰ অঞ্চলত প্ৰতিবাদী জনতাৰ ওপৰত ৰাষ্ট্ৰই চলোৱা পৈশাচিক দমনৰাজৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ তথা ঘৃণা বৰ্ষণ কৰা হয়। শেহতীয়াকৈ অসমত পৰিবৰ্তনকামী তথা সঠিক বিপ্লৱী মতাদৰ্শৰে সংগ্ৰাম চলাই অসমীয়া নাৰী সমাজক বিদ্ৰোহৰ মূল পথলৈ উলিয়াই অনাৰ প্ৰয়োজনীয়তাক দোহৰা হয় আলোচনা পত্ৰত। দৈয়াং-তেঙানিৰ ভূমিহীন কৃষক ৰাইজৰ আন্দোলন তথা এই আন্দোলনত মহিলাৰ সক্ৰিয় অংশ গ্ৰহণক এক ঐতিহাসিক ঘটনা আখ্যা দিয়া হয়।

উল্লেখ্য যে আলোচনা চক্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাৰী নেত্ৰীসকলৰ সৈতে অসমৰ প্ৰতিনিধিসকলে দীঘলীয়া আলোচনাত পৃথককৈ মিলিত হৈ ৰাজ্যখনত নাৰী আন্দোলন কি ধৰণে ক্ষীপ্ৰতৰ কৰিব পৰা যায় সেই সম্পৰ্কত চিন্তা-চৰ্চা চলায়। আলোচনাৰ অন্তত গৃহীত হোৱা প্ৰস্তাৱৰ ভিতৰত অসমৰ কাকপথাৰৰ নৰমেধ যজ্ঞক গৰিহণা দিয়াৰ লগতে এই ঘটনাত জড়িত থকা অপৰাধীসকলক কঠোৰ শাস্তি প্ৰদানৰ দাবী জনোৱা হয়। আনফালে পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ (ক্ষমতা) আইনখন প্ৰত্যাহাৰৰ দাবী জনায়ো এক প্ৰস্তাৱ গৃহীত কৰা হয়। আলোচনা চক্ৰৰ অন্তত অনুষ্ঠিত মুকলি অধিবেশনত আৰতী কুজুৰ, সাহিত্যিক জয়া মিত্ৰ প্ৰমুখ্যে বক্তাসকলে আদিবাসী নাৰীৰ অধিকাৰ সম্পৰ্কত গুৰুত্বপূৰ্ণ ভাষণ দিয়ে। ইয়াৰ পূৰ্বে বৰ্ণাঢ্য শোভাযাত্ৰা আৰু শ্লোগানেৰে দহ সহস্ৰাধিক নাৰীয়ে উত্তপ্ত কৰি তোলে ৰাঁচী চহৰ। সাম্ৰাজ্যবাদ, ব্যক্তিগতকৰণ, উদাৰীকৰণ আদিৰ বিৰুদ্ধে সংগ্ৰামৰ সংকল্প গ্ৰহণেৰে সামৰণি পৰে দুদিনীয়া এই ৰাষ্ট্ৰীয় আলোচনা চক্ৰ। ■

> ঝাৰখণ্ড, ছত্তিশগড়, উৰিষ্যা, বিহাৰ আদি ৰাজ্যত আদিবাসী নাৰীসকলৰ ওপৰত যি দমন-উৎপীড়ন যুগ যুগ ধৰি দেশৰ চৰকাৰ আৰু পুঁজিপতি গোষ্ঠীয়ে চলাই আহিছে এই আলোচনা চক্ৰত তাক বিশ্লেষণ কৰি আদিবাসী ৰাইজে ঐক্যবদ্ধ সংগ্ৰামৰ পোষকতা কৰে।



*বিশেষ প্ৰতিবেদন*

# সংগ্ৰামী আদিবাসীৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ ভেৰোণীয়া বাহিনীয়ে দণ্ডকাৰণ্যত চলাইছে 'ছালৱা জুডুম'ৰ নামত নৰমেধ

**গিৰীন্দ্ৰ শইকীয়া**



*ৰাষ্ট্ৰৰ ষড়যন্ত্ৰৰ বলি। সংগ্ৰামী আদিবাসীৰ বিৰুদ্ধে অস্ত্ৰ ধৰিছে আদিবাসী যুৱক সূৰ্য কাৰ্টামে*

**ম**হাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ আৰু উৰিষ্যাই আগুৰি থকা ছত্তিশগড় ৰাজ্যৰ একেবাৰে দক্ষিণ প্ৰান্তত থকা ডান্তেৱাড়া এখন জনজাতীয় সংখ্যাগৰিষ্ঠ জিলা। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাওবাদী) ৰ গেৰিলা আৰু ৰাষ্ট্ৰৰ সামৰিক বাহিনীৰ মাজৰ দীৰ্ঘদিনীয়া যুঁজৰ এখন ৰণাঙ্গন। ৪০,০০০ বৰ্গ কিলোমিটাৰ মাটিকালিৰে ছত্তিশগড়ৰ বৃহত্তম জিলা এই ডান্তেৱাড়া। জিলাখনৰ মুঠ জনসংখ্যাৰ ৮২ শতাংশ মুৰিয়াগোণ্ড আৰু ডোৰলা



*চৰকাৰী শান্তি অভিযানৰ নমুনা। ঘৰ-বাৰী জ্বলাই দি খেদি পঠিওৱা জনজাতীয় লোকসকল এনেদৰে আশ্ৰয় শিবিৰত কটাইছে ভগণীয়াৰ জীৱন।*

জনজাতীয় লোক। শিক্ষিতৰ হাৰ মাত্ৰ ২১ শতাংশ। সৰ্বমুঠ ১,২২০ খন গাঁৱৰ প্ৰায় ৭০০০ খনতে প্ৰাথমিক বিদ্যালয় নাই। য'ত য'ত স্কুল আছে সেয়াও নিষ্ক্ৰিয় প্ৰায়। মাথো ৫৯ খন গাঁৱত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আছে, তাকো নামতহে। ৮৪ শতাংশ জনজাতীয় লোক কৃষিকৰ্মী। বেমাৰ-আজাৰ, পুষ্টিহীতা আৰু অনাহাৰত জনজাতীয় লোকৰ মৃত্যু জিলাখনত এক নিত্য-নৈমিত্তিক ঘটনাৰ লেখীয়া।

নক্সাল দমনৰ নামত ভাৰত চৰকাৰৰ সহযোগিতাৰে ছত্তিশগড় ৰাজ্য প্ৰশাসনে দণ্ডকাৰণ্যৰ আদিবাসী জনগণৰ মাজত ভয়াৱহ হত্যাভিযান অব্যাহত ৰাখিছে। চৰকাৰী আৰক্ষী-অৰ্ধসামৰিক বাহিনীয়ে নক্সালৰ গতি ৰোধ কৰাত দীৰ্ঘকাল ধৰি ব্যৰ্থ হোৱাৰ পাছত স্থানীয় আদিবাসীসকলৰ একাংশক বলিৰ পঠা সাজি ৰণক্ষেত্ৰলৈ আগবঢ়াই দিছে। নানান উচটনি আৰু প্ৰলোভনেৰে সংগ্ৰামী আদিবাসীৰ বিৰুদ্ধে একাংশ সমাজবিৰোধী থগ, প্ৰবঞ্চক, লুণ্ঠনকাৰী, ডকাইত আদিবাসী যুৱকক সংগঠিত কৰি সিহঁতৰ হাতত তুলি দিছে চৰকাৰী আধুনিক মাৰণাস্ত্ৰ। এই ধৰণে বন্দুক চলোৱা সামান্য প্ৰশিক্ষণ দি খৰছ-পাতি কৰি নক্সালপন্থী আৰু তেওঁলোকৰ সমৰ্থক আন সংগ্ৰামী আদিবাসীক হত্যা কৰিবলৈ যি অভিযান চৰকাৰে অব্যাহত ৰাখিছে তাৰ নাম দিছে 'ছালৱা জুডুম'। স্থানীয় গোণ্ডি ভাষাত ইয়াৰ অৰ্থ শান্তি অভিযান। ২০০৫ ৰ ২০ জুনত আৰম্ভ হোৱা এই 'ছালৱা জুডুম' অৰ্থাৎ 'শান্তি অভিযানে' ই এতিয়া দণ্ডকাৰণ্যৰ বহুলুণ্ঠিত, অত্যাচাৰিত আদিবাসীসকলৰ বাবে নতুন অশান্তি হৈ পৰিছে। চৰকাৰৰ প্ৰৰোচনাত ঘাটকত পৰিণত হোৱা তথাকথিত শান্তি অভিযানৰ ৰূপকাৰসকলে নক্সালৰ সমৰ্থকৰূপে পৰিচিত গাঁওবোৰ এখনৰ পাছত এখনকৈ জ্বলাই ভষ্মীভূত কৰিছে, অসংখ্য লোকক শীতল মস্তিষ্কৰে হত্যা কৰিছে।এইদৰে চৰকাৰী মদটপুষ্ট আদিবাসী ভেৰোণীয়া গুণ্ডাৰ হাতত আক্ৰান্ত, নিৰীহ আদিবাসীয়ে ঘৰতে অঘৰী হৈ আশ্ৰয় শিবিৰৰ নামত বাঁহতলে-গছতলে দুৰ্বিসহ জীৱন অতিবাহিত কৰিবলগা হোৱা এই প্ৰক্ৰিয়াক আধুনিক ধুৰন্ধৰ ৰাজনীতিক, আমোলাতথা ৰাষ্ট্ৰৰ আজ্ঞাবাহী বুদ্ধিজীৱীবোৰে আখ্যা দিছে, 'নক্সালপন্থীৰ বিৰুদ্ধে স্বতঃস্ফুৰ্ত গণ-বিদ্ৰোহ।'

*সঁচাই গণ-বিদ্ৰোহ নেকি ?*

ইণ্ডিপেনডেণ্ট চিটিজেন্‌ছ ইনিচিয়েটিভ নামৰ এটা গোটে অলপতে ছালৱা জুডুমৰ কাৰ্যকলাপৰ অনুসন্ধান কৰে। এই গোটত আছিল কেন্দ্ৰীয় চৰকাৰৰ প্ৰাক্তন সচিব ই এ এছ শৰ্মা, দিল্লীৰ অধ্যাপক নন্দিনী সুন্দৰ, বিশিষ্ট বি জি বাৰ্ঘিজ, বুৰঞ্জীবিদ ৰাম গুহ, ৰাঁচীৰ পৰা প্ৰকাশিত প্ৰভাত খবৰ কাকতৰ সম্পাদক হৰিবংশ আৰু সমাজকৰ্মী ফাৰাহ নাকভি। অনুসন্ধানকাৰী এই দলটোৱে দণ্ডকাৰণ্য অঞ্চলৰ চৰজমিন তদন্ত কৰি ছালৱা জুডুমৰ কাৰ্যকলাপ সম্পৰ্কত এক প্ৰতিবেদন প্ৰকাশ কৰিছে। এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে চৰকাৰে কৈ থকাৰ দৰে ছালৱা জুডুম আচলতে নক্সালপন্থীৰ বিৰুদ্ধে 'জনগণৰ স্বতঃস্ফুৰ্ত প্ৰতিৰোধ অথবা বিদ্ৰোহ' নহয়। প্ৰতিবেদনত কোৱা হৈছে যে ছালৱা জুডুম হৈছে চৰকাৰৰ পুঁজি আৰু পৰিকল্পনাৰে গঠিত এক অভিযান। এই অভিযানত চৰকাৰী সাহায্যত ৩,২০০ বিশেষ আৰক্ষী বিষয়া (এছ পি অ')ক সশস্ত্ৰ ৰূপত সজাই তোলা হৈছে। আৰক্ষী বাহিনীৰ বিশেষ নীতি-নিয়ম আৰু প্ৰশিক্ষণৰ ভু নোপোৱা এই মস্তানবোৰক বিশেষ আৰক্ষী বিষয়া হিচাপে মকৰল কৰি নিৰীহ আদিবাসীৰ বিৰুদ্ধে যুঁজিবলৈ আগবঢ়াই দিয়া হৈছে। আই চি আইৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা হৈছে যে ছত্তিশগড় চৰকাৰে ছালৱা জুডুমৰ নামত আইন-শৃঙ্খলা-পৰিস্থিতিৰ নীতি-নিয়ম জলাঞ্জলি দি ভেৰোণীয়া ঘাতক বাহিনী গঠন কৰিছে যি অস্ত্ৰ চলাবৰ বাবে উপযুক্ত প্ৰশিক্ষণো লাভ কৰা নাই। এই বিশেষ আৰক্ষী বিষয়াসকলৰ কোনো ধৰণৰ বৈধ কৰ্তৃত্বও নাই যদিও তেওঁলোক সম্প্ৰতি নিজেই এক আইন হৈ পৰিছে বুলি প্ৰতিবেদনত কোৱা হৈছে। নক্সালপন্থীৰ বিৰুদ্ধে অস্ত্ৰ তুলি ল'বলৈ ছালৱা জুডুমে জনজাতীয় লোকসকলক বল প্ৰয়োগ কৰি বাধ্য কৰাই আহিছে। ইয়াক অস্বীকাৰ কৰাসকলক মাৰ-ধৰ কৰা, অবৈধভাবে জৰিমনা বিহা অথবা ঘৰ-দুৱাৰ জ্বলাই দিয়াটো ছালৱা জুডুমৰ নিত্য-নৈমিত্তিক কাম হৈ আহিছে। আনকি ভূৱা গোচৰেৰে জেলত ভৰোৱা, গাৱঁৰ জীয়ৰী-বোৱাৰী তথা শিশুকণ্যাক দলবদ্ধ ধৰ্যণ তথা গুপ্তহত্যা আদিৰ ঘটনা 'ছলৱ জুডুম'ৰ অভিযানৰ এৰাব নোৱাৰা অংগ হৈ পৰিছে।

প্ৰতিবেদনত উল্লেখ কৰা মতে ছালৱা জুডুমৰ বিশেষ আৰক্ষী বিষয়াসকলে ৰাজ্যিক আৰক্ষীৰ অধীনত ১৯৯০ আৰু



১৯৯৬ চনতো এনে ধৰণৰ নক্সাল-বিৰোধী অভিযান আৰম্ভ কৰিছিল। সেই অভিযানৰ নাম দিছিল 'জনজাগৰণ অভিযান'। দণ্ডকাৰণ্যৰ 'নক্সাল সমস্যা' কেৱল সামৰিক অভিযানেৰে দমন কৰিব পৰা নাযায় বুলি পতীয়ন যোৱাৰ পাছত এনেধৰণৰ কেতবোৰ 'অসামৰিক' পদক্ষেপ চৰকাৰে গ্ৰহণ কৰি আহিছে। তেনে পদক্ষেপৰেই অংশ এই 'ছালৱা জুডুম'। ঘৰৰ নিগনিয়েহে ঘৰৰ কাপোৰ কুটিব পাৰে। সেয়ে, যি দায়িত্ব সচৰাচৰ আৰক্ষী-অৰ্ধসামৰিক বাহিনীয়ে পালন কৰে, সেই দায়িত্বত নিয়োগ কৰা হৈছে নক্সাল-বিদ্বেষী এমুঠিমান পথভ্ৰষ্ট আদিবাসী যুৱকক। জনামতে, আৰম্ভণিতে এই ছালৱা জুডুমৰ নেতৃত্ব দিছিল ছত্তিশগড় বিধানসভাৰ কংগ্ৰেছ (ই) দলৰ বিৰোধী নেতা মহেন্দ্ৰ কৰ্মাই। ৰাজ্যখনৰ বিজেপি চৰকাৰৰ সাহায্যত চলা এই অভিযানত কেন্দ্ৰীয় চৰকাৰৰ যুটীয়া অভিযান বাহিনীও অন্যতম সঙ্গী।

ঠিকাদাৰে মজুৰি বৃদ্ধি নকৰাত আদিবাসীসকলক কেণ্ডুপাত (বিড়ি বনোৱা গছৰপাত) সংগ্ৰহ নকৰিবলৈ নক্সালে আহ্বান জনায়। তেণ্ডুপাত সংগ্ৰহ কৰি কাৰখানাত বিক্ৰী কৰাটো আদিবাসীসকলৰ প্ৰধান জীৱিকা। একেদৰে বাট-পথ, দলং, চৰকাৰী ঘৰ আদিৰ নিৰ্মাণৰ কামতো উপযুক্ত মজুৰি নাপালে অংশ গ্ৰহণ নকৰিবলৈ আদিবাসী সকলক নক্সালে আহ্বান জনায়। ছত্তিশগড়ৰ বস্তাৰ জিলাৰ আদিবাসীসকলৰ আৰু এটা পৰিচয় আছে যে তেওঁলোকে নিতৌ মহুৱা (মহুৱা গছৰ ফলৰ পৰা তৈয়াৰী এবিধ মদ) খাবলৈ দৰকাৰ হোৱা পইচাতকৈ কিবা অলপ বেছি পালেই কাম কৰি দিয়ে। এই পৰিচয়টোৰ বাবে কোনো ঠিকাদাৰেই আদিবাসীসকলক উপযুক্ত মজুৰি নিদিয়ে। এনেকৈয়ে, ৰাজ্য প্ৰশাসন আৰু আইন-কানুনৰ দ্বাৰা চিৰকাল অবহেলিত আদিবাসীসকলে নক্সালৰ সাহসতে ঠিকাদাৰ, গাঁও মুখিয়াল, কোম্পানীৰ কৰ্তৃপক্ষ, দমনকাৰী আৰক্ষী বিষয়াৰ অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিবলৈ ধৰিলে। আদিবাসীসকলৰ মাজতেই আৰু দুটা পক্ষৰ সৃষ্টি হ'ল। ইফালে প্ৰতিক্ৰিয়াশীল আৰু জনগণ-বিৰোধী কাম-কাজত লিপ্ত থকাৰ অপৰাধত নক্সালৰ হাতত কিছুসংখ্যক আদিবাসীয়ে শাস্তি খাই থৈছিল। কাজেই মহেন্দ্ৰ কৰ্মাৰ নেতৃত্বত চলা ছালৱা জডুমে এমুঠিমান সমৰ্থক বিচাৰি উলিওৱাত কষ্ট নহ'ল।

নক্সালৰ সমৰ্থকৰূপে পৰিচিত শতাধিক গাঁও ছালৱা জুডুমৰ মানুহে ইতিমধ্যে জ্বলাই চাৰখাৰ কৰিছে। অকল ডোৰ্ণপাল আশ্ৰয় শিবিৰতে এনেদৰে গৃহহীন হোৱা ২০-৩০ হেজাৰ আদিবাসী লোক আছে। একেদৰে ডান্তেৱাড়া, বিজাপুৰ, কোণ্টাৰ আশ্ৰয় শিবিৰতো অবৰ্ণনীয় দুখ-কষ্টত কেবাহেজাৰ লোকে জীৱন কটাবলগীয়া হৈছে। এয়া ছালৱা জুডুম অৰ্থাৎ চৰকাৰী সাহায্যপুষ্ট শান্তি অভিযানে আদিবাসীক দিয়া নতুন জীৱন। য'ত আশ্ৰয় শিবিৰ বোলোতে একোখন মুকলি পথাৰ আৰু চৌপাশে সশস্ত্ৰ আৰক্ষীৰ বেষ্টনি। এয়া 'স্বতঃস্ফুৰ্ত গণ-বিদ্ৰোহ'ৰ পৰিণতি।

***বন্ধ হওক ছালৱা জুডুম***

ছালৱা জুডুম সম্পৰ্কত মহেন্দ্ৰ কৰ্মাই কৈছে, 'এয়া এক বিস্ফোৰণ, মই ভাবো এক প্ৰাকৃতিক বিস্ফোৰণ, আমি ইয়াক সমৰ্থন কৰা উচিত।' (তেহেলকা, ১৩/০৫/০৬)। কংগ্ৰেছ নেতা মহেন্দ্ৰ কৰ্মাৰ মতে এয়া হেনো এক প্ৰাকৃতিক বিস্ফোৰণ। আঁকৰা আদিবাসী ল'ৰাৰ হাতত মাৰণাস্ত্ৰ তুলি দি অত্যাধুনিক অস্ত্ৰৰ স'তে যুঁজিবলৈ উচটাই দিয়াটো প্ৰাকৃতিক? হেজাৰ হেজাৰ নিৰীহ খাতিখোৱা মানুহৰ ঘৰ-দুৱাৰ ভষ্ম কৰি গছৰ তলত কলমলাই থাকিবলৈ ব্যৱস্থা কৰা অভিযানৰ প্ৰতি সমৰ্থন দিয়া উচিত? নক্সাল নিধনৰ নামত আদিবাসীৰ বিৰুদ্ধে আদিবাসীৰ ব্যাপক হত্যাকাণ্ড, অগ্নি সংযোগ বন্ধ নহ'লে ডান্তেৱাড়া, বস্তাৰ জিলা চাই থাকোতেই শ্মশানভূমিত পৰিণত হ'ব। সেয়ে ছালৱা জুডুমৰ দৰে গণহত্যাকাৰী অভিযান শীঘ্ৰে বন্ধ হোৱা দৰকাৰ। সংগ্ৰামী আদিবাসীসকলৰ বিৰুদ্ধে যি অভিযান চলি আছে তাক উৎখাত কৰিবলৈ বিভিন্ন অঞ্চলৰ জনগণে আজিৰ মুহূৰ্তত সোচ্ছাৰ হৈ পৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। ■



*কংগ্ৰেছ নেতা মহেন্দ্ৰ কৰ্মা, ছত্তিশগড় বিধানসভাৰ বিৰোধী নেতা। ছালৱা জুডুমৰ প্ৰধান ৰূপকাৰ।*

অস্বীকাৰ কৰাসকলক মাৰ-ধৰ কৰা, অবৈধভাবে জৰিমনা বিহা অথবা ঘৰ-দুৱাৰ জ্বলাই দিয়াটো ছালৱা জুডুমৰ নিত্য-নৈমিত্তিক কাম হৈ আহিছে। আনকি ভূৱা গোচৰেৰে জেলত ভৰোৱা, গাৱঁৰ জীয়ৰী-বোৱাৰী তথা শিশুকণ্যাক দলবদ্ধ ধৰ্যণ তথা গুপ্তহত্যা আদিৰ ঘটনা 'ছলৱ জুডুম'ৰ অভিযানৰ এৰাব নোৱাৰা অংগ হৈ পৰিছে।

# সাম্ৰাজ্যবাদৰ কব্জাত ইৰাণ ভাৰতৰ নিৰ্লজ্জ আত্মসমৰ্পণ

অনুবাদ ঃ প্ৰাঞ্জল প্ৰতীম শৰ্মা

ইৰাণ আমেৰিকাৰ বাবে অতি গুৰুত্বপূৰ্ণ। সেই বাবে বহু দশক ধৰি আমেৰিকাই নিজৰ পুতলা হিচাপে ইৰাণৰ শ্বাহকে দেশখনৰ মছনদত বহুৱাইছে। ইৰাণ যে কেবল মাত্ৰ বিশ্বৰ অন্যতম সৰ্ববৃহৎ তেল আৰু গেছ সম্পদৰ ভাণ্ডাৰেই তেনে নহয়, ভৌগলিক অৱস্থানৰ পৰাও দেশখনৰ ৰাজনৈতিক গুৰুত্ব অপৰিসীম। ইৰাক আৰু আফগানিস্তানৰ সমস্যা জৰ্জৰ অঞ্চলবোৰৰ সৈতে দেশখনৰ দুই বৃহৎ সীমান্ত আছে। আকৌ পাকিস্তান, তুৰ্কমেনিস্তান, আজাৰবাইজান তথা তুৰস্কৰ সীমান্ত অঞ্চলৰ বেচ কিছু অংশও ইৰাণৰ সৈতে সংযুক্ত হৈ আছে। আৰু উল্লেখ্য যে সমগ্ৰ পশ্চিম এছিয়াৰ তেল ভাৰত মহাসাগৰৰ সৈতে উপসাগৰৰ সংযোগকাৰী হৰমুজ জলপ্ৰণালীক অতিক্ৰমি ইৰাণৰ আভ্যন্তৰৰ উপসাগৰীয় ৰণকৌশলগত অঞ্চলৰ মাজেদি প্ৰবাহিত হয়। ফলত ইৰাণক আক্ৰমণ কৰিব পাৰিলেই সমগ্ৰ অঞ্চলৰ তেলবাহী জাহাজ পৰিবহন ব্যৱস্থাটো বন্ধ কৰি দিব পৰা যায়। অৰ্থাৎ ইৰাণী তেল ভাণ্ডাৰত আমেৰিকাৰ কব্জা নিশ্চিত হয়।

তেল আৰু গেছ সম্পৰ্কে প্ৰকাশিত এক পত্ৰিকাৰ পৰা জানিব পৰা যায় যে ১,০২৬০০ কোটি বেৰেল তেলৰ ভ.ণ্ডাৰকলৈ ইৰাণ ছৌদি আৰৱৰ পিছতেই বিশ্বৰ সৰ্ববৃহৎ দ্বিতীয় তৈলভাণ্ডাৰ। একেখন পত্ৰিকাত কোৱা হৈছে যে ৰাছিয়াৰ ১৬৮০ ট্ৰিলিয়ন পৰিমাণৰ গেছৰ পিছতেই বাকী সমগ্ৰ বিশ্বক পিছ পেলাই ইৰাণত ৯৪০ ট্ৰিলিয়ন গেছ সম্পদ সঞ্চিত হৈ আছে। অৰ্থাৎ তেল আৰু গেছ এই দুই সম্পদ মিলাই ইৰাণৰ স্থান হিচাপ কৰিলে ছৌদি আৰৱৰ প্ৰায় সমান। ইয়াৰোপৰি কাস্পীয়ান সাগৰ অঞ্চলত আটাইতকৈ বেছি তেল তথা গেছৰ ভূগৰ্ভস্থ স্তৰৰ ওপৰত ৰাছিয়াৰ সৈতে ইৰাণৰ যৌথ অধিকাৰ স্থাপিত হৈছে। আকৌ উল্লেখ কৰা প্ৰয়োজন যে ছৌদি আৰৱৰ সৈতে ইৰাণৰ ব্যৱধান আছে - ইৰাণত উৎপাদন তুলনামূলকভাৱে কম, সেইবাবে বিশ্বৰ শক্তিৰ বজাৰত ইৰাণৰ ভূমিকা অত্যন্ত স্পষ্ট তথা ক্ৰমবৰ্ধমান। মাৰ্কিন সংস্থাবোৰে এই বিশ্বৱজাৰক নিয়ন্ত্ৰণ কৰাৰ প্ৰাণপণ প্ৰচেষ্টা চলাই আছে, কিন্তু সক্ষম হোৱা নাই; কাৰণ মাৰ্কিন আইন অনুসৰি ইৰাণৰ সৈতে দ্বিপাক্ষিক ব্যৱসায়ত নিষেধাজ্ঞা আছে। সেইবাবে ইৰাণে তেল ব্যৱসায়ত গতিমুখ পৰিৱৰ্তন কৰিছে। বিশেষকৈ ৰাছিয়া আৰু চীনৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিছে। ইৰাণৰ কিছু তৈলক্ষেত্ৰৰ অধিকাংশত চীনে স্বত্বাধিকাৰী লাভ কৰিবলৈ সক্ষম হৈছে।

এই মূল ভিত্তিৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমেৰিকাই ইৰাণৰ হৃদপিণ্ড স্বৰূপ তেল আৰু গেছ ভাণ্ডাৰৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিবলৈ বিচাৰে। কিন্তু বিভিন্ন ভৌগলিক-ৰাজনৈতিক বিষয়ৰ সীমাবদ্ধতাৰ বাবে প্ৰত্যক্ষ আক্ৰমণ অতি সহজ নহয়। তথাপি এই বিষয়টোলৈ অহাৰ পূৰ্বে আহক ইৰাণৰ বিৰুদ্ধে পাৰমাণৱিক অস্ত্ৰ যি ইচ্যুটো উত্থাপন কৰা হৈছে, তাৰ উৎস অনুসন্ধান কৰা যাওক।

ঐতিহাসিক দৃষ্টিকোণৰ পৰা ঃ

১৯৫৭ চনৰ অভ্যুত্থানৰ পিছত ইৰাণত আমেৰিকাৰ পুতুলা শ্বাহক দিয়া হোৱাইট হাউচৰ দান হিচাপেই আহিছিল ইৰাণৰ পাৰমাণৱিক কৰ্মসূচী। দুই দশকৰ অধিককাল ধৰি আমেৰিকাই ইৰাণক মাত্ৰ পাৰমানৱিক প্ৰযুক্তিৰ ক্ষেত্ৰত সহায় কৰাই নহয়, দেশখনত প্ৰথম পৰমাণু চুল্লী আৰু ইউৰেনিয়াম তথা প্লুটৈ নিয়ামৰ যোগানো ধৰি আহিছিল। তেতিয়া কিন্তু ইৰাণৰ পৰা আমেৰিকাই কোনোধৰণৰ চৰ্ত বা গেৰান্টি বিচৰা নাছিল। ৭০ দশকৰ মাজভাগত আমেৰিকা-ইছ্লামী বিদ্ৰোহত শ্বাহ ক্ষমতাচ্যুত হৈ তেহৰাণৰ মছনদত ১৯৭৯ চনত ক্ষমতালৈ আহে আয়েতুল্লা খোমেইনি। ইয়াৰ লগে লগে ১৯৮০ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই ইৰাকৰ ছাদ্দাম হুছেইন প্ৰশাসনক ইৰাণ আক্ৰমণৰ বাবে প্ৰৰোচিত কৰে আৰু দুয়োখন প্ৰতিবেশী ৰাষ্ট্ৰ কেবালাখ লোকৰ প্ৰাণৰ বিনিময়ত চলে আঠ বছৰীয়া ৰক্তক্ষয়ী যুদ্ধ। কিন্তু নতুন ইচলামী চৰকাৰে পাৰমাণৱিক অস্ত্ৰ সম্প্ৰসাৰণৰোধ চুক্তি স্বাক্ষৰ কৰে।

চুক্তিৰ ৪ নং অনুচ্ছেদত নিৰস্ত্ৰী দেশবোৰক শান্তিৰ উদ্দেশ্যত প্ৰয়োজনীয় পৰমাণু প্ৰযুক্তিৰ সৰ্বাত্মক উন্নয়নৰ বাবে সকলো ধৰণৰ অধিকাৰত অনুমোদন জনোৱা হৈছে। অকল সেয়াই নহয়,৬ নং অনুচ্ছেদত যিবোৰ দেশৰ হাতত এই ধৰণৰ প্ৰযুক্তি আছে সেই দেশবোৰৰ ওপৰত চুক্তি স্বাক্ষৰকাৰী নিৰস্ত্ৰীদেশবোৰক সংশ্লিষ্ট প্ৰযুক্তি সৰবৰাহৰ ক্ষেত্ৰত তৎপৰ হোৱাৰ বাবে বাধ্যবাধকতা আৰোপ কৰা হৈছে। ইৰাণক দেশখনৰ ইউৰেনিয়াম স্বয়ং সমৃদ্ধ কৰাৰ পৰা বিৰত ৰাখিবলৈ আমেৰিকাই (আৰু পৰৱৰ্ত্তী কালত ইউৰোপীয় সংঘৰ তিনিখন দেশ) সেই আইনী অধিকাৰৰ বিৰোধীতা কৰিছে। প্ৰকৃতাৰ্থত পাৰমাণৱিক অস্ত্ৰ সম্প্ৰসাৰণৰোধ চুক্তিৰ সৰ্বশেষ পৰ্যালোচনা সভাত আমেৰিকাই ইউৰেনিয়াম স্বয়ংসমৃদ্ধিৰ অধিকাৰ খৰ্বৰ লক্ষ্যত চুক্তিৰ ধাৰা নতুনকৈ লিপিবদ্ধ কৰাৰ সৰ্বতোপ্ৰকাৰ প্ৰচেষ্টা চলায়। কিন্তু সক্ষম নহল, কাৰণ বিদ্যুৎ উৎপাদনৰ বাবে ব্যৱহৃত উৎকৃষ্ট ইউৰেনিয়ামক উচ্চমাত্ৰাত পৰিশোধন কৰি অস্ত্ৰৰ কামত ব্যৱহাৰ কৰা যায়। ইউৰেনিয়াম ইন্ধনৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ মাজত আছে খনিৰ পৰা ইউৰেনিয়াম আকৰিক নিষ্কাষণ কৰি তাত হালধীয়া আয়তাকাৰ খণ্ড বিশিষ্ট ইউৰেনিয়াম অক্সাইডলৈ প্ৰচেচিং কৰা। ইয়াৰ পিছত সেই হালধীয়া খণ্ডবোৰক প্ৰথমে ইউৰেনিয়াম টেট্ৰাক্লোৰাইড (ইউ, এফ-৪) আৰু পৰৱৰ্ত্তী অৱস্থাত তাক ইউৰেনিয়াম হেক্সাক্লৰাইড (ইউ-এফ-৬)ত পৰিণত কৰা হয়। এই ইউ-এফ-৬ কেই বিভিন্ন মাত্ৰাত পৰিশোধিতৰূপে উৎকৃষ্ট ইউৰেনিয়ামৰ কামত ব্যৱহাৰ কৰা হয়।

> ইয়াত কোনো সন্দেহ নাই যে, ১৯ জুলাইৰ ভাৰত-মাৰ্কিন পৰামাণু চুক্তিৰ পৰিপ্ৰেক্ষিততেই ভাৰতৰ এই ভোটদান। সেই সময়ৰ পৰা মাৰ্কিন শীৰ্ষস্থানীয় কৰ্মকৰ্তাসকলৰ বক্তব্যত পৰিস্কাৰ যে, আমেৰিকাৰ নিৰ্দেশতেই ভাৰতে ভোট দিছে।

৯/১১ চেপ্তেম্বৰৰ ঘটনাৰ পিছৰ পৰাই আমেৰিকাই ইৰাণক 'চয়তানৰ অক্ষ'(Exis of evil) নাম দিয়া দেশবোৰৰ ভিতৰত অন্যতম হিচাপে হিতলিষ্টত স্থান দিছে। ইৰাকৰ দৰে ইৰাণতো গণ-বিধ্বংসী অস্ত্ৰ আছে বুলি আমেৰিকাই দাবী কৰি ইৰাণক ইউৰেনিয়াম সমৃদ্ধি প্ৰক্ৰিয়া বন্ধ কৰিবলৈ বিভিন্ন ধৰণৰ ভাবুকি প্ৰদান কৰি আহিছে। পৰমাণু কৰ্মসূচীৰ বিষয়টোলৈ আমেৰিকাৰ সৈতে দূৰত্বত অৱস্থান কৰি ইৰাণে ২০০৪ চনত ইউৰোপীয় সংঘভুক্ত তিনিখন দেশ জাৰ্মাণী, ফ্ৰান্স আৰু বৃটেইনৰ (ই, ইউ-৩) সৈতে আলোচনাত বহে।

ইৰাণে দেশখনৰ অভ্যন্তৰৰ প্ৰধান ভূ-গৰ্ভস্থ অস্ত্ৰ ব্যৱস্থাৰ অস্তিত্বৰ কথা আন্তৰ্জাতিক পৰমাণু শক্তি কেন্দ্ৰ (আই,এ,ই,এ,)কনোজোনোৱা বুলি প্ৰকাশ হোৱাৰ পিছতেই সেই আলোচনা গুৰুত্বপূৰ্ণ হৈ উঠে। প্ৰাশ্চাত্যৰ দেশবোৰত ইৰাণৰ নিৰ্বাচিতসকলে পৰমাণু অস্ত্ৰ প্ৰসাৰ ৰোধ চুক্তিক অমাণ্য কৰি দেশখনৰ নাটাঁজে ইউৰেনিয়াম সমৃদ্ধিকৰণ প্ৰক্ৰিয়াৰ কথা ফাদিল কৰি দিয়ে। তাৰ পৰৱৰ্ত্তী কালত ইৰাণে পৰমাণু অস্ত্ৰ প্ৰসাৰৰোধ চুক্তিৰ সৈতে অতিৰিক্ত এক চুক্তি স্বাক্ষৰ কৰে। সেই চুক্তিৰ বলতেই আই. এ. ই. এ.ই ইৰাণৰ অভ্যন্তৰত প্ৰকৃত অথবা সন্দেহজনক যিকোনো পৰমাণু অস্ত্ৰ ব্যৱস্থা পৰীক্ষাৰ বাবে হঠাতে আঘাত হানিব পাৰিব। ২০০৪ চনৰ নৱেম্বৰত ইৰাণে এচ্কাহান আৰু নাটাঁজসহ কামৰ সৈতে যুক্ত দেশখনৰ সকলো পৰমাণু ব্যৱস্থা স্থগিত কৰে, পৰৱৰ্তীকালত আই.এ.ই.এই এচ্কাহান আৰু নাটাঁজ চীল কৰি দিয়ে।

ইউৰোপীয় সংঘভুক্ত ৩ খন দেশৰ সৈতে আলোচনাৰ এবছৰ পিছতো ইৰাণৰ সন্মুখত দেশখনৰ নিজৰ ওপৰত আস্থা গঢ়ি তোলাৰ বাহিৰে অন্য পথ খোলা নাছিল। আমেৰিকাৰ কঠোৰ অৱস্থানৰ মুখত ইৰাণে ইউৰোপীয় সংঘৰ মধ্যস্থতা আশা কৰিছিল। এই ক্ষেত্ৰত দেশখনে এক ঐক্যৰ বাবে কাষ চাপিছিল আৰু ইউৰোপীয় সংঘৰ পৰা প্ৰস্তাৱ অহাৰ আশা কৰি এক সময় সীমা নিৰ্ধাৰণ কৰি দিছিল। কিন্তু প্ৰস্তাৱ অহাৰ বিপৰীতে ইৰাণে ২৯-০৭-০৪ তাৰিখত পালে ইউৰোপীয় সংঘৰ এখন পত্ৰ। এই পত্ৰই দেশখনৰ সকলো আশা চুৰমাৰ কৰি দিয়ে। ফলত ইৰাণে আই. এ. ই. এক বিজ্ঞপ্তিৰ জৰিয়তে জনায় যে দেশখনে এচকাহানৰ ইউৰেনিয়াম ৰূপান্তৰৰ কাম পুনৰাই আৰম্ভ কৰিব কিন্তু তাক সমৃদ্ধ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ নকৰে। অৱশেষত ৮ আগষ্টত ইউৰোপীয় সংঘৰ পৰা কিছু প্ৰস্তাৱ আহে। 'দীৰ্ঘম্যাদী চুক্তি কাঠামো' নামৰ এই প্ৰস্তাৱবোৰৰ মাজত আছিল নিৰাপত্তা, আৰ্থিক সহযোগিতা, ঔষধ-সৰবৰাহ, সন্ত্ৰাসবাদ ইত্যাদি বিষয়ত নিশ্চয়তা। কিন্তু প্ৰস্তাৱৰ মৰ্মাৰ্থত নিহিত আছিল-ইৰাণে দেশখনৰ ইন্ধন পৰিমণ্ডলৰ কাম বন্ধ কৰিব। প্ৰস্তাৱত উল্লেখ কৰা হৈছে,-' ইৰাণৰ নিজস্ব পৰমাণু বিভাজনৰ কামত অংশ গ্ৰহণ কৰাৰ কোনো ব্যৱহাৰিক প্ৰয়োজন আছে বুলি আমি নাভাবো।' মূল কথাটো হৈছে চেপ্তেম্বৰৰ নিৰ্বাচনৰ কেইমাহমান পূৰ্বে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিদেশ দপ্তৰৰ অৱৰ সচিব নিকোলাচ বাৰ্ণচে জনায় দিয়ে যে আই. এ. ই.এ.ৰ ব'ৰ্ডে যেতিয়া ৮ আগষ্টত ইৰাণৰ কাৰ্যকলাপত 'গভীৰ উদ্বেগ' প্ৰকাশ কৰি এক প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে ইৰাণক "দেশখনৰ ইউৰেনিয়াম সমৃদ্ধিকৰণ সম্পৰ্কীয় সকলো কাম সম্পূৰ্ণ বন্ধ কৰিছে বুলি পুনৰাই নিশ্চিত কৰিবলৈ' বুলি, তেতিয়া ভাৰতে হেনো

আই. এ. ই. এক সহযোগিতা কৰিছে।

পশ্চিমৰ এই ধৰণৰ বৈৰী দৃষ্টিভংগীৰ কাৰণে ইৰাণৰ নিৰ্বাচনত ক্ষমতালৈ অহা নতুন চৰকাৰে যোৱা বছৰৰ ৮ আগষ্টত এচকাহানত পুনৰ পৰমাণু বন্দোবস্তিৰ কাম আৰম্ভ কৰে। তথাপি সেইটো আছিল মূলতঃ নাটাঁজৰ ইউৰেনিয়াম সমৃদ্ধিকৰণৰ বাবে মজুত হিচাপে ইউৰেনিয়াম ৰূপান্তৰৰ কাম। এই পদক্ষেপৰ সহায়ত ইৰাণে ইউৰেনিয়াম ৰূপান্তৰৰ কাম আৰম্ভ কৰে। কিন্তু এটা ঘটনা যে, ইউৰেনিয়াম সমৃদ্ধিকৰণৰ কাম কৰা সম্ভৱ হ'লহেঁতেন মাত্ৰ নাটাঁজতেই, য'ত স্থিতাৱস্থা অক্ষত আছে। এচকাহানত যি পৰমাণু ব্যৱস্থাৰ কাম পুনৰাই আৰম্ভ কৰা হৈছিল, সেইটো হৈছে উপযুক্ত সুৰক্ষাৰ যাৱতীয় ব্যৱস্থা কৰি। আই. এ. ই.এ পৰ্যবেক্ষকসকলে ইৰাণৰ পৰমাণু ব্যৱস্থাৰ ভিতৰলৈ গৈ কেমেৰা স্থাপন কৰাৰ পিছতেই কাম আৰম্ভ হৈছে। তৎসত্বেও আমেৰিকাই ইৰাণৰ পৰমাণু কৰ্মসূচীৰ তীব্ৰ বিৰোধিতা কৰিছে আৰু ইৰাণে দেশখনৰ পৰমাণু কৰ্মসূচীৰ বাবে ইউৰেনিয়াম সমৃদ্ধিকৰণৰ কাম সম্পূৰ্ণ বন্ধ নকৰিলে দেশখনৰ ওপৰত ইচ্ছা হ'লেই সামৰিক অভিযান চলাব পাৰিব, সেই পথ খোলা ৰখা হৈছে।

৩৫ সদস্য বিশিষ্ট আই. এ. ই. এ বোৰ্ডে চেপ্তেম্বৰত ইৰাণক এচকাহানৰ ইউৰেইনিয়াম সমৃদ্ধিকৰণ কাম বন্ধ কৰিবলৈ নিৰ্দেশ জাৰি কৰি এটা প্ৰস্তাৱ গৃহিত কৰে। প্ৰস্তাৱৰ বিবৃতিত কোৱা হয়,- ' ইৰাণৰ পৰমাণু কৰ্মসূচী সম্পৰ্কীয় প্ৰধান ইচ্ছুবোৰৰ বৰ্ত্তমানো হোৱা নাই আৰু আই. এ. ই. এ. এতিয়াও এইধৰণৰ সিদ্ধান্তত উপনীত হোৱা নাই যে, ইৰাণত কোনো পাৰমানৱিক ৰচদ-উপকৰণ বা সেই সংক্ৰান্তীয় কোনো কাৰ্যসূচী নাই।' প্ৰস্তাৱত তেহ্ৰাৰ বিষয়টোক আন্তৰ্জাতিক আৰ্থিক তথা সামাজিক শান্তিৰ বিধানকাৰী ৰাষ্ট্ৰ সংঘৰ নিৰাপত্তা পৰিষদৰ ওচৰত পঠাবলৈ বিচৰা হৈছে। ইৰাণৰ নতুন চৰকাৰে আমেৰিকা আৰু ইউৰোপীয় সংঘৰ এই ভাবুকিৰ প্ৰকাশ্যে উত্তৰ দি কৈছে, যে দেশখনে পাৰমাণবিক অস্ত্ৰ প্ৰচাৰৰোধ চুক্তিৰ বলত অনুমোদন প্ৰাপ্ত ইউৰেণিয়াম সমৃদ্ধিকৰণ কৰ্মসূচী চলাই যাব। বাস্তৱিকতে ২০০৫ চনৰ নৱেম্বৰত ইৰাণৰ ইউৰেনিয়াম সমৃদ্ধিকৰণৰ শেষ পৰ্যায়টো ৰাছিয়াৰ ভূমিলৈ লৈ যোৱাৰ বাবে ৰাছিয়াৰ পৰা প্ৰস্তাৱ ইৰাণে সৰ্বসমক্ষে নাকচ কৰি দিছে। বেপেৰুৱা মনোভাৱ দেখুৱাই ইৰাণৰ সংসদে তেহ্ৰাণৰ বিষয়টো ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদলৈ পঠোৱা হ'লে ইউৰেণিয়াম সমৃদ্ধিকৰণৰ কাম পুণৰাই আৰম্ভ কৰা আৰু ইৰাণত ৰাষ্ট্ৰসংঘৰ হঠাৎ পৰিদৰ্শন বন্ধ কৰা পদক্ষেপত অনুমোদন জনায়।

উদ্বোধনী ভাষণত ইৰাণৰ নতুন ৰাষ্ট্ৰপতিয়ে কয় যে, তেওঁলোকে বিদেশী জোৰ-জুলুম প্ৰতিৰোধ কৰিব, তথাপি আলোচনাৰ পথ খোলা ৰাখিছে।

***ৰণ-কৌশলগত দিশৰ পৰা ইৰাণৰ বৈশিষ্ট্য ঃ*** ইৰাক- ইৰাণৰ যুঁদ্ধৰ পিছৰে পৰা ইৰাণে ইৰাকৰ ছিয়া জনগোষ্ঠীৰ ওপৰত ব্যাপক প্ৰভাৱ দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে আৰু চুন্নীবিদ্ৰোহ প্ৰতিহত কৰিবলৈ এই ছিয়াসকলৰ ওপৰতেই প্ৰধানতঃ নিৰ্ভৰশীল আমেৰিকা। আয়েতুল্লা খোমেইনীয়ে নিজে ইৰাকত তেওঁলোকৰ মদতপুষ্ট সংগঠন, স্কিৰি (সুপ্ৰীম কাউন্সিল অফ ইচলামিক ৰিভোলিউশ্যন ইন ইৰাক) গঠনৰ কাম তদাৰক কৰিছিল। স্কিৰিৰ সামৰিক শাখা বদৰ বিগ্ৰেড গঠন কৰিছে, তেওঁলোকক অস্ত্ৰ যোগান ধৰিছে আৰু প্ৰশিক্ষণ দিছে ইৰাণীয় বিপ্লৱী ৰক্ষী বাহিনীয়ে। ১৯৯১ চনত ইৰাকৰ ওপৰত আমেৰিকাৰ যুদ্ধাভিযানৰ সময়ত ইৰাণে স্কিৰি আৰু অন্যান্য সকলক আমেৰিকাৰ সৈতে সহযোগিতাৰ বাবে নিৰ্দেশ দিছিল। হ্ৰাণীয় কুৰ্ডসকলৰ সমৰ্থন তথা সহযোগিতা পাবলৈ আৰু ইৰাকত কুৰ্ডিচ পাৰ্টিৰ ওপৰত চাদ্দামৰ প্ৰভাৱ খৰ্ব কৰিবলৈ উত্তৰৰ দিশত চাদ্দামৰ সৈতে যুদ্ধত ইৰাণৰ প্ৰশাসনে ইৰাকৰ বৃহৎ কুৰ্ডিচ পাৰ্টিৰ নেতা জালাল তালিবানীক সমৰ্থন কৰিছিল। এই খেলখনতো ইৰাণৰ অৱস্থান আছিল আমেৰিকাৰ পক্ষত।

কিন্তু এইবাৰ (২০০৩) ইৰাক আক্ৰমণৰ সময়ত আমেৰিকাই বিগত এক দশক ধৰি যাৰ সৈতে যৌথভাৱে কাম কৰি আহিছিল; সেই স্কিৰিৰ প্ৰত্যক্ষ সমৰ্থন বিচাৰিলেও সেয়া পোৱা নাই। তথাপি আমেৰিকাৰ আক্ৰমণৰ লগে লগে দ্ৰুতভাৱে আৰম্ভ হৈ যোৱা ইৰাকীৰ বিদ্ৰোহত "স্কিৰি'য়ে তেওঁলোকৰ অনুগামী সকলক যোগদান কৰিবলৈ নিষেধ কৰে আৰু মাৰ্কিন দখলদাৰীবোৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ বিচৰা ছিয়া নেতা স্বয়ং মোক্তাদাক নিষ্ক্ৰিয় কৰি দি স্কিৰিয়ে আমেৰিকাৰ স্বাৰ্থত প্ৰচুৰ সেৱা আগবঢ়াইছিল। (মোক্তাদাৰ পিতৃ আছিল স্কিৰিৰ প্ৰতিষ্ঠাসকলৰ অন্যতম)

আমেৰিকাৰ ইৰাক দখল কৰা তথা স্কিৰিৰ নেতাসকল সম্মুখলৈ আগবাঢ়ি অহাৰ লগে লগে ইৰাকৰ ৰাষ্ট্ৰযন্ত্ৰৰ সকলো স্থানৰ দখল নিবলৈ ইৰাণে দেশ খনৰ মদতপুষ্ট বদৰ বিগ্ৰেদৰ দৰে দলবোৰৰ ভিতৰৰ লোকসকলক তেওঁলোকৰ ওচৰত পোৱাৰ কামত একনিষ্ঠ হ'ল। সেইবাবে ঘটনাই বেলেগ ৰূপ ল'লে। নিজৰ মাজত বহুদ্বন্দ্ব থকা সত্বেও আমেৰিকা আৰু ইৰাণৰ চৰকাৰে ইৰাকত কান্ধত কান্ধ মিলাই কাম কৰিলে। ইৰাণৰ সৈতে সম্পৰ্কহীন যিসকল মাৰ্কিন দালাল আছিল, চুন্নী বিদ্ৰোহ বাঢ়ি উঠাৰ সময়ত তেওঁলোকে বেছিকৈ নিৰ্ভৰ কৰিব লগা হ'ল ধৰ্মযাজকসকলৰ ওপৰত। কিন্তু মাৰ্কিনৰ সু-প্ৰসিদ্ধ দালাল তথা এটা দিশৰ বিৰাট আশা-ভৰষাযোগ্য ছালাবিও ইৰাণীসকলৰ দললৈ যায় আৰু নতুন ভাগ-বটোৱাৰাৰ এক বিশিষ্ট মুৰ্ত্তিলৈ পুনৰ আৰ্বিভূত হয়। সেই বাবে ইৰাকত বিদ্ৰোহ বাঢ়ি অহাৰ লগে লগে ছিয়া জনগণক



লিটাৰ গাখীৰ উৎপাদন হয় আৰু প্ৰায় এহেজাৰ গো-পালকৰ পৰিয়ালৰ জীৱনলৈ দুৰ্দিন নামি অহাৰ লগতে গুৱাহাটী মহানগৰলৈ সৰবৰাহ কৰা এই গাখীৰেই মহানগৰবাসীৰ লগতে উপকণ্ঠীয় জনজীৱনলৈ বেমাৰৰ বীজাণু বিয়পোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এনে ধৰণৰ ৰোগৰ ব্যাপক সম্ভাৱনাৰ ফলতেই বৃহত্তৰ কমাৰকুছিৰ অন্তৰ্গত গাঁওসমূহ একত্ৰিত হৈ গঠিত হৈছে 'বৃহত্তৰ কমাৰকুছি (গাঁও পঞ্চায়ত) প্ৰদূষণ নিয়ন্ত্ৰণ সংগ্ৰাম সমিতি।'

আকৌ বেহাৰবাৰী অঞ্চলত ৩ টা, লখ্ৰাত ১ টা আৰু বড়াগাঁৱত ১টাকোক্ উদ্যোগৰ উপৰি বড়াগাঁৱত ১ টা কাৰ্বনৰ উদ্যোগে বৃহত্তৰ অঞ্চলটোৰ ৰাইজক বিতুষ্ট কৰি তুলিছে। বিশেষকৈ বেহাৰবাৰী আৰু বড়াগাঁৱৰ কোক্ আৰু কাৰ্বন উদ্যোগে মাৰাত্মক প্ৰদূষণৰ সৃষ্টি কৰিছে। বড়াগাঁৱৰ যুৱ-ব্যৱসায়ী জীৱনজ্যোতি ৰাজবংশীয়ে জানিবলৈ দিয়া অনুসৰি বৃহত্তৰ বড়াগাঁৱৰ কৃষকৰাইজে ৰবি শস্যৰ খেতি পৰ্যন্ত কৰিবলৈ এৰি দিয়াৰ লগতে চোতাল ঘৰত কয়লা-কাৰ্বনৰ গুৰি নিতৌ পৰি চৌকাষৰ সামাজিক পৰিবেশ দূষিত কৰাৰ ফলত গাঁৱবাসীক অৰ্থনৈতিকভাবে ক্ষতিগ্ৰস্ত কৰিছে। এই সম্পৰ্কত স্থানীয় ৰাইজে চৰকাৰক দাবী-ডুবা কৰিয়ো দীৰ্ঘদিন ধৰি সুফল পোৱাৰ পৰা বঞ্চিত হ'ব লগা হৈছে।

তেনেদৰে চাংসাৰি, উত্তৰ গুৱাহাটী, ৰাণী-বেলগুৰি, আজাৰা হাটখোৱাপাৰা আদিতো ২ টাকৈ কোক্ উদ্যোগ স্থাপনৰ পূৰ্ণ প্ৰস্তুতিৰে নিৰ্মাণৰ কাম চলাই গৈছে। লগে লগে স্থানীয় ৰাইজে শংকিত হৈ প্ৰতিটো অঞ্চলতে সংগঠিত হৈছে আৰু প্ৰতিৰোধ সংগ্ৰাম সমিতি গঠন কৰি গণতান্ত্ৰিকভাবে কোক্ উদ্যোগ বন্ধৰ দাবীত গণআন্দোলনত নামি পৰিছে।

কোক্ উদ্যোগৰ পৰা কি কি বেমাৰ বিঁয়পিব ঃ নতুন দিল্লীৰ 'চেন্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰণমেণ্ট' নামৰ প্ৰতিস্থানটোৱে চলোৱা অধ্যয়ণৰ পৰা পোৱা এক তথ্য অনুসৰি কয়লাৰ পৰা ওলোৱা কাৰ্বন ডাই অক্সাইড কাৰ্বন মন'ক্সাইড, ছালফাৰ আৰু মিথেন গেছে বায়ুমণ্ডল দুষিত কৰাৰ বাবে 'অকুপেচনেল হেল্থ ডিজিজ' নামৰ বীজাণুৰ সৃষ্টি হয়। যাৰ পৰিণতি ৰূপে টি বি হাঁওফাঁওৰ বিভিন্ন কঠিন ৰোগ, ব্ৰংকাইটিছ, দৃষ্টিহীনতা, ছালৰ মাৰাত্মক ৰোগ, ৰক্তহীনতা, কেন্সাৰ আদি প্ৰাণনাশক ৰোগৰ বিঁয়পাই আশংকাই দেখা দিয়ে। পানী কয়লাৰ সংস্পৰ্শলৈ আহিলে বিযাক্ত গেছৰ উদ্ভৱ হয় আৰু সেই পানী খেতি পথাৰলৈ বৈ আহিলে খেতি-বাতি হোৱাৰ কোনো সম্ভাৱনাই নাথাকে। ইয়াতকৈয়ো ভয়াবহ দিশ হ'ল কয়লাৰ পৰা নিৰ্গত হোৱা মিথেন গেছত কেনেবাকৈ ফিৰিঙতি এটা পৰিলেও তাৰ পৰা প্ৰকাণ্ড অগ্নিপিণ্ডৰ সৃষ্টি হয় যাৰ ফলত সমগ্ৰ অঞ্চল এটা জুইত পুৰি ছাই হৈ যাব পাৰে।

পুনৰ ৰসায়ণ বিজ্ঞানী অনিল বৰুৱাৰ মতে কোক্ ভষ্মীকৰণৰ ভাতাৰ ভিতৰত উষ্ণতাৰ পৰিমাণ হ'ব ১২০০° - ১৫০০° পৰ্যন্ত। ভাতাত কেতিয়াবা বিজুতি ঘটিলে বায়ুমণ্ডলত তাপ প্ৰদূষণৰ সৃষ্টি হ'য়। উদ্যোগটিত ১০০ ৰ পৰা ১৫০ ডেচিবেল শব্দৰ সৃষ্টি হয়। ব্যুৰ অৱ ইণ্ডিয়ান ষ্টেণ্ডাৰ্ডে ধাৰ্য কৰা গ্ৰহণযোগ্য শব্দৰ মাত্ৰা ৪৫-৬০ ডেচিবেল। কেঁচা পেট্ৰলিয়াম কোক্ ভষ্মীকৰণ তথা বিয়োজনত গেছ প্ৰজ্বলিত কণিকা জাতীয় পদাৰ্থ, এলান্ধু আদি নিৰ্গত হয়। নাইট্ৰ'জেন অক্সাইড অবিৰতভাবে বায়ু মণ্ডললৈকে গ'লে চালফিউৰিক এচিড বৰযুণ হ'ব।

প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগক চৰকাৰৰ অনুমতি কিয়? জনকল্যাণৰ নামত সেৱা আগবঢ়োৱা চৰকাৰবোৰে জনস্বাৰ্থ, জনস্বাস্থ্যৰ প্ৰতি সম্পূৰ্ণ পিঠি দি জনবিৰোধী উদ্যোগক ৰঙা দলিচা পাৰি বহুওৱাৰ অনুমতি দিয়াৰ অন্তৰালতে চৰকাৰসমূহৰ চৰিত্ৰ ওলাই পৰে। বিশেষকৈ ৰাজ্যখনত প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ লেখিয়া স্বতন্ত্ৰ পৰিষদ এটি থকাৰ পিচতো জনগণক জ্বলা-কলা কৰা উদ্যোগসমূহক অনুমতি প্ৰদানেই জনগণক আচৰিত কৰি তুলিছে। এক তথ্য অনুসৰি মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয় দেশবোৰে নিজদেশৰ বতৰ পৰিৱৰ্তনত এক কু-প্ৰভাৱ পেলোৱাৰ বাবেই এনে কোক্ উদ্যোগ বন্ধ কৰি দিয়াৰ ফলত বিশ্ববজাৰত কোক্‌ৰ চাহিদা অনুসৰি উৎপাদন কম হৈ উঠিছিল, ফলত আন্তজাৰ্তিক বজাৰত কোক্‌ৰ দাম যথেষ্ট বৃদ্ধি হৈছিল। আন এক তথ্যমতে চীনদেশে বিশ্ব বজাৰত ৩৫ শতাংশ কোক্‌ৰ চাহিদা পূৰণ কৰে। ফলত চীন দেশত কয়লাখনিত কাম কৰা শ্ৰমিকসকলৰ অৱস্থা আজি ভয়ানকভাবে বেয়া। যাৰ ফলত যোৱা ২০০৪ বৰ্ষত কয়লা খনিত কাম কৰা ২০,০০০ (বিশ হাজাৰ) শ্ৰমিক মৃত্যুমুখত পৰিব লগা হয়। তদুপৰি এই বছৰৰ আগষ্টলৈ ৭০০০ (সাত হাজাৰ) জন শ্ৰমিকে প্ৰাণবলি দিব লগা হয়। ফলস্বৰূপে কোক্‌উদ্যোগৰ বিৰুদ্ধে চীনৰ শ্ৰমিকসকল ঐক্যবদ্ধ হোৱাৰ বাতৰি পোৱা গৈছে।

এইবোৰ তথ্যই দেখুৱাই আন্তজাৰ্তিক বজাৰৰ চাহিদাৰ বাবেই দুখীয়া দেশবোৰত এই উদ্যোগে খোপনি লোৱাৰ কথাটো। একমাত্ৰ ধনৰ লোভতেই যে আমাৰ দেশ তথা ৰাজ্যখনৰ চৰকাৰৰ জননেতা, বিষয়াসকলে জনস্বাৰ্থৰ প্ৰতি পিঠি দিয়ে, সেয়া অসম মূলুকত পুনৰবাৰ প্ৰমাণ হৈছে। বিশেষকৈ চৰকাৰে এই বছৰত মে' মাহৰ ১৬ তাৰিখে কোক্ উদ্যোগৰ অনুজ্ঞা প্ৰদান তথা অনুজ্ঞাপ্ৰাপ্ত সকলকো কাম-কাজ (উৎপাদন আৰম্ভ নকৰা গোট সমূহক) বন্ধ কৰাৰ নিৰ্দেশনা দিয়া সত্ত্বেও আজাৰা হাটখোৱাপাৰা, ৰাণী বেলগুৰি, উত্তৰ গুৱাহাটী আদি অঞ্চলত একাংশ ব্যৱসায়ীয়ে নিৰ্ভয়ে নিৰ্মাণকাৰ্য অদ্যপি চলাই গৈছে। প্ৰশাসন নিৰ্বিকাৰ। অৰ্থাৎ গাঁও পঞ্চায়তৰ সভাপতি, উদ্যোগ বিভাগৰ পৰিচালন সঞ্চালক, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষৰ পৰা স্থানীয় বিধায়ক, মন্ত্ৰীলৈকে সকলোৱে টকাৰ বাবেই এইক্ষেত্ৰত এক মৌন ব্ৰত পালন কৰা দেখা গৈছে।

তথ্য অনুসৰি অসমত এতিয়ালৈ অনুজ্ঞাপ্ৰাপ্ত ৪০ টা কোক্ উদ্যোগৰ ২৯ টাই কামৰূপ জিলাত।

*গণ আন্দোলনৰ পথত নামি পৰিছে কোক্ বিৰোধী জনগণ ঃ* চৰকাৰৰ পৰ্বত সমান নিৰ্লিপ্ততাত বাধ্যহৈ অস


চৌদিশে ইতিমধ্যে গঢ়ি উঠা কোক্ উদ্যোগ বিৰোধী সংগ্ৰাম কমিটিসমূহ অলপতে ঐক্যবদ্ধহৈ 'সংযুক্ত প্ৰদূষণ নিয়ন্ত্ৰণ সংগ্ৰাম সমিতি, অসম' নামেৰে গঠিত হৈ গণ আন্দোলনৰ পথ লোৱাৰ কথা ঘোষণা কৰিছে। এই সমিতিত সমিতিৰ বিষয়ববীয়াই অসমৰ প্ৰদূষণ বিৰোধী সংগঠন- বোৰক অন্তৰ্ভূক্ত হ'বলৈ আহ্বান জনোৱাৰ লগতে চৰকাৰক শীঘ্ৰে কোক্‌কে ধৰি প্ৰদূষণ সৃষ্টিকাৰী সকলো উদ্যোগ বন্ধ কৰাৰ দাবী জনাইছে। প্ৰদূষণ নিয়ন্ত্ৰণ সংগ্ৰাম সমিতিৰ ফালৰ পৰা যোৱা জানুৱাৰী মাহত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীক এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ কথা জানিব পৰা গৈছে।

*ৰাণীত ক্ষোভিত ৰাইজে লণ্ড-ভণ্ড কৰিলে কোক্ উদ্যোগৰ নিৰ্মাণ কাৰ্য ঃ*

উত্তৰ গুৱাহাটীত, আজাৰাত কোক্ উদ্যোগৰ বিৰুদ্ধে স্থানীয় ৰাইজে ব্যাপক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণৰ পিচত এই বছৰৰ ৮ জানুৱাৰীত 'ৰাণী কোক্ উদ্যোগ প্ৰতিৰোধ সংগ্ৰাম সমিতি'য়ে এখন গণসভা আহ্বান কৰে। উক্ত গণসভাত উপস্থিত থকা স্থানীয় ৰাইজে চৰকাৰ তথা জিলা প্ৰশাসনে এই জনগণ বিৰোধী কোক্‌উদ্যোগৰ নিৰ্মাণকাৰ্য সন্দৰ্ভত এবছৰে মৌন ভূমিকা পালন কৰাত ৰাইজ ক্ষোভিত হৈ পৰে। বিশেষকৈ সাতদিন আগতে সমিতিয়ে জিলা উপায়ুক্ত গণেশ কলিতাক প্ৰদান কৰা চৰমপত্ৰৰ পিছতো নীৰৱে থকাত ৰাইজ উত্তেজিত হৈ পৰে । সভাত উপস্থিত থকা কৃষক, শ্ৰমিক, মহিলা, যুৱ-ছাত্ৰই নিজৰ নিজৰ বক্তব্য প্ৰদান কৰে আৰু নিৰ্মাণস্থলীলৈ গৈ নিৰ্মাণকাৰ্য বন্ধ কৰাৰ শেষ সঁকিয়নী জনোৱাৰ সিদ্ধান্ত গণসভাত গ্ৰহণ কৰে। আৰু লগে লগেই প্ৰায় হাজাৰোধিকলোক পুৰুষ-মহিলা-যুৱ-ছাত্ৰ সমন্বিতে 'কোক্ উদ্যোগৰ নিৰ্মাণকাৰ্য বন্ধ কৰক', 'এই দাবী ৰাইজৰ দাবী' 'ৰাইজৰ দাবীক সন্মান কৰক' আদি শ্লোগানেৰে বাট-পথ উত্তাল কৰি ক্ষোভিত ৰাইজে স্থানীয় আৰক্ষীৰ বাধা নামানি উদ্যোগক্ষেত্ৰত প্ৰবেশ কৰি আৰু নিৰ্মাণকাৰ্য লণ্ড-ভণ্ড কৰে। এই গণ আন্দোলনৰ দ্বাৰাই উত্তেজিত ৰাইজে কোক্‌উদ্যোগ স্থাপনৰ উদ্যোগ লোৱা লুণ্ঠনকাৰী ব্যৱসায়ী তথা পৃষ্ঠপোষক চৰকাৰক ৰাইজে শেষ সকিয়নী প্ৰদান কৰে।

*স্থানীয় মহিলাই বিহিলে কোক্ সংগ্ৰাম বিৰোধী দালালক ঃ*

বেলগুৰিত স্থাপনৰত প্ৰদুষণ সৃষ্টিকাৰী কোক্ উদ্যোগ বিৰোধী সংগ্ৰামখন স্থানীয় ৰাইজে তীব্ৰ ৰূপত চলাই যোৱাৰ সময়তে স্থানীয় দালাল কেইজনমানে ৰাইজৰ বাস্তৱ দাবী-ডুবাক গুৰুত্ব নিদি যোৱা ২৫ জানুৱাৰীত কোক্ উদ্যোগ লাগে বুলি এখন জনসভা অনুস্থিত কৰে। তাৰৈ টকা সিকা দি ৰাভা ছাত্ৰ সন্থাৰ দুজনমান নেতা আৰু ৰাভা স্বায়ত্ব শাসিত পৰিষদৰ ষষ্ঠ অনুসূচী দাবী সমিতিৰ ইতিমধ্যে বহিস্কৃত প্ৰাক্তন সম্পাদক বীৰেণ টৌটলা আদিক উপস্থিত কৰোৱাইছিল। সেই দিনাই স্থানীয় মহিলাসকলে শিল্পী দিৱস উপলক্ষে বেলগুৰিত সাংস্কৃতিক কাৰ্যসূচী চলাই আছিল। তেতিয়া স্থানীয় দালাল দীনেশ ৰাভা, ফটিক কাকতি আদিৰ সহিতে থকা ন-দহ জনীয়া ৰাইজবিৰোধী দলটোৱে আন এঠাইত এই সভাখন অনুষ্ঠিত কৰি আছিল। এই খবৰ কিবাকৈ স্থানীয় ৰাভা ছাত্ৰ সন্থাৰ বিষয়ববীয়াই পাই স্থানীয় মহিলাসকলৰ লগত ঐক্যবদ্ধ হয় আৰু দালাল কেইজনৰ সভালৈ একেলগে গৈ সভাখন লণ্ড-ভণ্ড কৰাৰ লগতে দালালসকলক ঘেৰি লৈ মাৰ-ধৰ কৰে। স্থানীয় কেইজনে ৰাইজৰ মাৰত পলাই-পট্টং দিয়ে আৰু কেইজনমানক মহিলাসকলে কাণত ধৰি শাস্তি প্ৰদান কৰে। বকো অঞ্চলৰ দালাল কেইজনে ভৱিষ্যতে তেনেধৰণৰ ৰাইজ বিৰোধী কাৰ্য নকৰো বুলি লিখিতভাবে দিয়ে। উল্লেখ্য যে ইয়াৰ দুদিনমান পিছত মহিলা আৰু যুৱ-ছাত্ৰৰ গণ প্ৰহাৰৰ সম্মুখীন হোৱা দালাল ক্ৰমে দীনেশ ৰাভা, ফটিক কাকতি প্ৰমুখ্যে থকা আটাইকেইজনে স্থানীয় আৰক্ষী চকীত আত্মসমৰ্পণ কৰে আৰু কোক্ প্ৰতিৰোধ সংগ্ৰাম সমিতিক আৰক্ষীৰ সম্মুখত ভৱিষ্যতে প্ৰদুষণ সৃষ্টিকাৰী কোক্ উদ্যোগ লাগে বুলি পুঁজিপতিৰ দালালি নকৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। ■



মৃত্যুৰূপী কোক উদ্যোগ স্থাপন কৰিবলৈ নিদিওঁ! ৰাণীত তাকেই প্ৰমাণ কৰিলে ৰাইজে



ৰিপৰ্ট

> দুখীয়া ৰায়তসকলে দখল কৰি থকা মাটিত এমুঠি অন্ন যোগাৰ কৰি কোনোমতে এসাজ খাই থকা এই পৰিয়ালসকলে যুগ যুগ ধৰি দখলীকৃত ভূমি উচ্ছেদৰ আশংকাত ঐক্যবদ্ধ হয়। কৃষকসকলে সংশ্লিষ্ট সকলো কৰ্তৃপক্ষৰে সৈতে যোগাযোগ কৰে। যোৱা বছৰৰ ডিচেম্বৰ মাহত এক প্ৰতিবাদী সভাও অনুষ্ঠিত কৰে।

## বৰদুৱাৰত চাহ বাগানৰ মালিকে চলাইছে ৰায়ত উচ্ছেদাভিযান

# প্ৰতিৰোধমুখী হৈ উঠিছে দুখীয়া কৃষক

দীপজ্যোতি

চৰকাৰ আৰু চাহ পুঁজিপতিসকলৰ দীৰ্ঘদিনীয়া শোষণ-বঞ্চনাই কৃষকসকলৰ সীমাহীন সমস্যাৰ সৃষ্টি কৰি দুখীয়া কৃষকসকলক কোঙা কৰি ৰাখিছে ।পূৰ্বৰে পৰা চলি অহা শোষণ- বঞ্চনাৰ বিৰুদ্ধে অৱশেষত কামৰূপ জিলাৰ বৰদুৱাৰ চাহ বাগানৰ দুখীয়া কৃষকসকল প্ৰতিবাদমুখৰ হৈ উঠিছে। ১০০ বছৰৰো অধিক কাল বৰদুৱাৰ মৌজাৰ চাহ বাগানৰ অন্তৰ্গত এলেকাত বসবাস কৰি থকা ৰায়তসকলক উচ্ছেদ কৰি উক্ত এলেকাত সীমান্তৰক্ষী বাহিনী (বি এছ এফ)ৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে অলপতে ৰাজহ বিভাগে জৰীপ চলায়। প্ৰায় ৯০০ ৰ পৰা ১৫০০ বিঘা মাটি বিচাৰি জৰীপকাৰ্য চলোৱা বৰদুৱাৰ চাহ বাগান এলেকাত থকা প্ৰায় দুহেজাৰ পৰিয়ালক '৭১,'৭৫,'৭৭ চনতে অসম চিলিং চৰকাৰী আইনৰ অধীনত উক্ত অঞ্চলৰ ৰায়তসকলক ৰায়তীৰ কেঁচা খতিয়ান প্ৰদান কৰাৰ দিহা কৰা হৈছিল। ৰায়তসকলক কেঁচা খতিয়ান প্ৰদান তথা ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰাৰ সলনি আজি সীমান্তৰক্ষী বাহিনীৰ কেন্দ্ৰ স্থাপনৰ গইনা লৈ উচ্ছেদকাৰ্য চলাবলৈহে তৎপৰ হৈ উঠিছে। বৰদুৱাৰ চাহ বাগিছাত থকা মুঠ মাটি প্ৰায় ১৪,৩৫৯ বিঘাৰ বিপৰীতে চাহগছ থকা মাটিৰ পৰিমাণ প্ৰায় ১,৩৮০ বিঘাহে। দুখীয়া ৰায়তসকলে দখল কৰি থকা মাটিত এমুঠি অন্ন যোগাৰ কৰি কোনোমতে এসাজ খাই থকা এই পৰিয়ালসকলে যুগ যুগ ধৰি দখলীকৃত ভূমি উচ্ছেদৰ আশংকাত ঐক্যবদ্ধ হয়। কৃষকসকলে সংশ্লিষ্ট সকলো কৰ্তৃপক্ষৰে সৈতে যোগাযোগ কৰে। যোৱা বছৰৰ ডিচেম্বৰ মাহত এক প্ৰতিবাদী সভাও অনুষ্ঠিত কৰে। সভাখনত দুটি প্ৰস্তাৱ গ্ৰহণ কৰে।প্ৰস্তাৱৰ ভিতৰত চাহ বাগান কৰ্তৃপক্ষ আৰু চৰকাৰক ৰায়তসকলৰ উচ্ছেদ কৰি ভূমি বিক্ৰীৰ ষড়যন্ত্ৰ বন্ধ কৰা আৰু ভূমিৰ পৰা কৃষকসকলক উচ্ছেদৰ বিপৰীতে

ৰায়তসকলক পট্টা দিয়াৰ ব্যৱস্থা কৰাৰ দাবী তোলে। এই প্ৰতিবাদী সভাৰ পিছত চৰকাৰে কি সিদ্ধান্ত লয় সেয়া এতিয়ালৈ পৰিষ্কাৰ নহ'লেও বিষয়টো সন্দৰ্ভত দুখীয়া কৃষকসকলে নিজ দখলীকৃত ভূমি যে সহজে এৰি নিদিব সেয়া কৃষকসকলৰ বৰ্তমানৰ অৱস্থানৰ পৰা বুজিব পৰা গৈছে।

আমি পোৱা তথ্য অনুসৰি ৰায়তসকলক উচ্ছেদৰ পৰিকল্পনা কৰা চাহ বাগান কৰ্তৃপক্ষই ১৯৬৫ চনৰ পৰা উক্ত দুখীয়া কৃষক তথা ৰায়তসকলৰ পৰা খাজনা আদায় কৰি আহিছে। সেই অনুসৰি ৰায়তসকলেও বিনাপ্ৰতিবাদে অতি উচ্চ হাৰত খাজনা দি আহিছে। খাজনাৰ হাৰ ইমান উচ্চ যে যি কথা শুনিলেই চকু কপালত উঠে। দুখীয়া ৰায়তসকলে জানিবলৈ দিয়া অনুসৰি বাগানৰ মালিক পক্ষই ৰায়তসকলৰ পৰা বছৰি ৩০ কেজি ধান আদায় কৰে। যাৰ বজাৰ মূল্য ন্যূনতম দুশ টকা। অৰ্থাৎ যুগ যুগ ধৰি চাহ মালিকে ৰায়তসকলক বৰ্বৰভাৱে সামন্তীয় ৰূপত শোষণ কৰি আহিছে। উক্ত অঞ্চলত বাস কৰা কৃষক পৰিয়াল প্ৰায় দুহেজাৰ। প্ৰতিটো পৰিয়ালৰে ছয়ৰ পৰা সাত বিঘালৈ মাটি। প্ৰতিবিঘা মাটিত দুশ টকাকৈ খাজনা আদায় ল'লে মালিকে আদায় কৰে মুঠ ২৮,০০,০০০ (আঠাইশ লাখ) টকা। ইয়াৰ বিপৰীতে চৰকাৰক চাহ মালিকে দিয়ে প্ৰতিবিঘাত ১৪ টকা।

চাহ মালিকৰ এনে নিৰ্মম শোষণক সমৰ্থন কৰি থকা বাবেই আজি চৰকাৰ মৌন হৈ আছে। যাৰ বাবে দুখীয়া ৰায়তসকলক বৰ্তমানলৈ ম্যাদী পট্টা দিয়া নাই। ৰাইজক বিশেষকৈ নিবনুৱা যুৱকসকলক কৰ্মসংস্থাপন দিব নোৱৰা চৰকাৰে নিজে কৰি কোনোমতে এমুঠি খাই থকা দুখীয়া ৰাইজক ভাতে মৰাৰ ব্যৱস্থা কৰাৰ লেখিয়া হৈছে।

আনহাতে অসমৰ কৃষকসকলৰ অন্যান্য সমস্যাতো আছেই। বানপানী আৰু গৰাখহনীয়া সমস্যাই বছৰি লাখ লাখ কৃষকক ভাতমুঠিৰ পৰা বঞ্চিত কৰি অহাৰ ফলত দুখীয়া লোকসকলৰ অৱস্থা অবৰ্ণনীয় হোৱাৰ লগতে আজি ৰাজপথত আশ্ৰয় ল'ব লগা হৈছে। আকৌ একাংশ থলুৱাক যুগ যুগ ধৰি বসতি তথা খেতি-বাতি কৰি অহাৰ পাছতো চৰকাৰে সাধাৰণ মাটিৰ পট্টাখন পৰ্যন্ত দিয়াৰ সদিচ্ছা নকৰি থলুৱা অসমীয়া এই লোকসকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে 'বনগাঁৱৰ বাসিন্দা'ৰ মৰ্যাদা প্ৰদান কৰিছে। অৰ্থাৎ থলুৱা লোকসকলক ব্ৰিটিছে চালু কৰা সেই আইনেৰে নিজ দেশৰ দুখীয়া লোকসকলক প্ৰতাৰণা কৰা নাইনে? অথচ আমাৰ দেশীয় মাৰ্কা চৰকাৰবোৰে বিদেশী কোনো লুণ্ঠনকাৰী কোম্পানীক নিজ দেশৰ মাটি দিবলৈ বেছি সময় নলয়। এনেকৈ মন্ত্ৰী, সাংসদ তথা আমোলা-বিষয়াবোৰে একেৰাতিৰ ভিতৰতে মাটিৰ পট্টা দিয়া নজিৰ অলেখ। চৰকাৰী এনে নীতিৰ বাবেই আজি দৈয়াং-টেঙানিৰ কৃষকসকলে সংগ্ৰামৰ পথ ল'ব লগা হৈছে। উল্লেখ্য যে দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীত চলাই যোৱা এই সংগ্ৰামে সচেতন মহলৰ লগতে কৃষকসকলকো আকৰ্ষিত কৰিছে। ঠিক তেনে এক সংগ্ৰামৰে প্ৰয়োজন দক্ষিণ কামৰূপৰ বৰদুৱাৰ চাহবাগিচাৰ দুখীয়া কৃষকসকলৰ সমস্যা সমাধানৰ বাবে। প্ৰসংগক্ৰমে উল্লেখ্য যে অসমৰ প্ৰতিখন চাহ বাগিচাতে এনেদৰে ক্ষুদ্ৰ তথা দুখীয়া কৃষকসকল শোষিত-বঞ্চিত হৈ থাকিবলগা হৈছে। চৰকাৰ তথা চাহ পুঁজি পতিসকলে নিজৰ স্বাৰ্থত ক্ষুদ্ৰ খেতিয়কসকলক নিৰ্মমভাৱে শোষণৰ হাতোৰাত বন্দী কৰি ৰাখিছে। সেয়ে কৃষকসকলে নিজৰ মুক্তিৰ বাবে নিজেই সংগঠিত ৰূপত আগবঢ়াৰ প্ৰয়োজনীয়তা আহি পৰিছে। দুখীয়া কৃষকসকল একগোট হৈ এক দীৰ্ঘম্যাদী পৰিকল্পনাৰে কৃষকসকলে শোষণ মুক্তিৰ বাবে দিশে দিশে কৃষি বিপ্লৱী সংগ্ৰাম গঢ়ি তোলাৰ প্ৰয়োজন হৈছে। ■



> চৰকাৰ তথা চাহ পুঁজি পতিসকলে নিজৰ স্বাৰ্থত ক্ষুদ্ৰ খেতিয়কসকলক নিৰ্মমভাৱে শোষণৰ হাতোৰাত বন্দী কৰি ৰাখিছে। সেয়ে কৃষকসকলে নিজৰ মুক্তিৰ বাবে নিজেই সংগঠিত ৰূপত আগবঢ়াৰ প্ৰয়োজনীয়তা আহি পৰিছে। দুখীয়া কৃষক সকল একগোট হৈ এক দীৰ্ঘম্যাদী পৰিকল্পনাৰে কৃষকসকলে শোষণ মুক্তিৰ বাবে দিশে দিশে কৃষি বিপ্লৱী সংগ্ৰাম গঢ়ি তোলাৰ প্ৰয়োজন হৈছে।




## স্বাধীন বিহঙ্গ

### অনিল বড়ো

বিহঙ্গ মই
স্বাধীন
স্বতঃস্ফূৰ্ত
প্ৰাকৃতিক
দেশ বুলিবলৈ'
নাই মোৰ কোনো দেশ
নাই আন্তৰ্জাতিক সীমা
নালাগে মোক পাছপোৰ্ট ভিছা
ৰুধিবলৈ' মোৰ পৰিভ্ৰমী মন
নাই সীমান্ত সুৰক্ষা বল
জন অৰণ্যৰ কৃত্ৰিমতা
নাই মোৰ দেশত
নাই কুটিলতা
বিহঙ্গ যে মই
স্বাধীন
স্বতঃস্ফূৰ্ত
প্ৰাকৃতিক
নাই মোৰ দেশত শ্ৰেণী সংগ্ৰাম
দ্বন্দ্ব-দ্বেষ
বিদ্ৰোহ-বিপ্লৱ
নাই কোনো শোষক-শাসক
নাই সামন্ত প্ৰভু
ভূ-স্বামী, ধনী জমিদাৰ
বুৰ্জোৱা, ঘোচখোৰ, দালাল বেপাৰী
নাই মোৰ দেশত পথৰ ভিক্ষাৰী
ক্ষুধাৰ জুইত দহি মৰিবলৈ'
নাই ছমালিয়া
নাই গান গানেৰে যুঁজিবলৈ'
জ্যোতিপ্ৰসাদ-বিষ্ণুৰাভা
উদ্দীপ্ত সেনা
বিহঙ্গ মই
স্বাধীন
স্বতঃস্ফূৰ্ত
প্ৰাকৃতিক
ভড়ালো নাই
আকালো নাই মোৰ
নাই তাড়না ক্ষুধাৰ
চৌদিশে গান মাথোঁন সমতাৰ
শান্তি, সম্প্ৰতি, সমতা
প্ৰকৃতিৰ অনুপম গৰিমা
এক অপ্ৰতিৰোধ্য তান
মই নদীৰ দৰে
নামানো দেশ কাল
নিজক বিলাই দিয়াই
মোৰ জীৱনৰ গান
নাই মোৰ দেশান্ত জৰ্জ বুশ্ব, টনি ব্লেয়াৰ
পিবলৈ' তেজ ইৰাকী-ইৰাণী
অথবা বিশ্বজনতাৰ
বিহঙ্গ মই
স্বাধীন
স্বতঃ স্ফূৰ্ত
প্ৰাকৃতিক। ■



## নাৰী তুমি সঁচাই মুক্ত নে

### মিনি দাস

হে, নাৰী সঁচাই তুমি আজি মুক্ত নে?
যিখন দেশত তোমাক
সীতা-সাবিত্ৰী-দুৰ্গা বুলি
পূজা-অৰ্চনা কৰে
তাতেই তুমি ঘৰে-বাহিৰে
ধৰ্ষিতা-বঞ্চিতা-অপমানতা
হাত-ভৰি মন-মগজু শিকলিৰে বন্ধা
তোমাক চিৰদিন পদানত কৰি ৰাখিব খোজা
নৰপিশাচহঁতৰ বিৰুদ্ধে
তুমি কি মূৰ তুলি ঠিয় নিদিবা?
অৱলা সাজি সদায় কি মানি যাবা
অন্যায়-প্ৰভুত্ব, লাঞ্চলা-গঞ্জনা?
অতীতত দেখো মূলা গাভৰু-কনকলতাই
স্বাধীনতা আনিবলৈ' প্ৰাণ বলি দিছিল
আহিল জানো স্বাধীনতা জীৱনলৈ'?
মন-প্ৰাণৰ হাঁহাকাৰ আঁতৰাবলৈ'
সন্মুখ পথৰ আন্ধাৰ বিদাৰি
তুমি যে সাহেৰে যুঁজিবই লাগিব। ■

# হেৰি অ' আপীৰ মাক হুৰ হুৰকে' ওলাওঁ আহ্

গোপাল কলিতা

কি দিন হলাক এ
ৰাইজখানৰ কি হবা ধৰলাক
মথাৰি ভাঙা চাবা যাওতে যাওতে
নিজৰ গাঁওখানতো পানী ভল্লা
মানুহমাখাৰ ৰং লাগছি
পানী চাৱা ৰং
মাছ মাৰা ৰং
যাঠি-জোঙাৰ লৈ পানীতল যাৱা ঘৰৰ
উপৰে উপৰে
মাছ হানবা চুপি আছে
নিজক যে কাবাই হানি আছে জানচা না ?
জাহানামে গেল চলি গিলা
পঢ়া-শুনা নাই
ইচকুলমাখাতো আশ্ৰয় শিবিৰ
গৰু-মানুহ থাকবাৰ জাগা নাই
হানবি ৰহ্ মাছ
খাবি ৰহ্ মাছ ভাতৰ জুতি লগে লগে
ৰানভি ক'ত ?
নিজে চাঙ পাতি আছা নহয় ?
কালি পান বেপাৰীটো মৰলাক্
সিদিনাখানে ইচকুলৰ পেৰে আহা
আপীটাক পানী অ'তেই নিলা।
খাবি ৰহ্, গলকলেগি খাবি
যোৱাবাৰৰ বিপ্লৱ ধানকিতা শেষ হক্।
গৰু-মানুহ বেমাৰত পৰছি
তহঁতৰ ৰং লাগছি।
পাথাৰ বুলবাৰতো একো নাই
কেবল পানীৰ সাগাৰ
অহা কাতি মাহত
ধানৰ মাজত চাতি নজলবো
আঘান মাহা, কাঁচিত ৰেপবা ধান নাই
ইমান যুদ্ধ কৰি গাংখান থাক্‌বা লাগা হছি
আছে, বন্ধক থবাৰ কিবা আছে?



আগৰ দৰে কাঁহৰ কাহি-বাতিওতো
ঘৰে ঘৰে নাইকা,
পানীয়ে উটে নিছি হাউলা হালতো
ভোট বিচৰা মাখা
কাম বন নকৰা মাখাৰ বৰ বৰ কথা
পানীৰ মাজত মথাৰি বান্ধে
বুলু ইমান দিনে থগেই আহিল্লি
আৰু নতুনকে থগবা আইছা ?
তহঁতৰ ৰাজা হোৱা বাটতোত
বানপানী উঠা নাই নহয় ?
বেছি দিন নাই ৰহ্-
আমাৰ মথাৰি যেনকে কাটি দিছা
তহঁতৰ ৰাজা হোৱা বাটমাখাও ।
আমিও কাটিম ৰহ্ !

আমিও মূৰ্খ !
গাঁওখানত বহুতো পকা পণ্ডিত আছে
সেহাঁতৰো হা-হূ আকো নাই।
হেৰিও আপীৰ মাক
কথা এটা ভাবছানা ?
চাকৰি কৰা মাখাৰ সংগঠন আছে
দৰমাহা নাপালি ধণ্ণা দেই
ছাত্ৰ মাখাৰ সংগঠন আছে
ৰিক্সাৰ সংগঠন আছে
আমাৰ খেতিয়কমাখাৰ সংগঠন আছেনা ? নাই
পকা পণ্ডিতমাখাই আকো নকায়
ইবাৰ নেৰছু ৰহ্
সদায় এনকে থাকিম না-
আমাক খাজানা মাফ দিবা লাগবো
আমাক খেতি কৰবা মাটি লাগবো
সবমাখাই গৰু-গায় লগতলৈ
তিৰী-ছলি মিলি ধণ্ণা দিম।
আমিও যাম বানপানীৰ দৰে হুৰ্ হুৰকে
চাম নহয় কাই ৰোধ কৰে
আহ্ ঐ ভাইহাত আহ্
বানত ডুবি মৰাতকৈ
আমিও হুৰ্ হুৰকৈ ওলাওঁ আহ্। ■



অৱদমিত কৰি ৰখাৰ বাবে আমেৰিকাক ইৰাণীসকলৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। ইয়াৰ ফলত বুশ্ব প্ৰশাসনৰ ইৰাণৰ বিৰুদ্ধে অভিসন্ধিৰ বিষয়টোত দৰ-দাম কৰি অৱস্থান বজাই ৰখাত ইৰাণ চৰকাৰৰ বিশেষ সুবিধা হ'ল।

ইৰাকৰ অৰ্থনীতি তথা দেশখনৰ চৰকাৰৰ আভ্যন্তৰত গভীৰ অনুপ্ৰৱেশ সৃষ্টি কৰাৰ বাবে ইৰাণ চৰকাৰে আমেৰিকাৰ এই অসহায় অৱস্থাৰ সুযোগৰ সদ্ব্যৱহাৰ কৰিলে। ইৰাণে বিশ্বৰ বজাৰৰ বাবে ইৰাকী তেল শোধন কৰা আৰু শোধনাগাৰ স্থাপনৰ বাবে অৰ্থ সাহায্যৰ প্ৰস্তাৱ আগবঢ়ালে। বৰ্তমান ইৰাকত কোনো বৃহৎ বন্দৰৰ সুব্যৱস্থা নাই। পণ্যৰ পৰিবহনৰ বাবে ইৰাণী বন্দৰেই ব্যৱহাৰ কৰা হৈছে। এই ধৰণে চিৰিয়া আৰু জৰ্দানৰ মাজেৰে চলা পৰিৱহন বাণিজ্যৰ নিয়ন্ত্ৰণ গৈছে ইৰাণৰ হাতলৈ। ইৰাণে দক্ষিণ ইৰাকত হোটেলৰ পৰা আৰম্ভ কৰি পথ, বিমানবন্দৰ তথা বিদ্যুতৰ গ্ৰীড পৰ্যন্ত সমগ্ৰ ব্যৱসায়কে পৰিকাঠামোগত কামত অৰ্থ প্ৰদান তথা বিনিয়োগ আৰম্ভ কৰি আহিছে।

ইৰাণে ইৰাকৰ পুলিচ, সেনা তথা বিচাৰ ব্যৱস্থাসহ চৰকাৰৰ বিভিন্ন বিভাগত ইৰাকীসকলক প্ৰশিক্ষণ দিছে তথা বেচৰকাৰী ক্ষেত্ৰৰ বাবে কাৰিকৰী কৰ্মীসকলৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰিছে। সংক্ষেপে, ইৰাণে মাৰ্কিন সংস্থাবোৰত বিভিন্ন ক্ষেত্ৰতে দ্ৰুতদখল সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। ইৰাকত ইৰাণৰ এই ভূমিকাত স্বাভাৱিকতে আমেৰিকা খুব অস্বস্তিত পৰিছে। তথাপি আমেৰিকাৰ বৰ্তমান এই বিষয়ত একোৱেই কৰাৰ উপায় নাই।

আফগানিস্তানৰ সৈতেও ইৰাণৰ এক বিশাল সীমান্ত অঞ্চল আছে আৰু পশ্চিম আফগানিস্তানৰ বিভিন্ন অংশত যুদ্ধাধিনায়কসকলৰ সৈতে ইৰাণৰ ঘনিষ্ঠ সম্পৰ্ক তথা তেওঁলোকৰ ওপৰত প্ৰভাৱো আছে। তালিবান সকলৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ সন্মুখত মাৰ্কিন পুতলা হামিদ কাৰজাই চৰকাৰৰ বৰ্ত্তি থকাৰ বাবে ইৰাণৰ সমৰ্থনো বিশেষ গুৰুত্বপূৰ্ণ। সম্প্ৰতি মাৰ্কিন বাহিনীয়ে পশ্চিম আফগানিস্তানত এটা বৃহৎ সামৰিক ঘাটি স্থাপন কৰিছে। তাত ভাৰতীয় সেনা (বৰ্ডাৰ ৰোড অৰ্গেনাইজেশ্বন) ই এটা পথ নিৰ্মাণ কৰিছে।

ভৌগলিক অৱস্থানগত দিশৰ পৰা নিজৰ ৰাজনৈতিক গুৰুত্বৰ উপৰিও ইৰাণে দেশখনৰ তেল আৰু গেছ সম্পদ ব্যৱহাৰ কৰি অন্যান্য শক্তি ক্ষেত্ৰত চীনৰ সৈতে গভীৰ সম্পৰ্ক গঢ়ি তুলিছে। দেশখনে ইতিমধ্যে চীনৰ প্ৰয়োজনীয় শক্তিৰ (বিদ্যুৎ আৰু অন্যান্য )১৪ শতাংশ পৰিমানো সৰবৰাহ কৰিছে আৰু যি বিপুল বাণিজ্যিক কামৰ বাবে দেশখনে স্বাক্ষৰ কৰিছে তথা ভৱিষ্যতৰ বাবে প্ৰস্তাব ৰাখিছে, তাত ইৰাণে ৰণকৌশলগত ভাৱে চীনৰ এক বিশেষ মিত্ৰ হৈ উঠিব। বিশ্ব ৰাজনীতিত বৃদ্ধি পাই থকা চীনৰ প্ৰভাৱ -প্ৰতিপত্তিৰ কথা বিবেচনা কৰিলে ইৰাণৰ সৈতে দেশখনত এই সম্পৰ্কই পশ্চিমীয়া চাপৰ ওচৰত এক ওলোটা শক্তি হিচাপে কাম কৰিব।

ইয়াৰ উপৰি ৰুচ সাম্ৰজ্যবাদে দীৰ্ঘ দুই দশকৰ বেছি কাল ধৰি পশ্চিম বিৰোধী অৱস্থানৰ বাবে ঠিক ইৰাকত যি ধৰণৰ কাম কৰিছিল সেই দৰে ইৰাণৰ সৈতে সকলো সময়ত খুব খাতিৰ ৰক্ষা কৰি চলি আহিছে। সাম্প্ৰতিক বছৰবোৰত বিশ্বৰাজনীতিত ৰাছিয়াৰ নতুন আত্ম প্ৰকাশৰ সৈতে দেশখনে ইৰাণতো গুৰুত্বপূৰ্ণ ভুমিকা ৰক্ষাৰ কাম আৰম্ভ কৰিছে। ২০০৫ চনৰ ডিচেম্বৰত এশকোটি ডলাৰ মূল্যত ইৰাণক উন্নত বিমান প্ৰতিৰক্ষামূলক ক্ষেপনাস্ত্ৰ ব্যৱস্থাৰ অধীনত অত্যাধুনিক৩০ টা ও.আৰ.এম.এল মিছাইল বিক্ৰী কৰিবলৈ ৰাজী হৈ ৰাছিয়াই ইৰাণ ভূ-খণ্ডত খোপনি দৃঢ় কৰিবলৈ সক্ষম হৈছে। এইটো সাম্প্ৰতিক সময়ত ইৰাণৰ আটাইতকৈ বৃহৎ প্ৰতিৰক্ষা চুক্তি। ইয়াৰ উপৰিও দীৰ্ঘ দূৰত্বৰ বিমান প্ৰতিৰক্ষা ব্যৱস্থাসহ টি-৯০ এস ট্যাংক বিক্ৰীৰ কথাও চলিছে। ইয়াৰ পূৰ্বে ৰাছিয়াই ইৰাণৰ বুছেৰ চহৰত এটা পৰমাণু চুল্লীস্থাপন কৰিছিল, সেইটো এইবছৰ কাৰ্যক্ষম হোৱাৰ কথা। এইবোৰ সকলো ঘটনাই ঘটি আছে আমেৰিকা আৰু ইজৰাইলৰ তীব্ৰ প্ৰতিবাদ সত্বেও । অৱশ্যে ৰাছিয়াই দ্বৈত ভূমিকাও পালন কৰিছে; দেশখনে দাবী কৰিছে যে ইৰাণে নিজৰ দেশত ইউৰেণিয়াম সমৃদ্ধি কৰণ কৰ্মসূচী বন্ধ কৰক আৰু তাৰ পৰিৱৰ্তে এই কৰ্মসূচী ৰাছিয়াৰ মাটিলৈ লৈ যোৱাৰ প্ৰস্তাৱ ৰাখিছে (এই পৰিকল্পনাত আকৌ পশ্চিমৰ সমৰ্থন আছে)।

পৰিশেষত ইৰাণত এটা উচ্চাকাঙ্খিত পৰিকল্পনা আছে, ইউৰো মুদ্ৰাৰ বিনিময় চলা এটা আন্তৰ্জাতিক তেল-বাণিজ্য কাঠামো ব্যৱহাৰৰ লক্ষ্যত তেহৰাণত এক তেলৰ শ্বেয়াৰ বজাৰ গঢ়ি তোলা; ইয়াৰ উদ্দেশ্যে ডলাৰ মুদ্ৰাত তেল-বাণিজ্যত লিপ্ত থাকি কাৰ্যতঃ ডলাৰক বিশ্বজনীন মুদ্ৰাত পৰিণত কৰা। মাৰ্কিন বহুজাতিকসকলৰ কৰ্তৃত্বাধীন দুই বৃহৎ তেল-শ্বেয়াৰ বজাৰ নিউয়ৰ্ক মাৰ্কেন্টাইল এক্সচেঞ্জ তথা ইণ্টাৰনেশ্বনেল পেট্ৰলিয়াম এক্সচেঞ্জৰ সৈতে প্ৰতিযোগিতা আৰম্ভ কৰা। ২০০৩ চনৰ এপ্ৰিল-মে মাহৰ পৰা ইৰাণে ইউৰোপ আৰু এচিয়াত দেশখনৰ ৰপ্তানিৰ অৰ্থমূল্য ইউৰো মুদ্ৰাত পাব বিচাৰিছে। পাহৰি গ'লে নহ'ব যে, ছাদ্দামৰ অন্যতম বৃহৎ অপৰাধ আছিল, তেওঁ ইৰাকী তেলৰ মূল্য ডলাৰৰ পৰিৱৰ্তে ইউৰোত বিচৰা আৰম্ভ কৰিছিল।

অৰ্থাৎ বৰ্তমান বিশ্বত ৰণকৌশলগত দিশৰ পৰা ইৰাণৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছে আৰু আমেৰিকাৰ পক্ষে সামৰিক আক্ৰমণ চলোৱা খুব সহজ নহয়। বিশেষকৈ যিমানদিন আমেৰিকাই ইৰাক বিষয়টোত ডুবি থাকিব, অৱশ্যেই দেশখনে উত্তৰৰ কুৰ্ড আৰু আজেৰি সংখ্যালঘূসকলৰ অনুপ্ৰৱেশ ঘটাই ইৰাণৰ স্থিতিশীলতা নষ্ট কৰা, কুটাঘাতৰ বাবে মুজাহিদিন-

ই-খালেকৰ যোদ্ধাসকলৰ দৰে অন্যান্য গোষ্ঠীবোৰৰ সৈতেও যোগাযোগ গঢ়ি তুলিছে; মুজাহিদীন-ই-খালেক হৈছে ছাদ্দাম মদতপুষ্ট তথা বৰ্ত্তমান মাৰ্কিনৰ সুৰক্ষিত তথা নিয়ন্ত্ৰিত ইৰাণীসকলৰ ভিতৰৰ ইছলামীয় বিক্ষুব্ধ গোষ্ঠী। পূৰ্বপ্ৰান্তৰ বালুচ জনগোষ্ঠী অধ্যুষিত বিশাল এটা অঞ্চল ইৰাণ আৰু পাকিস্তানৰ মাজত বিভক্ত। জনা গৈছে, এই অঞ্চলত আমেৰিকাৰ সামৰিক ঘাটি আছে আৰু তাত ব্যাপক গোপন সামৰিক অভিযান চলিছে। ইয়াৰোপৰি এফালে চৌদি আৰৱ তথা উপকূলৱৰ্ত্তী অন্যান্য মাৰ্কিন দালালসকলৰ দিশৰ পৰা ইৰাণৰ ওপৰত কাৰ্যতঃ এটা মাৰ্কিন সামৰিক বেস্তনী আছে আৰু অন্য দিশত আফগানিস্তান, ইৰাক তথা কাস্পীয় তীৰৱৰ্ত্তী বেছ কেইবাখনো দেশত আমেৰিকাই পাইছে নতুন সামৰিক ঘাটি। এইবোৰৰ সৈতে আকৌ যুক্ত হৈছে ইজৰাইলৰ সামৰিক শক্তি তথা দেশখনৰ ইৰাণৰ বিৰোধিতাৰ অভিসন্ধি। পৰিশেষত আমেৰিকাই ইৰাণৰ কুটাঘাতকাৰী গোষ্ঠীবোৰৰ সৈতে ব্যাপক যোগাযোগ থকা হুৰাণী ৰাজতন্ত্ৰৰ মাজৰ পৰা অহা বিদেশত বসবাসকাৰী এক বৃহৎ অংশৰ উচ্চ সম্প্ৰদায়ৰ জনগণৰ সৈতে ভাব বিনিময় গঢ়ি তুলিছে। বাস্তৱিকতে শ্বাহৰ পুত্ৰৰ ইৰাণৰ মছনদত প্ৰত্যাৱৰ্তনৰ বাবে বিদেশত বিক্ষুব্ধসকলক একত্ৰিত কৰাৰ লক্ষ্যত চি, আই, এ,ই ইৰাণত গণতান্ত্ৰিকজোঁট আৰম্ভ কৰিছিল। অৰ্থাৎ ইৰাণত সমস্যা খুবেই বেছি। আমেৰিকাই নিজৰ লক্ষ্য পুৰণ কৰিবৈ বহু বেছি সতৰ্কভাৱে চলা প্ৰয়োজন, কিন্তু দেশখনৰ একাধিপত্যকামী সাম্ৰাজ্যবাদী আকাঙ্খাই দেশখনক প্ৰায়ে হুথকাৰী কাজ-কৰ্মৰ দিশলৈ ঠেলি দিছে।

*আন্তৰ্জাতিক পৰমাণু কেন্দ্ৰ বা আই এ ই এৰ ভোট আৰু ভাৰতৰ দাস সুলভ অৱস্থান ঃ*

আই এ ই এ ৰ ২৪ ছেপ্তেম্বৰৰ প্ৰস্তাৱত কোৱা হৈছে, 'ইৰাণৰ পৰমাণু অস্ত্ৰ সম্প্ৰসাৰণৰোধ চুক্তিৰ দায়বদ্ধতা ভংগ কৰা তথা এই চুক্তি মানি চলাৰ বহুবাৰৰ ব্যৰ্থতা ...। আই.এ.ই.এ.ৰ আইনৰ ১২ (গ) ৰ অনুচ্ছেদ অমাণ্য কৰাৰ ক্ষেত্ৰত চামিল হৈ উঠিছে...। ইয়াৰ ফলত ইৰাণৰ কৰ্মসূচী সম্পূৰ্ণভাৱে শান্তিপূৰ্ণ উদ্দেশ্যত হৈছেনে নাই সেই বিষয়ত অনাস্থা সৃষ্টি হৈছে। আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ স্বাৰ্থত বিষয়টো নিৰাপত্তা পৰিষদত বিচাৰ্য বিষয়ৰ ভিতৰত প্ৰশ্ন হিচাপে দেখা দিছে।' এই প্ৰস্তাৱত ইৰাণক আৰু স্বচ্ছ পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰু সম্পূৰ্ণ আৰু নিৰবিচ্ছিন্নভাৱে পৰমাণু সমৃদ্ধিকৰণ সম্পৰ্কীয় কাম বন্ধ হৈছে পুনৰাই আস্থা প্ৰতিষ্ঠিত কৰিবলৈ গধুৰ জলচালিত চুল্লী নিৰ্মাণ কৰিবলৈ কোৱাহৈছে। আকৌ উল্লেখযোগ্য, ইৰাণৰ সাৰ্বভৌমত্ব সম্পূৰ্ণভাৱে অগ্ৰাহ্য কৰি ইউৰোপীয় সংঘৰ তিনিখন দেশে (ই. ইউ. -৩ ) ইৰাণক গৱেষণাৰ চুল্লী চিনিবলৈ, তাক সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আৰু আটাইতকৈ ভালধৰণে কামত লগাবলৈ সাহায্য কৰাৰ উদ্দেশ্যে এটা বিশেষ সংস্থা গঠনৰ বাবে এলানি প্ৰস্তাৱ আগবঢ়ায়।

দক্ষিণ আফ্ৰিকা, মেক্সিকো, আলজেৰিয়া, শ্ৰীলঙ্কা আৰু ব্ৰাজিলসহ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সকলো সদস্য দেশে আই.এ. ই. এ,ৰ বোৰ্ডত ভোটদানৰ পৰা বিৰত থাকে। ৰাছিয়া আৰু চীনেও ভোটদানৰ পৰা নিজকে দূৰত ৰাখে। একমাত্ৰ ভেনিজুৱেলাই প্ৰস্তাৱৰ বিৰুদ্ধে ভোট দিয়ে। ভাৰতৰ ভোট আমেৰিকাৰ পক্ষে অতিকে গুৰুত্বপূৰ্ণ আছিল, কাৰণ এই ইচ্যুত ভাৰতৰ ভোটদানেই গোষ্ঠীনিৰপেক্ষ আন্দোলনৰ সদস্যদেশবোৰৰ ঐক্যমত ভংগ কৰি দি আমেৰিকা আৰু ই. ইউ.-৩ ক সামাণ্য সংখ্যাধিক্য ভোট পোৱাত সহায় কৰে। প্ৰস্তাৱৰ প্ৰধান উদ্দেশ্য আছিল ইৰাণে পৰমাণু অস্ত্ৰ নিৰ্মাণৰ চেষ্টা কৰিছে বুলি সন্দেহক সম্মুখত ৰাখি অনিৰ্দিষ্ট কোনো বিষয়টো নিৰাপত্তা পৰিষদৰ ওচৰলৈ পঠিওৱা।

ইৰাণৰ প্ৰতি এই ভূমিকাইসাম্প্ৰতিক কাল পৰ্যন্ত গোষ্ঠী নিৰপেক্ষ আন্দোলনভুক্ত ১১৬ খন সদস্যৰাষ্ট্ৰৰ কাৰোৱেই সমৰ্থন পোৱা নাই। ভাৰতে হঠাত দিক্‌বিদিক হেৰুৱাই ইৰাণৰ ইছ্যুত আই, এ. ই. এ.ৰ নিজস্ব কাঠামোৰ আভ্যন্তৰৰ পৰাই আলোচনা কৰা উচিত বুলি দেশখনৰ পূৰ্ব অৱস্থানৰ পৰা সম্পূৰ্ণ বিপৰীত পথলৈ গতি কৰে। আনকি আমেৰিকাৰ নাটো জোঁট বৰ্হিভূত মৈত্ৰীৰ বিশেষ মৰ্য্যাদা প্ৰাপ্ত পাকিস্তানেও ভোটদানৰ পৰা বিৰত থাকে। এনেধৰণৰেই হৈছে আমেৰিকা আৰু ইউৰোপীয় সংঘ যুগলৰ কাষত ভাৰতীয় শাসকসকলৰ দাসত্বৰ যাত্ৰা। নিৰাপত্তা পৰিষদৰ ওচৰত ইৰাণৰ পক্ষত ভোটদান কৰা ২২ খন দেশৰ ভিতৰত ভাৰত অন্যতম। এই ধৰণে ইতিবাচক ভোটৰ মদত যোগোৱাৰ কামত দেশখনে ইকুৱেদৰ, ঘানা, পেৰু আৰু চিংগাপুৰৰ সৈতে একেশাৰীতে যোগ দিয়ে।

ইয়াত কোনো সন্দেহ নাই যে, ১৯ জুলাইৰ ভাৰত-মাৰ্কিন পৰামাণু চুক্তিৰ পৰিপ্ৰেক্ষিততেই ভাৰতৰ এই ভোটদান। সেই সময়ৰ পৰা মাৰ্কিন শীৰ্ষস্থানীয় কৰ্মকৰ্তাসকলৰ বক্তব্যত পৰিস্কাৰ যে, আমেৰিকাৰ নিৰ্দেশতেই ভাৰতে ভোট দিছে। ১৮ নৱেম্বৰত 'ফ্ৰন্টলাইন'পত্ৰিকাৰ ৰিপোৰ্ট অনুসৰি মাৰ্কিন বিদেশ নীতিৰ মুখ্য ৰূপকাৰ ল্যান্টোচৰ বক্তব্য- "ভাৰতে যেতিয়া আনন্দেৰে মত পোষণ কৰিছে যে, দেশখনে যি দেখিব, বুজিব সেইটোৱে হ'ব তেওঁলোকৰ লক্ষ্য তথা নীতি। তেতিয়া আমি ভাৰতৰ ক্ষেত্ৰত এনে কোনো ঘটনা চাব নিবিচাৰো যাতে ভাৰতক বুজাই ৰাজি কৰোৱাৰ বাবে সাধাৰণৰ পৰা অন্যধৰণৰ ভয়ংকৰ মাত্ৰাত কোনো পদক্ষেপ ল'বলৈ আমাক ঐক্যমতত উপনীত হ'বলগীয়া হয়। আৰু আমাৰ ভাৰতীয় বন্ধুসকলে যদি আমেৰিকাক সমৰ্থন কৰাত সকলো সুযোগ-সুবিধা পাবলৈ আগ্ৰহী হৈ থাকে তেতিয়া হ'লে আমি সৰ্বতো প্ৰকাৰে আশা কৰিব পাৰো যে ভাৰতেও ইয়াৰ প্ৰতিদান দিব...। ইৰাণৰ পৰমাণু অস্ত্ৰ সংক্ৰান্তীয় ইচ্যুটোক নিৰাপত্তা পৰিষদলৈ পঠোৱাৰ মাৰ্কিন প্ৰচেষ্টাক ভাৰতে সমৰ্থ ন নকৰে বুলি সম্প্ৰতি ভাৰতৰ বিদেশ মন্ত্ৰীৰ বক্তব্যত আমি বিশেষভাৱে উদ্বিগ্ন...। ইৰাণৰ পৰমাণু ভাবুকিৰ বিৰোধিতাত মাৰ্কিন উদ্যোগৰ বাবে ভাৰত যে কিমান গুৰুত্বপূৰ্ণ সেয়া নতুন দিল্লীয়ে অৱশ্যেই বুজিব। সেই গুৰুত্বৰ মাজতেই আছে ১৮ বছৰ ধৰি ইৰাণৰ পৰমাণু অস্ত্ৰ সম্প্ৰসাৰণ ৰোধ চুক্তি অমাণ্য কৰাৰ বিষয়টো ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদলৈ পঠোৱাৰ মাৰ্কিন প্ৰচেষ্টা সমৰ্থন কৰা । পূৰ্ণ সমৰ্থনৰ পৰা কিবা কম হ'লেই নতুন দিল্লীৰ সৈতে পৰমাণু আৰু নিৰাপত্তা সম্পৰ্কীয় সহযোগিতা প্ৰসাৰিত কৰাৰ বিষয়টো সংকটৰ মাজত পৰিব।"

ইয়াৰ পিছত বিদেশ মন্ত্ৰীক জড়িত কৰাই বাহিৰ হ'ল ভলকাৰ ৰিপোৰ্ট। যদিও সকলো ৰাজনীতিক দুৰ্নীতি ত ডিঙিলৈকে ডুব গৈছে আৰু নটৱৰ সিং তথা তেওঁৰ লম্পট পুত্ৰও ব্যতিক্ৰম নহয়, তথাপি এই প্ৰতিবেদনক ব্যৱহাৰ কৰি মাৰ্কিন লবীয়ে তেওঁক মুক্ত কৰাই দিলে। মাৰ্কিনৰ মিথ্যা, সজোৱা গল্প হিচাপে এই ৰিপোৰ্টক সকলো দেশে পাত্তা দিয়াই পৰা বিৰত থাকিল যদিও ভাৰতৰ সেৱা দাস শাসক সকলে সেয়া কৰা নাই। ৰিপোৰ্টত যি ১৩৫ টা কোম্পানীৰ কথা উল্লেখ কৰা হৈছে তেওঁলোকৰ আটাইবোৰকে সুবিধামতে এৰি যোৱা হৈছে। আটাইতকৈ বেছি লাভৱান হৈছে ৰিলায়েন্স। কিন্তু আম্বানিহঁতৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। বিদেশ সচিব শ্যাম সাৰাইণে পুৰাপুৰি আমেৰিকাৰ বক্তব্য পোহনীয়া পক্ষীৰ দৰে আওৰাই দ্ৰুতভাৱে নতুন দিল্লীত ঘোষোনা কৰে যে ভাৰত পৰমাণু অস্ত্ৰৰ প্ৰসাৰৰ বিৰুদ্ধে আছে আৰু ভাৰতৰ অৱস্থানৰ মাজত কোনো অস্পষ্টতা নাই।

ভাৰত, ইৰাণ আৰু পাকিস্তানৰ মাজত তেল-পাইপলাইন চুক্তিৰ উপৰি ২০০৯ চনৰ পৰা ভাৰতে ২৫ বছৰ ধৰি ৫ নিযুত টন পাতল প্ৰাকৃতিক গেছ সৰবৰাহৰ বাবে ভাৰত তথা ইৰাণৰ মাজত ২১ নিযুত ডলাৰৰ এক চুক্তি স্বাক্ষৰ কৰে। ভাৰতৰ ভোটদানৰ পিছত ইৰাণে নেতিবাচক প্ৰতিক্ৰিয়া দেখুৱাই আৰু এই চুক্তি বাতিলৰ ভাবুকি দিয়ে। আমেৰিকাই ইৰাণৰ সৈতে এই চুক্তিৰ বিৰোধিতা কৰিলেও, ৰাছিয়া আৰু চীনে তাক চলাই যোৱাটো বিচাৰে।

আন্তৰ্জাতিক চাপৰ উপৰি ভাৰতত শক্তিশালী ব্যৱসায়ী লবী আছে, যাৰ পৰা ইৰাণৰ সৈতে চুক্তিৰ পৰা যথেষ্ট লাভজনক ব্যৱসায় আছে। সেইবাবে নবেম্বৰৰ শেষত নিৰ্ধাৰিত আই.এ.ই.এৰ পৰৱৰ্ত্তী সভাত ভাৰতৰ অৱস্থান প্ৰত্যাহাৰ কৰি লোৱাৰ বাবে চি.পি.এম, সমাজবাদীপাৰ্টি আদি ৰাজনৈতিক দলবোৰে এটা পৰিকল্পিত প্ৰচাৰৰ দায়িত্ব লৈছে। এইটোও জনা যায় যে, মাৰ্কিন তথা ইউৰোপীয় সংঘৰ প্ৰস্তাৱৰ পক্ষত ভাৰতৰ ভোট দিয়া সিদ্ধান্তটো লৈছে প্ৰধানমন্ত্ৰীৰ দপ্তৰক ঘেৰি থকা এটা চক্ৰই, আৰু তাত আমেৰিকাত ভাৰতৰ ৰাষ্ট্ৰদুত ৰণেন সেন তথা বিদেশী শ্যাম চাৰাইনে অপৰিহাৰ্য্য ভূমিকা পালন কৰিছে। ক্ষমতাশীল আমোলাতন্ত্ৰত বেছিভাগেই ইৰাণৰ সৈতে চুক্তি ভংগৰ পক্ষত নাছিল। অৱশেষত নবেম্বৰৰ শেষত আমেৰিকা আৰু ইউৰোপীয় সংঘই আই.এ.ই.এ ৰ বোৰ্ড মিটিঙত ভোটৰ বাবে পৰস্পৰে কাষ চাপে আৰু ইউৰোপীয় সংঘভূক্ত তিনিখন দেশ তথা ইৰাণৰ সৈতে আকৌ আলোচনা কৰে। কিন্তু আজি পৰ্যন্ত উভয় পক্ষই নিজৰ কঠোৰ অৱস্থানত আছে। ইৰাণৰ নিৰ্বাচনত মৌলবাদী ইচলামী গোষ্ঠীৰ মহম্মদ আলমাদিনাজাৰৰ জয়ৰ লগে লগে মাৰ্কিন আৰু ইউৰোপীয়সংঘৰযৌথ চাপৰ ওচৰত আত্মসমৰ্পনৰ কোনো মনোভাৱেই দেখওুৱা নাই।

সাম্ৰাজ্যবাদ পৰিকল্পিত বিষয়বোৰৰ মাজত ইৰাণ এটা নতুন তথা প্ৰধান আলোচনাৰ কেন্দ্ৰবিন্দু। তাত তেল আৰু গেছৰ প্ৰাচুৰ্য্যৰ সৈতে একেলগে জড়িত হৈ আছে ইতিপূৰ্বে উল্লেখিত ভৌগলিক অৱস্থানগতভাৱে ৰাজপ্ৰভাৱৰ বহু বিষয়। ভাৰতৰ শাসক শ্ৰেণী তথা ব্যৱসায়ী লবীয়ে দুটা দিশত গৈ আছে, সামগ্ৰিকভাৱে এফালে যেতিয়া আমেৰিকাৰ অনুকুলে যেতিয়া ঝংকাৰ বাজিছে, অন্যদিশত প্ৰতিনিধিসকলৰ একাংশ ইৰাণৰ সৈতে তেল আৰু গেছৰ কাৰবাৰ চলাই যোৱাৰ পক্ষত।

কোন দেশে কি উৎপাদন কৰিব বা নকৰিব, তাত অন্য কোনো দেশৰ নিৰ্দেশ দিয়াৰ কোনো অধিকাৰ নাই। মাৰ্কিন যুক্তৰাষ্ট্ৰই নিজে যেতিয়া সম্পূৰ্ণভাৱে অস্ত্ৰেৰে সজ্জিত, তেতিয়া পৰমাণু অস্ত্ৰৰ বিষয়টোত অন্যক নিৰ্দ্দেশ দিয়াৰ নূন্যতম অধিকাৰও তেওঁলোকৰ থাকিব নোৱাৰে। পৰমাণু অস্ত্ৰ সম্প্ৰসাৰণৰোধ চুক্তিত ইৰাণক ইউৰেণিয়াম সমৃদ্ধিকৰণৰ বাবে অনুমোদন দিয়া হৈছে, সেইটো বাদ দি অন্য দিশেৰে চালেও কোনো দেশৰ আত্মসন্মানৰ বাবে এইটো কৰাৰ অধিকাৰ আছে, বিশেষকৈ আমেৰিকাৰ প্ৰকাশ্য ভাবুকিৰ বিপৰীতে এইটো নিজেই যিহেতু পৰমাণু অস্ত্ৰ উৎপাদন কৰিছে আৰু পৰমাণু অস্ত্ৰৰ সম্প্ৰসাৰণৰোধ চুক্তি স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰিছে, তেতিয়া ভাৰতীয় শাসকশ্ৰেণীৰ মাৰ্কিনৰ সেৱা দাসৰ দৰে। ইৰাকক ভাবুকি দিয়াৰ কোনো যুক্তিয়ে নাই। এই সকলো বিচাৰি দালালক সকলো দেশক ভৰযা কৰা উচিত, কাৰণ ইৰাণৰ প্ৰতি সাম্ৰাজ্যবাদৰ ভূমিকাৰ সমৰ্থনকাৰী মনোভাৱ অন্যতো প্ৰতিফলিত হৈছে। ইৰাণৰ সাৰ্বভৌমত্বৰ অধিকাৰৰ ওপৰত সাম্ৰাজ্যবাদী আক্ৰমণৰ বিৰুদ্ধে পূৰ্ণ প্ৰতিৰোধত ইৰাণৰ সাধাৰণ মানুহৰ লগত ভাৰতীয় জনগণ অৱশ্যেই থাকিব। ■

*('পিপলছ মাৰ্চ' পত্ৰিকাৰ পৰা সংগৃহীত)*

বিপৰ্ট

# বিষাক্ত কোক্ উদ্যোগে মৃত্যু মাতিছে অসমীয়াৰ

# প্ৰদূষণৰ বিৰুদ্ধে ঐক্যবদ্ধ গণআন্দোলনত জনগণ

কল্যাণ




*ৰাণীত প্ৰদুষণ সৃষ্টিকাৰী কোক উদ্যোগ ভাঙিবলৈ অগ্ৰসৰ হোৱা প্ৰতিবাদী ৰাইজ*

আধুনিক জীৱন যাত্ৰাত উদ্যোগীকৰণৰ বিৰুদ্ধে বিশ্বৰ বোধহয় ক'তো বিৰুদ্ধাচাৰণ কৰা নহয়। কিন্তু উদ্যোগীকৰণৰ নামত প্ৰদূষণ সৃষ্টিকাৰী তথা অন্যান্য দেশত নিষিদ্ধ হিচাপে পৰিগণিত একাংশ কোক্, চিমেন্ট আদি উদ্যোগ অসমৰ চুকে-কোণে জধে-মধে স্থাপন কৰাৰ ফলত ভয়ানক প্ৰদূষণৰ সৃষ্টি হৈছে। ইয়াৰ ফল স্বৰূপে বিভিন্ন ৰোগত আক্ৰান্তৰ আশংকাত ভীত্সন্ত্ৰস্ত হৈ প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগসমূহৰ বিৰুদ্ধে অসমৰ চৌদিশে ৰাইজ ঐক্যবদ্ধ হৈ প্ৰতিবাদ মুখৰ হৈ পৰিছে।

উল্লেখ্য যে ৰাজধানী দিছপুৰৰ গাতে লাগি থকা উজনি অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য প্ৰান্তৰ যোগাযোগৰ প্ৰধান ৰাষ্ট্ৰীয় পথৰ দাঁতিত থকা যোৰাবাট, বৰ্ণিহাট, পাতৰকুছি, আমেৰিগোগকে ধৰি বৃহত্তৰ কমাৰকুছি গাঁও পঞ্চায়ত এলেকাত গঢ়ি উঠা কোক্, চিমেন্ট, চূণ আদিৰ উদ্যোগৰ ক'লা ধোঁৱাই অঞ্চলটোৰ প্ৰায় ৬০ (ষাঠি) হাজাৰ জনগণক অতীষ্ঠ কৰাৰ লগতে বিভিন্ন বেমাৰৰ বীজাণুত আক্ৰান্ত হোৱাৰ ভয়ত আতংকিত হৈ পৰিছে। বিশেষকৈ উত্তৰ-পূবৰ দুৱাৰমুখ গুৱাহাটীৰ নাতি দূৰত থকা বিস্তৃত সেউজীয়া প্ৰাকৃতিক পৰিবেশৰ বিশুদ্ধ বায়ুৰ সলনি এতিয়া মাৰাত্মক বেমাৰৰ বীজাণু বিয়পোৱা কয়লাৰ ধোঁৱাৰে হয়তো যাত্ৰীসকলক স্বাগতম জনাব।

এঘাৰমাইল নিবাসী ব্যৱসায়ী ক্ৰমে জীৱন শৰ্মা, ৰামদেও ৰায়ে এই প্ৰতিবেদকক জনোৱা অনুসৰি তেওঁলোকৰ ঘৰৰ দাঁতিত স্থাপন হোৱা জে ডি কোক্ উদ্যোগৰ চিম্‌নিৰ জলন্ত জুই, ধোঁৱা, কয়লা পোৰা দূৰ্গোন্ধ আদিৰ লগতে নিশাৰ ভাগত ক্ৰেচাৰৰ প্ৰকাণ্ড শব্দৰ কঁপনিত ঘৰবোৰ কঁপি উঠে, যাৰ বাবে এঘাৰমাইলবাসীয়ে নিশা জিৰণিকণো ভালকৈ ল'ব নোৱাৰে। পুনৰ বৰ্ণিহাট-পাতৰকুছি অঞ্চলতো একেই অৱস্থা। পাতৰকুছিৰ কৃষক গজেন দহোতিয়াই এই প্ৰতিবেদকক দেখুৱাই দিয়া অনুসৰি গাঁওখনত কুঁৱাৰ ওপৰত কয়লাৰ ডাঠ চামনি, বাৰীত শস্য-গছ বিৰিষৰ পাতত ক'লা ক'লা কয়লাৰ গুৰি। তেনেদৰে নিখিল ভাৰত কৃষক সভাৰ কামৰূপ জিলাৰ সম্পাদক নবীনচন্দ্ৰ ক্ৰোই জনোৱা অনুসৰি বৃহত্তৰ বৰ্ণিহাটৰ প্ৰদূষণৰ অৱস্থাও আজি একে। ভুক্তভোগী ৰাইজে পাতৰকুছি আৰু সৰুটাৰীৰ কোক্ আৰু পূৰ্বাঞ্চল চিমেন্ট উদ্যোগৰ বিৰুদ্ধে বিগত ২০০৪ চনতে ৰাজহুৱা স্বাৰ্থজড়িত আবেদন (PIL) কৰিছে যদিও ন্যায়ালয়ে আজিলৈ এক-ডেৰ বছৰে ৰাইজৰ স্বাৰ্থত ন্যায় প্ৰদান কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে যোৰাবাটৰ পৰা ৮ কি ঃ মিঃ দূৰত্বৰ ব্যাসাৰ্দ্ধত ১২ টা কোক্, ৩টা চিমেণ্ট, ২ টা চূণৰ ভাটা আৰু এটা ৰাসায়নিক দ্ৰব্য উৎপাদনকাৰী উদ্যোগ গঢ় লৈ উঠিছে। ইয়াৰে ১৩ মাইলত থকা ১ টা কোক্ উদ্যোগৰ বাহিৰে অন্যান্য ১৬ টা প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগেই যোৱা ২০০৪ বৰ্ষৰ শেষৰ ফালে গঢ়ি উঠিছে। অকল বিস্তৰ কৃষিভূমি তথা ৰবি শস্য, পাণ-তামোলেই নহয় বৃহত্তৰ খানাপাৰা- কমাৰকুছি অঞ্চলত দৈনিক প্ৰায় ৫০,০০০ (পঞ্চাশ) হাজাৰ





## স্বাগতম

প্ৰণৱ

পাৰিবানে নেহৰু পাৰ্কত বহি
পেটৰ ভোক গুচাব ?
চেন্টাৰ পইন্ট, বাঘেশ্বৰী, উমানন্দ
ক'ত গ'লে বাৰু পেটৰ জুই নুমাই
পেটৰ জুই শ্ৰেষ্ঠ নে প্ৰেম (সস্তীয়া প্ৰেম)ৰ জুই ?
খবৰ ৰাখিছানে তুমি কেতিয়াবা
ভনিমাই দত্ত, মনোৰমা দেৱী
কিম্বা সাত বছৰীয়া বৰ্ণালী জনীৰ
যাৰ সতীত্ব নৰখাদকৰ দংশনত ক্ষত-বিক্ষত
ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলিহোৱা লুলু গগৈক আকৌ
পাহৰিলা নেকি ...............
চাকৰিৰ সলনি পুলিচৰ লাঠিৰ কোবৰ কথা
ক্ষন্তেক বৈ আকৌ এবাৰ কৰি চোৱাচোঁন
জীৱনৰ পূৰণ-হৰণ, যোগ-বিয়োগবোৰ
ফলাফল বাৰু কি ওলাল ?
সময়ৰ সোঁতত উতি-ভাহিয়েই গৈ থাকিবা নেকি ?
নে সোঁতৰ বিপৰীতে গৈ
সত্য-শিৱ-সুন্দৰৰ সাধনা কৰিবা
ৰূপান্তৰৰ মাজেৰে নতুন পৃথিৱী ৰচিবা
কিয়, তোমাৰ জীৱনৰ অঙ্কবোৰৰ ফলাফল
ধনাত্মক হোৱাটো নিবিচাৰিবা নেকি ?
আহা—
আমি হাতত হাত মিলাই আগ বাঢ়ি যাওঁ
সময়ক প্ৰত্যাহ্বান জনাই
সমতাৰে ভৰা এখনি নতুন পৃথিৱী গঢ়াৰ সপোনেৰে। ■

## কাকপথাৰ তোমাক হেজাৰবাৰ স্বাগতম

দেৱজিৎ


কাকপথাৰ
তুমি জাগি উঠা
তোমাৰ আজি বৰ প্ৰয়োজন
দালাল শাসক - শোষকৰ দপ্দপনিত
জীৱন-যৌৱনৰ হুমুনিয়াহ
চৌদিশ ধোঁৱা-কোৱা
সন্ত্ৰাসিত ভৱিষ্যত
দিল্লী-দিচ্পুৰ-ডিফু-কোক্ৰাঝাৰ দখলৰ পিছত
সিহঁতক প্ৰতিখন সৰল মানুহৰ গাঁও লাগে
লাগে সম্পদৰ সমস্ত উৎস
কাৰণ, প্ৰতিটোপাল দুখীয়াৰ তেজেৰে
সিহঁতে সাজে বিলাসী ইমাৰত
শোষণৰ হাতোৰাত বন্দী কৰিব খোজে জনতাক
কেৱল দুখ-নিৰ্যাতনৰ বলি হৈ ৰাইজ জানো
ফেঁটী সাপৰ দয়াত জী থাকিব ?
যদিও হৃদয়ত ৰজাৰ ক্ৰূৰতা-নিষ্ঠুৰতাৰ বলি হোৱা
অলেখ ভাতৃৰ তেজাল স্মৃতি
মাতব্বৰ শাসকৰ হাতত ধৰ্ষিতা আই-ভনীৰ মুখত কৰুণ
বৰ্ণমালা
তথাপি চৌদিশৰ জালিয়ানৱালাবাগৰ বিৰুদ্ধে প্ৰবল
প্ৰতিৰোধৰ বাবেই
তোমাৰ জাগৰণৰ বৰ প্ৰয়োজন
ক্ষোভাগ্নিত উত্তোলিত তোমাৰ হাতবোৰ,
ৰজাৰ নিৰ্মমতাৰপৰা বাচিব খোজা গণ-আৱাজবোৰ
কোনোবা পৰেশ-অৰবিন্দ-ৰঞ্জন-সমুজ্জ্বলে
নেদেখিব অথবা নুশুনিব পাৰে
তোমাৰ আৱাজ মানে
ক্ষোভিত - নিপীড়িত দুখীয়া সৰ্ব্বহাৰা নৰ-নাৰীৰ আৱাজ
পদানত ৰাইজক মুক্তিৰ বাটে আগুৱাই নিয়াৰ আৱাজ
ৰক্তলোভী ৰজাৰ সশস্ত্ৰ বেৰিকেড ভাঙি
দুখীয়া-নিচলা ৰাইজৰ সুদিন গঢ়াৰ আৱাজ এয়া
কাকপথাৰ—
তোমাক আজি হাজাৰবাৰ স্বাগতম। ■

## বৰ্ষা

### নিজৰা ডেকা

তেওঁ মোলৈ চালে
বোৱতী হয় চঞ্চল ডিগাৰু
জক্‌মকাই ফুলে এজাৱ
পৰা হ'লে আনিলো হেঁতেন
এচিকুট সেইজীয়া
তেওঁৰ চকুৰ পৰা কাঢ়ি।

সপোন দেখো
তেওঁক লৈ
সহস্ৰ কবিতাৰ পথাৰৰ মাজত
শুকান গান, উদং দৃষ্টিৰ মাজত
মই যে বিচাৰি পাওঁ
সৃষ্টিৰ উন্মাদনা
প্ৰোথন কৰো
উত্তাল বাসনা গভীৰত।।



## নৱীয়া গণতন্ত্ৰ

### দীপ কলিতা

মই জানো সিঁহতৰ মোলৈ বৰ ভয়
আনকি মোৰ মৃতদেহটোলৈ!
জানোচা এটা বিপ্লৱ হয়!
চৌ-দিশৰ নিৰন্ন, নিষ্পেষিত, প্ৰতাৰিত
সৰ্বহাৰা জনতাৰ বাবে
এটা গণবিপ্লৱৰ যে আজি বৰ প্ৰয়োজন
আজি জনতাৰ কোনো নিৰাপত্তা নাই
আনকি পানীটুপী বিচাৰোতেও
চৰকাৰে গুলীৰেই উত্তৰ দিয়ে
হায় গণতন্ত্ৰ !
তুমি নৱীয়া নহয় তেনে কি আচলতে!

## পাৰা যদি তুমি

### পুলক দাস

পাৰা যদি তুমি এজাক বৰষুণ হোৱা
সিহঁতৰ হৃদয়ত জ্বলি থকা দুখৰ জুইবোৰ নুমুৱাই দিয়া
সিহঁতৰ হৃদয়ত বহুদিনৰ পৰা জ্বলি আছে ভোকৰ জুই
মানুহৰ দৰে আজিকালি কবিতাৰো হৃদয়ত
জুই জ্বলে
পাৰা যদি তুমি এখন আঁচল হোৱা
সিহঁতৰ চকুপানীবোৰ টুকি লোৱা
মানুহৰ দৰে আজিকালি কবিতায়ো কান্দে

পাৰা যদি তুমি সিহঁতক সপোন দেখুওৱা
কেনেকৈ ভোকাতুৰে এসাজ খোৱাৰ সপোন দেখিব
পাৰে
প্ৰতিমুহূৰ্ত্তে উত্তৰণৰ আলাপ বিনিময় কৰা
ঐক্যবদ্ধ কৰা সিহঁতক
আজিকালি কবিতাবোৰো একোটা নিঃসংগ দ্বীপৰ দৰে
পাৰা যদি তুমি সিহঁতৰ প্ৰকৃত বন্ধু হোৱা

তোমাৰ চিন্তাৰ সেউজীয়া ৰং-বিৰঙৰে সিহঁতক
সজায় তোলা সময়ৰ যোদ্ধা
পাৰা যদি তুমি আজিৰ পৰাই
সিহঁতৰ প্ৰেমত পৰিব পাৰা
সিহঁতৰ মন-প্ৰাণৰ আকুলতাৰ তীব্ৰতাই আজি যে
হাত-বাউল দি মাতে।
সিহঁতৰ প্ৰেমত কোনো প্ৰতাৰিত হোৱাৰ সম্ভাৱনা।



ৰিপৰ্ট

# চৰকাৰী স্বাস্থ্যসেৱাৰ চূড়ান্ত ভণ্ডামি গ্ৰামাঞ্চলত মেলেৰিয়াৰ তাণ্ডৱ



### নীতিকাশ মহন্ত

বি গত পাঁচটা মাহৰ আটাইতকৈ চৰ্চিত বিষয়টো আছিল নিৰ্বাচন। দেশৰ পাঁচখন ৰাজ্যৰ লগতে অসমতো অনুষ্ঠিত হৈ গ'ল বিধানসভাৰ নিৰ্বাচন। বিষয় অনুযায়ী চৰ্চা নোহোৱাৰ কোনো অস্বাভাৱিকতা ইয়াত নাই। কিন্তু, তাৰ সমান্তৰালভাৱে অসমবাসীক এক ভয়াবহ সমস্যাই ভাৰাক্ৰান্ত কৰি তুলিছে। মেলেৰিয়া। এইকেইটা মাহতেই মেলেৰিয়া ৰোগত আক্ৰান্ত হৈ ১২৫০ গৰাকীৰ জীৱন নিৰ্বাপিত হোৱাৰ লগতে প্ৰায় ২ লক্ষ জনতা এই ৰোগত সৰ্বস্বান্ত হ'ল। বিষয়টো ইমানেই গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ অথচ ৰাজ্যত পূৰ্ণ পৰ্যায়ৰ চৰকাৰ এখন থকাৰ পিছতো এইক্ষেত্ৰত নিৰ্লিপ্ততা প্ৰদৰ্শন কৰা দেখা গৈছে। তাৎপৰ্যপূৰ্ণভাৱে স্বৰাজোত্তৰ কালৰে পৰা আজিৰ তাৰিখলৈ এই সংহাৰী মেলেৰিয়া ৰোগে প্ৰায় ৰ লক্ষ লোকৰ প্ৰাণ কাঢ়ি নিলে। ঠিক একে সময়তে প্ৰায় ১০ লাখৰো অধিক লোক এই ৰোগত আক্ৰান্ত হৈ জীৱন বিধ্বস্ত হৈ পৰাৰ তথ্য আছে। পৰিতাপৰ বিষয় যে মেলেৰিয়া ৰোগক লৈ চৰকাৰ বা স্বাস্থ্য বিভাগে আজিকোপতি তেনে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই।

ৰাজ্যৰ জনস্বাস্থ্যৰ প্ৰতি মেলেৰিয়া ৰোগে প্ৰচণ্ড ভাবুকিৰ সৃষ্টি কৰি অহাৰ পিচতো ৰাজ্যৰ প্ৰতিখন চৰকাৰেই এই স্পৰ্শকাতৰ বিষয়টোক লৈ চৰম উদাসীনতা প্ৰদৰ্শনেৰে ৰাজ্যবাসীক নিশ্চিত মৃত্যুৰ দিশলৈ ঠেলি দি আহিছে। চলিত বৰ্ষটো জনস্বাস্থ্যক লৈ হেতালি খেলা তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰখনৰ অৱহেলাৰ বাবেই অসমত মেলেৰিয়াই সংহাৰী ৰূপ ধাৰণ কৰিবলৈ পালে। অপ্ৰতি ৰোধ্য গতিক দৈনিক সহস্ৰ লোক আক্ৰান্ত হোৱা এই ৰোগ নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদাসীনতাই সচেতন মহলটোক ক্ষুব্ধ কৰি তুলিছে। হাস্যকৰ কথা যে নিৰ্বাচনৰ কামত ব্যস্ত থকা বিষয়া কৰ্মচাৰীয়ে মেলেৰিয়া ৰোগৰ 'বছৰেকীয়া' প্ৰাদুৰ্ভাৱ প্ৰায় শেষ হওঁ হওঁ অৱস্থাতহে যৎসামান্য তৎপৰতা দেখুৱাইছে। সাধাৰণতে ফেব্ৰুৱাৰী মাহত অসমৰ বিভিন্ন ঠাইত এই ৰোগবিধৰ আবিৰ্ভাৱ হয় আৰু তাৰ পিছতেই FW বা Survalent Worker সকলে মেলেৰিয়া অধ্যুষিত অঞ্চলবোৰলৈ গৈ সজাগতা শিবিৰ স্থাপন, ডি ডি টি ছটিওৱা আদি কামবোৰ কৰিব লাগে। কিন্তু এই মুলুকত গা লৰিবলৈ এই ৰোগত কেইজনমান লোকৰ মৃত্যু ঘটাতো স্বাস্থ্য বিভাগ আৰু মেলেৰিয়া বিভাগটোৰ বাবে প্ৰয়োজনীয় বুলি বিগত বছৰবোৰত প্ৰমাণিত হৈ আহিছে। কিয়নো ইতিমধ্যে বিভিন্ন অসামৰিক চিকিৎসালয়ত ৫০ শতাংশ ৰোগীয়ে উপযুক্ত চিকিৎসা প্ৰাপ্তিৰ পৰা বঞ্চিত হোৱাৰ খবৰ পোৱা গৈছে। ইফালে, গাঁও এলেকাত একোটা পৰিয়ালৰ ৫-৬ জনকৈ মেলেৰিয়া ৰোগত আক্ৰান্ত হোৱাৰ পিচতো স্বাস্থ্য উপকেন্দ্ৰসমূহত এটা ক্লৰ'কুইনৰ বড়ি পাবলৈ নাই। চৰকাৰৰ স্বাস্থ্য বিভাগৰ এনে দশা নিন্দনীয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগত মেলেৰিয়া বিভাগ বুলি এটা বিভাগ আছে। এই বিভাগটো কেৱল মন্ত্ৰী আমোলা-বিষয়াকৰ্মীৰ খীৰতী গাইৰ বাহিৰে একো নহয়। ৰাষ্ট্ৰীয় মেলেৰিয়া নিয়ন্ত্ৰণ আঁচনি আদি কৰি স্বাস্থ্য বিভাগৰ পৰা মেলেৰিয়া নিয়ন্ত্ৰণৰ নামত যিমানেই পুঁজিৰ আৱন্টন নহওক কিয় এই সমুদায় ধন কেৱল সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ দলটোৱে উদৰস্থ কৰাৰ অভিযোগ উঠে। এই প্ৰমাণ হয় এনেদৰে-চৰকাৰে বিনামূলীয়াকৈ বিতৰণ কৰা মেলেৰিয়াৰ ঔষধ ম্যাদ উকলা কিয় হয়? চৰকাৰে প্ৰত্যন্ত এলেকাত বিতৰণ কৰিবলগীয়া আঁঠুৱা ক্ৰয় কৰাৰ পিচতো বছৰ বছৰ ধৰি গুদামতেই পৰি ৰয় কিয়? চৰকাৰে বিজ্ঞাপনৰে জনাই থকাৰ পিচতো

স্বাস্থ্যকেন্দ্রত ঔষধ নাপাই ৰোগী বিনা চিকিৎসাই উভতিবলগীয়া হয় কিয়? তদুপৰি আজি পৰ্যন্ত ৰাজ্যৰ ছয়খন জিলা-গোলাঘাট, তিনিচুকীয়া, মৰিগাঁও, হাইলাকান্দি, বঙাইগাঁও আৰু ধেমাজিত মেলেৰিয়া বিভাগটোৰ কাৰ্যালয়েই স্থাপন নহ'ল। গতিকে চিকিৎসা পৰ্যাপ্ত বুলি কোৱাৰ যুক্তি চৰকাৰৰ আছেনে? সচেতন মহলৰ মনত উদয় হোৱা এনেবোৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ নৈতিক দায়িত্ব স্বীকাৰ কৰিবনে চৰকাৰখনে? যোৱা ১ জুন তাৰিখে স্বাস্থ্যমন্ত্ৰীয়ে বিজ্ঞাপনৰে জনাইছে যে ২০০ গৰাকী চিকিৎসকক 'থ্ৰি-এফ'ত নিযুক্তি দিব। 'থ্ৰি এফ'ত নিযুক্তি মানেই খণ্ডেকীয়া। ৰাজ্যৰ চিকিৎসালয়, ডিচ্‌পেনছাৰী, স্বাস্থ্য উপকেন্দ্ৰসমূহত ইমানবোৰ চিকিৎসকৰ পদ খালী হৈ থকাৰ পিছতো কিয় 'থ্ৰি এফ'ত নিযুক্তি দিয়াৰ তৎপৰতা অৱলম্বন কৰিছে তাক লৈয়ো সৰ্বত্ৰতে প্ৰশ্ন উঠিছে।

শেহতীয়াকৈ চৰকাৰীভাবে যোগান ধৰা দৰৱ বিতৰণৰ ক্ষেত্ৰতো চিকিৎসকৰ সন্দেহজনক ভূমিকা দেখিবলৈ পোৱা গৈছে। তেজৰ নমুনা পৰীক্ষণৰ বাবে প্ৰযোজ্য 'ৰেপিড টেষ্ট শ্লাইড টেষ্ট'ৰ ক্ষেত্ৰতো দেখা গৈছে বিৰাট বিসংগতি। 'ৰেপিড টেষ্ট'ৰ বাবে দৰকাৰী 'কিট'ৰ যোগানো পৰ্যাপ্ত নহয়। 'শ্লাইড টেষ্ট'ৰ ফলাফল নিৰ্ণয় কৰিবলৈ লোৱা নুন্যতম তিনিদিনত মেলেৰিয়া বীজাণু তীব্ৰ গতিত বৃদ্ধি পাই ৰোগী মৃত্যুমুখত পৰিবলগীয়া হৈছে। ৰাজ্য চৰকাৰে বৰ্তমানেও পুৰণি পদ্ধতিৰে চিকিৎসা প্ৰদানত ব্যস্ত থকাৰ বিপৰীতে মেলেৰিয়া পৰজীৱী অসমৰ জলবায়ুত অধিক সক্ৰিয় হৈ উঠাৰ তথ্যও পোৱা গৈছে। দীৰ্ঘ দিন ধৰি একে পৰ্যায়ৰ আৰু বিশেষ উৎকৰ্ষ সাধন নকৰা দৰৱ একেৰাহে প্ৰয়োগ কৰি থকাৰ ফলত অসমত 'প্লাজম'ডিয়াম ফেলচিপেৰাম' পৰজীৱীৰ বহন ক্ষমতা (Resistance) তীব্ৰভাৱে বৃদ্ধি পাইছে। এনে পৰিস্থিতিত অসমত মেলেৰিয়া অধ্যুষিত অঞ্চলসমূহলৈ চিকিৎসা-গৱেষকৰ দল গৈ পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন আছিল যদিও চৰকাৰ তথা অকৰ্মণ্য স্বাস্থ্য বিভাগে এইক্ষেত্ৰত কোনো দিনে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই।

উল্লেখ্য যে বিশ্বত মুঠ ৩৮০ বিধৰ এন'ফেলিছ মহৰ প্ৰজাতি আছে। ইয়াৰে ৩২০ টাই ভয়াবহ প্ৰজাতিৰ। কিয়নো এইসমূহ মেলেৰিয়া বীজাণু কঢ়িয়াই লৈ ফুৰা এন'ফেলিছেই মানুহৰ দেহলৈ এই বীজাণু সংক্ৰমিত কৰে আৰু ইয়াৰ পৰাই মানুহৰ দেহলৈ বিয়পে প্লাজম'ডিয়াম ফেলচিপেৰাম, প্লাজম'ডিয়াম বাইভা'প্লাজম' ডিয়াম গুভালো আৰু প্লাজম'ডিয়াম মেলেৰিয়াৰ বীজাণু। তাৎপৰ্যপূৰ্ণ কথা যে বিশ্বৰ মাথোঁ—ভৰত, ব্ৰাজিল, আফগানিস্তান, শ্ৰীলঙ্কা,থাইলেণ্ড, ইণ্ডোনেছিয়া, ভিয়েটনাম, কম্ব'ডিয়া, চীনতহে মেলেৰিয়া ৰোগৰ প্ৰাদুৰ্ভাৱ আছে। আমেৰিকাত এইৰোগত আক্ৰান্ত হোৱা মানুহ দেখা নগ'লেও এনেবোৰ ৰোগৰ প্ৰতি দেশখন কিন্তু অত্যন্ত সচেতন। বিশেষকৈ ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰথম বিশ্বৰ দেশসমূহ যি হাৰত সতৰ্কতা দেখা যায় ইয়াৰ বিপৰীতে তৃতীয় বিশ্বৰ দেশৰ কেন্দ্ৰ বা ৰাজ্য চৰকাৰসমূহে সেই একে হাৰত দুৰ্নীতি ত নিমজ্জিত।

'সকলোৰে বাবে স্বাস্থ্য' বুলি ঘোষণা কৰা কেন্দ্ৰীয় চৰকাৰৰ দেশৰ দৰিদ্ৰ জনতাৰ প্ৰতি দায়বদ্ধতা আচলতে নিৰ্বাচনকেন্দ্ৰিক ৰাজনীতিৰ অংশবিশেষহে। কিয়নো, পাৰিসাংখ্যিক দৃষ্টিকোণৰ পৰা ৰাজ্যখনত মানুহৰ মৃত্যুৰ তুলনা কৰিলে এইড্‌ছতকৈ হাজাৰগুণে প্ৰতিবছৰে মেলেৰিয়াত মৃত্যু হয়। কিন্তু কেন্দ্ৰীয় চৰকাৰে জনস্বাৰ্থৰ প্ৰতি আওকাণ কৰি বৃহৎ পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থ পূৰণ কৰিবলৈ বছৰি এইড্‌ছ নিয়ন্ত্ৰণৰ নামত আৱন্টন কৰা পুঁজি মেলেৰিয়া অধ্যুষিত ৰাজ্যবোৰত আৱন্টিত কৰা ধনতকৈ কেবাগুণে বেছি। এইড্‌ছ নিয়ন্ত্ৰণৰ নামত ব্যৱহৃত যৌন নিৰোধক সামগ্ৰীবোৰৰ উপভোক্তাৰ সংখ্যাৰ ফালৰ পৰা এক বৃহৎ বজাৰ হ'ল ভাৰতবৰ্ষ। সেইকাৰণেই বৃহৎ পুঁজিপতি গোষ্ঠীৰ মুখ্য পৃষ্ঠপোষক আৰু বিশ্ব অৰ্থনীতিৰ মুখ্য নিয়ন্ত্ৰক আমেৰিকাকে আদি কৰি প্ৰথম বিশ্বৰ দেশবোৰৰ শ্ৰুতলিপিমতে এই পুঁজিপতি শ্ৰেণীটোৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ প্ৰতিবছৰে এইড্‌ছ নিয়ন্ত্ৰণৰ নামত কোটি কোটি টকা ভাৰত চৰকাৰে ৰাজ্যসমূহলৈ অনুদান হিচাপে আগবঢ়ায়। ইয়াৰ দ্বাৰাই দেশৰ খাটিখোৱা দৰিদ্ৰ শ্ৰেণীটোৰ প্ৰতি চৰকাৰৰ অৱহেলাৰ মনোভাৱৰ উপৰিও ধনিক শ্ৰেণীটোৰ পদলেহনকাৰী হিচাপে ভাৰত চৰকাৰৰ চৰিত্ৰ স্পষ্ট ৰূপত ধৰা দিয়ে। কেন্দ্ৰীয় চৰকাৰৰ এই পুঁজিবাদী আৰু শ্ৰেণীবৈষম্যমূলক শাসন নীতিৰ আঁৰত লুকাই আছে পুঁজিবাদৰ পৃষ্ঠপোষক আমেৰিকাৰ দৰে প্ৰথম বিশ্বৰ দেশবোৰৰ প্ৰকৃত চৰিত্ৰ। আমাৰ দেশ এতিয়া আমেৰিকা তথা বিভিন্ন সাম্ৰাজ্যবাদী শিবিৰৰ এখন বজাৰহে। সাম্ৰাজ্যবাদী শিবিৰৰ দাসত্ব গ্ৰহণ কৰা আমাৰ দেশৰ চৰকাৰে সাধাৰণ ৰাইজৰ স্বাস্থ্যৰ প্ৰতি কোনো কাৰণতে গুৰুত্ব নিদিয়ে। সাম্ৰাজ্যবাদী গোষ্ঠীৰ বাণিজ্য যিবোৰ বিষয়ত সমৃদ্ধ হ'ব পাৰে সেই বিষয়বোৰকহে চৰকাৰে গুৰুত্বসহকাৰে ল'ব। সেইবাবে মেলেৰীয়া, গ্ৰহণী, হাইজা, ক'লেৰা— য'তেই মৰে সাধাৰণ মানুহ মৰি থাকক এই গিনিপিগবোৰক লৈ চৰকাৰৰ কৰিবলগীয়া একো নাই। মাথো পুজিপতি বনিয়া গোষ্ঠীৰ বাণিজ্য হ'ব লাগে। মানুহৰ প্ৰাণৰ বিনিময়ত বাণিজ্য। মেলেৰীয়া বাণিজ্য, জণ্ডীছৰ বাণিজ্য, ডায়েৰীয়াৰ বাণিজ্য.....। গতিকে সাধাৰণ সমুহৰ সন্মুখত বৰ্তি থাকিল কি? একমাত্ৰ প্ৰতিবাদৰ পথ, এই ব্যৱস্থা উৎখাতৰ বাবে ঐক্যবদ্ধ সংগ্ৰামৰ পথ। অন্যথা সাম্ৰাজ্যবাদ-পুঁজিবাদৰ গিনিপিগেই হৈ থাকিব লাগিব মানুহ আৰু মেলেৰিয়াৰ পৰা পৰিত্ৰান কোনো উপায় নাথাকিব। ■



সাময়িকী

# বহুজাতিকৰ পন্য 'ভাৰত কণ্ঠ' দেবজিতৰ দৰে শিল্পীয়ে কাৰ স্বাৰ্থ পূৰণ কৰে?

দীনেশ দাস



সম্প্ৰতি অসমৰ লগতে দেশৰ অন্যান্য প্ৰান্ততো জি টিভিৰ 'ভাৰতকণ্ঠ' দেবজিৎ সাহাৰ নাম সঘনাই প্ৰচাৰিত হৈছে। শিল্পীসকলৰ কণ্ঠ প্ৰতিভাৰ বাবে ৰাইজৰ ওচৰ চাপে অথবা জনপ্ৰিয়তাও অৰ্জন সহজেই কৰিব পাৰে। বহু ক্ষেত্ৰত ৰাইজে তেনে ধৰণৰ প্ৰতিভাক স্বীকাৰ কৰাৰ লগতে ৰাইজে আগ্ৰহেৰে লক্ষ্য কৰে আৰু মৰম সাদৰ কৰি আপোন কৰি লয়। কিন্তু জি টিভিয়ে অলপতে অনুষ্ঠিত কৰা সা-ৰে-গা-মা-পা প্ৰতিযোগিতাৰ আলমত নিৰ্বাচিত কৰা 'ভাৰত কণ্ঠ'ৰ নিৰ্বাচন পদ্ধতি দেশৰ লগতে অসমৰো সচেতন মহলৰ সততে চিন্তাৰ বিষয় হৈ পৰিছে। এজন যুৱক অথবা যুৱতীক তেওঁৰ প্ৰতিভাৰ ভিত্তিত কিবা স্থান পালে নিশ্চয় কাৰো ক'ব লগা নাই। কিন্তু এজনক শ্ৰেষ্ঠ বুলি বিজয়ী কৰিবলৈ প্ৰকৃত প্ৰতিভাৰ সলনি জাতীয় অথবা ধৰ্মীয় আবেগক উচটনি দি ভোটৰ মাধ্যমেৰে এম এল এ, সাংসদ নিৰ্বাচনৰ লেখিয়া নিৰ্বাচন পদ্ধতিক নিশ্চয় বিচাৰ বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। এনে ধৰণৰ পদ্ধতিত প্ৰকৃত প্ৰতিভাই স্থান নোপোৱাটোৱে ধ্ৰুৱপ। দ্বিতীয়তে, এই পদ্ধতি অৱলম্বনৰ পোষকতা কৰা আৰু সহায় সমৰ্থন কৰা প্ৰতিষ্ঠান অথবা সংগঠনসমূহে প্ৰকৃততে কাৰ লাভ কৰালে। এছ এম এছ প্ৰেৰণ কৰা মোবাইল কোম্পানী এয়াৰটেল, ৰিলায়েন্স, এয়াৰচেল, বি এছ এন এল আদিক এই পদ্ধতিৰ দ্বাৰা কোনে লাভবান্বিত কৰালে। প্ৰতিটো পক্ষৰ স্বাৰ্থ আৰু সৰ্ব সাধাৰণৰ স্বাৰ্থৰ কথাখিনি আলোচনা কৰিলে কাৰ ক'ত স্বাৰ্থ আছে, সেয়া ওলাই পৰে। অৰ্থাৎ জি টিভি, দেবজিৎ আৰু ছাত্ৰসন্থা আদিৰ বুজা-বুজিৰ কথাটোৱে আজি স্বচ্ছভাবে জনগণক প্ৰতীয়মান কৰিছে সা-ৰে-গা-মা-পা প্ৰতিযোগিতাখননো আচলতে কি?

*'ভাৰত কণ্ঠ' প্ৰদানত জি টিভিৰ স্বাৰ্থ কি?*

বাতৰি কাকত, চেটেলাইট নিউজ চেনেলসমূহৰ আজিৰ মালিক পুঁজিপতি গোষ্ঠীটোৱে জনগণক বাতৰি যোগানৰ নামত লাভ কেন্দ্ৰিক এক ব্যৱসায় চলোৱা পৰিলক্ষিত হৈছে। এই দিশেৰে লক্ষ্য কৰিলে জি টিভিয়ে

ধন ঘটাৰ নব্য কৌশল হিচাপে জনগণৰ সন্মুখত প্ৰতিভাৰ নিৰ্বাচনৰ নামত সা-ৰে-গা-মা-পা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এনে ধৰণৰ প্ৰতিযোগিতাৰ দ্বাৰা জনগণৰ মাজত সস্তীয়া আবেগৰ সৃষ্টি কৰি দেবজিৎ অথবা বিনীত অথবা জুবিন নামৰ যিকোনো এগৰাকী শিল্পীক এটা স্বীকৃতি প্ৰদান কৰি তেওঁলোকৰ ব্যৱসায়ৰ স্বাৰ্থত এটি জনপ্ৰিয় 'ব্ৰাণ্ড' বনাই বজাৰত এৰি দি ধন ঘটে। ইয়াৰ প্ৰমাণো অসমৰ ৰাইজে নিশ্চয় প্ৰত্যক্ষ কৰি আছে। অৰ্থাৎ 'ছাত্ৰসন্থা'ৰ মুকলি সহায়-সমৰ্থনত নিৰ্মিত 'ব্ৰাণ্ড' দেবজিতক ছাত্ৰ সন্থাই জজ খেলপথাৰলৈ আমন্ত্ৰণ কৰি আনি একাংশ ৰাইজক বিনামূলীয়াকৈ প্ৰদৰ্শন কৰি সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰি ব্যাপক প্ৰচাৰ লাভ কৰাৰ পিছদিনাৰ পৰাই অসমৰ চাৰিওফালে বিহু-সাংস্কৃতিক কমিটিসমূহৰ লৰা-ধপৰা লাগিল, আৰম্ভ হ'ল বুকিং অভিযান। অৰ্থাৎ অসমৰ ৰাইজে নিজৰ ধন ভাঙি নিৰ্মাণ কৰা 'ভাৰতকণ্ঠ'ক চাবলৈ এশ, দুশ, পাঁচশ ধন ভাঙিব লাগিব আৰু এই সমুদায় ধনৰ গৰাকী হ'ল পুঁজিপতি জি টিভি। উল্লেখ্য যে জি টিভিৰ বিনা অনুমতিত 'ভাৰতকণ্ঠ'ই হেনো ক'তো গীত পৰিবেশন কৰিব নোৱাৰিব। এনেদৰেই বণিক গোষ্ঠীয়ে বিভিন্ন কৌশল অৱলম্বন কৰি কোনো প্ৰতিভাক প্ৰথমে জনসাধাৰণৰ মাজত জনপ্ৰিয় ৰূপত প্ৰতিষ্ঠা কৰে। এই প্ৰতিষ্ঠা লাভৰ পাচতেই জনপ্ৰিয় প্ৰতিভাক কেতিয়াবা দেবজিতৰ দৰে পোনপতীয়াকৈ ধন ঘটাৰ পণ্য হিচাপে পৰিবেশন কৰা হয়। অৱশ্যে বেচিভাগ ক্ষেত্ৰতে এনে জনপ্ৰিয় প্ৰতিভাক বিজ্ঞাপনৰ ৰূপত ব্যৱহাৰ কৰি তেওঁলোকৰ হাতত তুলি দিয়া হয় বণিক গোষ্ঠীৰ উৎপাদিত পণ্য সামগ্ৰী। প্ৰিয় শিল্পীৰ হাতত দেখা পোৱা পণ্যৰ প্ৰতি জনসাধাৰণ ক'ব নোৱাৰাকৈয়ে আকৃষ্ট হৈ সেই পণ্যৰ গ্ৰাহক হৈ পৰে। এয়া বৃহৎ বণিক গোষ্ঠীৰ বজাৰ দখলৰ কৌশলৰ বাদে আন একো নহয়। জানিব পৰা মতে এ বি চি এলৰ বেনাৰত কৌন বনেগা ক্ৰৌড়পতি নামৰ ধাৰাবাহিকখন সম্প্ৰচাৰ হৈ থকাৰ সময়ছোৱাত প্ৰথম খণ্ডৰ প্ৰথম দহ মিনিটতে অমিতাভ বচ্চনে এছ এম এছ আৰু টেলিফোন গ্ৰাহকৰ পৰা ১২ কোটিৰো অধিক টকা লাভ কৰিছিল। মুনাফা অৰ্জনৰ এই ধাৰাবাহিকত পিছৰ কেবাটাও খণ্ডত অব্যাহত আছিল।

অন্য এক খবৰ অনুসৰি উত্তৰ পূৰ্বাঞ্চলত জি টিভিয়ে শীঘ্ৰে এটি ছেটেলাইট নিউজ চেনেল আৰম্ভ কৰিব। এই সম্পৰ্কত এজন জ্যেষ্ঠ যুৱ ছাত্ৰ নেতা আৰু এখন বহুলভাৱে প্ৰচাৰিত দৈনিক কাকতৰ মালিকৰ সৈতে প্ৰাৰম্ভিক বুজাপৰাও হৈ গৈছে। গতিকে এজন দুজন 'ভাৰত কণ্ঠ', 'অসম কণ্ঠ' 'উত্তৰ পূৰ্বাঞ্চল কণ্ঠ', 'এক মে ঔৰ টু' আদি নিজাকৈ ব্ৰাণ্ড বনাই ৰাখিব পাৰিলে অন্যান্য চেনেলসমূহৰ সৈতে ফেৰ মৰাত সহজ হোৱাৰ লগতে বজাৰত গ্ৰাহকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব আৰু মুনাফাও অধিক পৰিমাণে হাতলৈ আহিব। এই খবৰ জানিব পাৰি প্ৰস্তাৱিত চেনেলটোৰ অন্যতম প্ৰতিদ্বন্দ্বী, ইতিমধ্যে সংস্থাপিত আন এটা চেনেলে 'ভাৰত কণ্ঠ'ৰ বিকল্প ৰূপে নিজা বেনাৰত 'অসম কণ্ঠ' নে তেনেকুৱাই কিবা এটা 'ব্ৰাণ্ড' প্ৰতিষ্ঠা কৰাৰ বাবে ৰাজ্যজুৰি অভিযান আৰম্ভ কৰিছে।

**ৰাইজৰ কি লাভ হ'ব ঃ** বৰ্তমান দুখীয়া দেশসমূহত লুণ্ঠনকাৰী সাম্ৰাজ্যবাদী, দালাল পুঁজিপতি গোষ্ঠীবোৰৰ বহুজাতিক কোম্পানীবোৰে চৰকাৰসমূহৰ প্ৰত্যক্ষ অথবা পৰোক্ষ সহযোগত শোষণ লুণ্ঠনৰ মাত্ৰা তীব্ৰভাৱে বঢ়াই নিয়াৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ একো যে লাভ নহয় সেয়া বুকু ডাঠি ক'ব পাৰি। বিশেষকৈ পণ্যৰ ৰূপত প্ৰতিষ্ঠা কৰা দেবজিতৰ দৰে শিল্পীৰ সপক্ষে জনসাধাৰণৰ মাজত আঞ্চলিক অথবা ধৰ্মীয় আবেগ সৃষ্টি কৰি মধ্যবিত্ত, নিম্ন-মধ্যবিত্ত পৰিয়ালসমূহৰ পৰা পকেট কাটি ধন একাংশ পুঁজিপতি য়ে লৈ গৈ আছে। সস্তীয়া মনোৰঞ্জনৰ নামত এক-দুই ঘন্টা সুৰৰ মায়াজালত বন্দী হ'বলৈ যোৱা এনেধৰণৰ উৎসৱৰ সৈতে কিন্তু সৰ্বসাধাৰণ ৰাইজৰ দুখ-যাতনাৰ জীয়া প্ৰসঙ্গটোৰ কোনো সম্পৰ্ক নাই। এনেধৰণৰ উৎসৱসমূহৰ সৈতে লাখ লাখ নিবনুৱাৰ সমস্যা, লাখ লাখ বানপীড়িতৰ সমস্যা, মেলেৰিয়া ৰোগত কৰুৱকাই কৰুণ মৃত্যুক আকোৱালি ল'ব লগা হোৱা লাখ লাখ দুখীয়া-সৰ্বহাৰা, কৃষক-শ্ৰমিক, নিৰ্যাতিতা, ধৰ্ষিতা নাৰীসকলৰ মৌলিক সমস্যা তথা খাটিখোৱা কোটি কোটি জনতাৰ অন্ন-বস্ত্ৰ, বাসস্থান, স্বাস্থ্য, শিক্ষাৰ সৈতে কোনো সম্পৰ্ক নাই। এনেধৰণৰ সস্তীয়া সাংস্কৃতিক (?) কাৰ্যবোৰে সংখ্যাগৰিষ্ঠ শ্ৰেণীটোক কোনো প্ৰকাৰে আগবাঢ়ি যোৱাত সহায় নকৰে। বৰং এই অপসাংস্কৃতিক কাৰ্যসূচীসমূহে নিপীড়িত শ্ৰেণীটো আগবাঢ়ি যোৱাৰ উছাহৰ পথটিত এক বাধাৰহে সৃষ্টি কৰিব। কেৱল এনেধৰণৰ দুষ্কৃতিৰ দ্বাৰা প্ৰতাৰিত হোৱাৰহে সম্ভাৱনা অধিক। বৰ্তমান তৃতীয় বিশ্বৰ তথাকথিত স্বাধীন দেশবোৰৰ অৰ্থনীতি, ৰাজনীতি



আনকি সংস্কৃতিও সাম্ৰাজ্যবাদী শিবিৰ সমূহৰ নিৰ্দেশতে বৰ্ত্তি থাকে। অৰ্থাৎ নামত স্বাধীনতাৰ লেবেল লগোৱা এই দেশসমূহৰ দেশনেতাবোৰে জনগণক শাসন, সেৱা কৰাৰ নামত ভৃত্য সদৃশ আচৰণ কৰে আৰু অৰ্থনৈতিকভাৱে যিহেতু পৰাধীন সেয়ে জনকল্যাণৰ নামত মদ-ভাং-ড্ৰাগছ কে ধৰি নানা যৌন উত্তেজক সামগ্ৰী আৰু সংস্কৃতিৰ পোষকতা কৰি এক জনগণ বিৰোধী অৱস্থান গ্ৰহণ কৰি জনগণক পিচপেলাই নিয়াৰ এক অন্তৰ্নিহিত উদ্দেশ্য প্ৰত্যক্ষ কৰা যায়।

অকল দেবজিতেই নহয়, হিন্দী কথাছবিৰ নায়ক-নায়িকাৰ সৈতে সমানে সমানে খোজ পেলাই জুবিন গাৰ্গৰ পৰা আৰম্ভ কৰি যতীন বৰা, প্ৰাঞ্জল শইকীয়া, নিপন গোস্বামীলৈ, প্ৰতিজনেই আজি একমাত্ৰ ধন ঘটাৰ বাবেই বিদেশী মদকে ধৰি বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰ্তা কোম্পানীৰ হৈ প্ৰচাৰ চলায়। অথচ এইখন অসম মুলুকতে তাহানি গণশিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাই সাম্ৰাজ্যবাদী বৃটিছৰ দমন, শাসন-শোষণৰ বিৰুদ্ধে দেশৰ জনগণৰ সৈতে একেলগ হৈ স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিছিল। স্বাধীনতা সংগ্ৰামত এজন সক্ৰিয় কৰ্মী হিচাপে গণশিল্পী গৰাকীয়ে নিজৰ মেধা প্ৰতিভা, নিজৰ সৃষ্টি ক্ষমতাৰে, গীত-নাট-কবিতা-কথাছবিৰে দেশৰ, বিশেষকৈ অসমৰ জনগণক অনুপ্ৰাণিত কৰিছিল। পুনৰ প্ৰায় একে সময়তে গণশিল্পী, বিপ্লৱী বিষ্ণু ৰাভাই দেশৰ হালোৱা-হজুৱা তথা শ্ৰমিকৰ চিৰ মুকুতিৰ বাবে দেশী-বিদেশী ধনকুবেৰহঁতৰ অন্যায় শাসন-শোষণ ধ্বংস কৰি দুখীয়া-সৰ্বহাৰা জনতাৰ সমতাভৰা সমাজ এখন প্ৰতিষ্ঠাৰ বাবে আৰ চি পি আইৰ নেতৃত্বত দেশজুৰি আৰম্ভ হোৱা সমাজতান্ত্ৰিক বিপ্লৱত বন্দুক পৰ্যন্ত লৈ জঁপিয়াই পৰিছিল। অৰ্থাৎ গীত-কবিতা-অভিনয়-চিত্ৰশিল্প আদি সমস্ত প্ৰতিভাৰ পিছতো গণশিল্পীগৰাকীয়ে জনতাৰ দুৰ্দিনৰ সময়ত জনগণৰ সৈতে ঐক্যবদ্ধ হৈ জনতাৰ আহ্বান গ্ৰহণ কৰি বাছি লৈছিল মুকুতিৰ সশস্ত্ৰ সংগ্ৰামৰ পথ। অৰ্থাৎ শিল্পীৰ দায়িত্ব বুজি জনগণৰ কোনো শিল্পীয়ে সময়ৰ আহ্বান নেওচিব নোৱাৰে। গণশিল্প-সাহিত্য সংস্কৃতিৰ এইখিনিতেই বোধহয় ৰাইজৰ সৈতে সম্পৰ্ক। তেনেদৰে তাহানি হুফদৰ হাছমী, হেমাঙ্গ বিশ্বাস, পল ৰবচন, আদিৰ লেখিয়াকৈ পীট ছিগাৰ, গড্ডৰ আদি গণশিল্পীয়ে আজিও সংগ্ৰামী জনতাৰ জীৱনৰ সৈতে নিজৰ জীৱনক তুলনা কৰি সংগ্ৰামত অৱতীৰ্ণ হৈছে। এই মহান শিল্পীসকলে নিজৰ শিল্প প্ৰতিভাৰে দেশ তথা জনতাৰ হৃদয় জয় কৰি জনতা আৰু গণশিল্পীৰ সম্পৰ্ক আৰু জনতাৰ দুৰ্দিনত কৰ্তব্য সম্পৰ্কে হাতে-কামে ৰাইজক বুজাই দিছে। এনে উদাহৰণ নিশ্চয় এজন গণশিল্পীৰ বাবে আজিও এক আদৰ্শ স্বৰূপ।

> খেতি-বাতি, ৰাস্তা, দলং, গছ-গছনি, মথাউৰি, শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আৰু গৃহ-পালিত জীৱ-জন্তুৰ ক্ষয়ক্ষতিৰ প্ৰকৃত খতিয়ান ল'লে বানপানী আৰু গৰাখহনীয়াৰ বছৰি ক্ষয়ক্ষতিৰ পৰিমাণ বহু হেজাৰ কোটি টকা হ'বগৈ।

**অপসংস্কৃতিৰ বিৰুদ্ধে জনতা ক্ৰমাৎ সৰৱ হৈ আহিছেঃ** জি টিভিৰ বজাৰৰ পণ্য দেবজিতক আছুৰ লেখিয়া জাতীয় সংগঠনে জনগণৰ স্বাৰ্থৰ পিনে পিঠিদি উমাল কাৰ্পেট পাৰি দিয়াৰ সময়তে ডিব্ৰুগড়, তেজপুৰ, আদি ঠাইত শ্ৰোতা-দৰ্শক ৰাইজে শিলাবৰ্ষণ কৰাটো তাৎপৰ্যপূৰ্ণ। অসংগঠিত ৰূপতহ'লেও এয়া অপ-সংস্কৃতিৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভৰ নিদৰ্শন। সংগতি আৰু লক্ষ্যহীন বিদ্ৰোহ-বিক্ষোভে জনগণক আগবঢ়াই নিব নোৱাৰে। সেয়ে বৰ্তমান সমাজ জীৱন গ্ৰাস কৰিব খোজা সাম্ৰাজ্যবাদী সামন্তীয় পুঁজিবাদী, যৌনগন্ধী, অপসংস্কৃতিৰ বিৰুদ্ধে সু-সংগঠিত ৰূপত নয়া গণতান্ত্ৰিক তথা মানবীয় বিপ্লৱী সংস্কৃতিৰ কাৰ্যসূচীৰে ৰণহুংকাৰ দিব লাগিব। জনগণৰ মৌলিক সমস্যাবোৰ সমাধানত সহায়ক হ'ব পৰাৰ লক্ষ্যৰে শিল্পীসকলে গণকাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। কাৰণ সংখ্যাগৰিষ্ঠ ৰাইজৰ আশা-আকাঙ্খাক বাদ দি কোনো শিল্প-সাধনা হ'ব নোৱাৰে অথবা গৰিষ্ঠসংখ্যকৰ সৈতে এক নীবিড় সম্পৰ্ক নৰখা শিল্পীক জনগণে কেতিয়াও মনত নাৰাখিব। তেনে প্ৰতিভা-মেধাক দুই-এজন পুঁজিপতিয়ে টকা দি ক্ৰয় কৰিলেও জনগণে তেওঁলোকক চিনি নাপাব আৰু সময়ৰ সোঁতত তেওঁলোক হেৰাই যাবলৈ বাধ্য হ'ব। সেয়ে জনগণৰ মৌলিক সমস্যাৰাজিৰ সৈতে নীবিড় হ'বলৈ আজিৰ সময়ে গণদায়বদ্ধ শিল্পীক আহ্বান জনায়। ■



OKDISCD